বৈষ্ণৱ ধৰ্ম্মৰ আঁতিগুৰি

আঁতিগুৰি ক্ৰমবিস্তাৰ ভক্তিতত্ত্ব

(ঋক্‌বেদৰ কালৰ পৰা শ্ৰীশঙ্কৰদেৱলৈ)

শ্ৰীডিম্বেশ্বৰ নেওগ
চন্দ্ৰপ্ৰভা, যোৰহাট

The Nabin Bardalai Hall & Library
GAUHATI

৫০৬ শঙ্কৰাব্দ
সংযুক্ত সংবৰ্দ্ধিত সংস্কৰণ

বেচ ডেৰ টকা

প্ৰকাশক :—
শ্ৰীবিচিত্ৰ নাৰায়ণ দত্তবৰুৱা বি, এল
লয়াৰ্চ বুকষ্টল, গুৱাহাটী

প্ৰিণ্টাৰ—
শ্ৰীদেৱপ্ৰসাদ মিত্ৰ
এলেম্ প্ৰেছ
৬৩, বিডন ষ্ট্ৰীট, কলিকতা—৬

উছৰ্গা

মুগা-পলুৱে নিজে খোলা বান্ধি তাতে সোমাই

ৰ' লাগি থকাৰ নিচিনা অৱস্থাৰ পৰা,

শ শ বছৰৰ মানসিক ধূলি মাকতিৰ চামনি গুচাই

যুগান্তৰৰ ভোগ-মোহ আলস্যৰ তন্দ্ৰা তাজি

সংৰক্ষণশীলতাৰ ঠেক পচা গড়াল ডেই ভাঙিমোহাৰি

"নিজে ব্ৰাহ্মণ হৈ সদৌকে ব্ৰাহ্মণ কৰাঁ"

এই মহামন্ত্ৰ মুখত লৈ ওলাই অহা

ত্যাগী-মনস্বী সমাজ -সংস্কাৰক যুগ-নায়ক

শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী

গড়মূৰীয় সত্ৰাধিকাৰৰ শ্ৰীকৰকমলত।

শ্ৰীডিম্বেশ্বৰ নেওগ

?1. .P 1955
GAUHATI

বৰ্ত্তমান তাঙৰণৰ কথা

আমাৰ "বৈষ্ণৱধৰ্ম্মৰ আঁতিগুৰি", "বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমবিস্তাৰ" আৰু "বৈষ্ণৱ ধৰ্ম্মৰ ভক্তিতত্ত্ব" পুথি তিনিখনি ১৯৪০—৪২ৰ ভিতৰত প্ৰকাশিত হৈ দুই তিনি বছৰৰ ভিতৰতে ওৰ পৰিল। বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতি আন্তৰিক আগ্ৰহশীলসকলৰ প্ৰতি তাৰ বাবে হিয়াভৰা শলাগ জনাইছোঁ। একান্ত ইচ্ছা থকা সত্ত্বেও এই ১০।১২ বছৰে এই কেইখন পুথিৰ নতুন তাঙৰণ সুকীয়াকৈ উলিয়াব পৰা নহ'ল, তাৰ বাবে আমি অত্যন্ত দুঃখিত। ইয়াৰ ভিতৰতে নতুন গৱেষণাৰ পোহৰত আমি বহুত ন ন কথা পাই ঐতিহাসিক দৃষ্টিভঙ্গীৰ পৰা সেইখিনি নকৈ জুকিয়াই প্ৰমাণমূলক-ভাৱে অতি চমুকৈ ইয়াত ঠাই দিলোঁ। পুথিৰ আকাৰ বাঢ়িলে বেচো বাঢ়ে, আৰু বেচ বাঢ়িলে ইয়াক সৰ্ব্বসাধাৰণে সহজে নাপাব, এনে আশঙ্কা কৰিয়েই আমি অলপ টিপি ধৰিলোঁ। আগলৈ সুবিধা পালেই অন্ততঃ অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ স্বৰূপ সম্পৰ্কে অলপ মুকলিকৈ আলোচনা কৰিম। সদৌ বৈষ্ণৱলৈ সেৱা আগবঢ়ালোঁ।

PLEASE HANDLE THE BOOK CAREFULLY.

পাতনি

শ্ৰীশঙ্কৰদেৱৰ তথা অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ মূল তত্ত্ব আৰু শিক্ষাসমূহ বুজিবলৈ এটি আধুনিক বিজ্ঞানসম্মত চেষ্টা কৰিবৰ বাবে ১৯৪০ত যোৰহাটত কেন্দ্ৰীভূত **শঙ্কৰদেৱ শিক্ষালয়** নাম দি এটি গৱেষণা-মূলক অনুষ্ঠান পাতি তাৰ এটি ছপা আঁচনি হাতত লৈ দুবছৰমান বাটত ভালদৰে আগবঢ়া হয়। ইয়াৰ লগে লগে যোৰহাট নগৰৰ সৌমাজত সদৌ আমাৰ বাবে এটি "**শ্ৰীশঙ্কৰদেৱ গৱেষণা মন্দিৰ**" পাতিবৰ বাবে স্থানীয় আঢ্যৱন্ত পৰিয়াল এটিৰ পৰা এই কেন্দ্ৰীয় অনুষ্ঠানৰ উপযুক্ত শঙ্কৰ-ভৱন নিৰ্মাণ কৰি দিবৰ লিখিত প্ৰতিশ্ৰুতি হাতত লৈ তেতিয়াৰ প্ৰধানমন্ত্ৰী, ৰাজহমন্ত্ৰী আদিৰ কাৰ চাপি সেইসকলৰ ফালৰ পৰাও সম্পূৰ্ণ সহায়-সহানুভূতিৰ সহাৰি পোৱা হয়। দুৰ্ভাগ্যক্ৰমে অসমীয়া এনে প্ৰায় অনুষ্ঠানৰ দৰেই এই আশাৰ ফুলটিও পোকে কুটিলে; দুই এজন সহকৰ্ম্মীৰ মৃত্যু ঘটিলত আৰু আন দুই চাৰিজনৰ ক্ষুদ্ৰ স্বাৰ্থ-সিদ্ধিৰ সম্ভাৱনা নথকাত এওঁলোকে লাগতিয়াল সকলো কাকত-পত্ৰ জাহ দি দুইটি অনুষ্ঠান দুপতীয়াতে জঁয় পেলালে। তাৰ উল্লেখৰ হেতু এয়ে, আমি শকত আশাবাদী; আমি ভাবোঁ কোনো সৎ চেষ্টাই হেৰাব নোৱাৰে, গতিকে ইউৰোপীয় পুৰাণৰ ফীনিক্স চৰাইৰ দৰে বিফলতাৰ সেই ভসমতেই আমাৰ হাতত নহলেও আমাৰ কোনো সুযোগ্য বংশধৰৰ হাতত তাৰ নতুন পোখা ওলাই লহপহকৈ বাঢ়ি আৰু জকমককৈ ফুলি চৌদিশ আমোল-মোলাব।

স্বৰূপতে সেই ‘শঙ্কৰদেৱ শিক্ষালয়ৰ” ছাঁতে আমাৰ ১৯৪০ ত ওলোৱা বৈষ্ণৱ ধৰ্ম্মৰ আঁতিগুৰি আৰু তাৰ পাছৰ চন্থাবিংশবোৰৰ ভিতৰত প্ৰকাশিত বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমবিস্তাৰ আৰু বৈষ্ণৱ ধৰ্ম্মৰ ভক্তিতত্ত্ব নামৰ পুথিকেখনৰ জন্ম। পঢ়ুৱৈ সমাজৰ আদৰত তিনি বছৰতে আটাইকেখন পুথি আমাৰ হাতৰ পৰা ওৰ পৰিল। ইয়াৰ লগে লগে ঠায়ে ঠায়ে শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱ তিথিৰ জন্ম হল, আৰু মহাপুৰুষ দুজনাৰ আবিৰ্ভাৱ-তিৰোভাৱ তিথি, অধ্যয়ন চক্ৰ আদিৰ বাবে বিভিন্ন জিলাৰ বিভিন্ন ঠাইৰ অনুষ্ঠানৰ সভাপতি হবলৈ আমালৈ সঘনে ডাক আহিল। দেশবাসীৰ এই নতুন জাগৰণত আমি অসমীয়া জনগণৰো এটি অভাৱনীয় মানসিক ক্ষুধা-তৃষ্ণা লক্ষ্য কৰিলোঁ; কৃপাবৰ বৰবৰুৱাৰ ভাষাৰে—“ধুন্দুলি কুটা, ধুন্দুলি কুটা, শুদা ধুন্দুলি কুটা। লোণ নাইকিয়া, তেল নাইকিয়া, শুদা ধুন্দুলি কুটা।”—সেইবোৰে মানুহক আমুৱালে। মহাপুৰুষীয়া তথা সৰ্বভাৰতীয় বৈষ্ণৱ আন্দোলনৰ মূল তত্ত্ব মানুহে জানিবলৈ বিচাৰে, পৌৰাণিক তত্ত্বৰ আধুনিক ব্যাখ্যা মানুহে শুনিবলৈ হেপাহ কৰে। এহাতে জনগণৰ মনৰ এই ভোক-পিয়াহ আৰু ইহাতে আমাৰ নিজৰ গভীৰ অজ্ঞতা, দুইটা গুচাবৰ বাবে আহাৰ-পোহৰ দুইকো বিচাৰি ওলাবলৈ আমি বাধ্য হলোঁ; আৰু তাৰ বাবে আমি দেশী-বিদেশী ধৰ্ম্ম-চিন্তাৰ মনীষীসকলৰ পদাঙ্ক অনুসৰণ কৰাৰ বাহিৰে আন উপায় নেদেখিলোঁ।

তাৰ পাছত ১৯৫৪ ৰ মাৰ্চত প্ৰাদেশিক শ্ৰীশ্ৰীশঙ্কৰদেৱ-সঙ্ঘৰ ত্ৰয়োবিংশ অধিবেশনৰ সভাপতি হবলৈ আমালৈ আহ্বান আহিল আৰু তাৰ লগে লগে এতিয়ালৈকে আমি সেই সঙ্ঘৰ স্থায়ী সভাপতি হব লগা হল। এইদৰে আমি “মহদ্ভিঃ সুপ্ৰতিষ্ঠিতম্” হৈ গুণ নহলেও কিল খাই বেজ হব লগাত পৰিলোঁ;—শ্ৰীশঙ্কৰদেৱৰ “পূৰ্ব্বকবি অপ্ৰমাদী

মাধৱ কন্দলী আদি" যে অযোধ্যা কাণ্ডত কবৰ দৰে—"পাৰন্তে কি জীৱন্তা পৰাণী কিল সয়।" অৱশ্যে "ৰণ্ডৱ কিল গুকলাগুকল্, খণ্ডৱ কিল লপাঠপা।" সামান্য বিদ্যা-বুদ্ধি অনুসৰি পঢ়ি-শুনি ভাবি-চিন্তি সভাপতিৰ অভিভাষণ বা ভাষণ স্বৰূপে লিখি বা টুকি নিয়া কথাকেইটিবে তত্ত্ব-মূলক ভাগটি জুকিয়াই সম্প্ৰতি এই পুথিৰ আকাৰে সদৌ পঢ়ুৱৈ সমাজলৈ আগবঢ়োৱা হল। ইয়াৰ নাম পোনতে "বৈষ্ণৱ ধৰ্ম্মৰ আদি বুৰঞ্জী" দিবলৈ ভবা হৈছিল, পিছে তাতকৈ এই নামটি অধিক উপযোগী হব যেন লগাত শেষত এই নামকে দিয়া হল। কিন্তু ১৯৫০ত ওলোৱা **বৈষ্ণৱ ধৰ্ম্মৰ আঁতিগুৰি** পুথিৰ পৰা ই কাৰ্য্যতঃ সম্পূৰ্ণ সুকীয়া।

যি যি অনুষ্ঠানৰ সভাপতিৰ অভিভাষণ বা ভাষণলৈ বুলি তথ্যখিনি পোনতে গোটোৱা হৈছিল, সেইবোৰৰ মনত থকা কিছুমানৰ নাম এইখিনিতে শলাগেৰে উল্লেখ কৰিলোঁ:—প্ৰাদেশিক শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ ত্ৰয়োবিংশ সম্মিলন; ঢেকীয়াল মলথু নামঘৰ, গোলাঘাট; নগাঁও জিলা শঙ্কৰদেৱ সঙ্ঘ, কলীয়াবৰ পূবথৰীয়া ভুএগাবি নামঘৰ; নগাঁও জিলা শঙ্কৰদেৱ সঙ্ঘৰ বিংশ অধিবেশন, ভেৰভেৰি, পুৰণিগুদাম; শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ প্ৰতিনিধি সম্মিলন, কলীয়াবৰ সোণাই গাঁও, শিলঘাট; শ্ৰীশঙ্কৰদেৱ আবিৰ্ভাৱ-উৎসৱ কুজিদাহ ঘুৰীয়া নামঘৰ, হাতীচোং, নগাঁও; শঙ্কৰদেৱ শিক্ষালয়, কেন্দুগুৰি, যোৰহাট; চাৰিগাঁও শঙ্কৰদেৱ সঙ্ঘ, যোৰহাট; নপাম-ভৰলুৱা গাঁও, যোৰহাট; হোলোঙাপাৰ ভকত গাঁও, যোৰহাট; মেলেং মইনাপৰীয়া গাঁও, যোৰহাট; চৰাইবাহী মৌজা থগীয়া চুটিয়াকাৰা সঙ্ঘ, পকামুৰা, যোৰহাট; কাছগড়াল নামঘৰ, যোৰহাট; লখিমীখাত নামঘৰ, যোৰহাট; ঢুলীয়া গাঁও নামঘৰ, টীয়ক, যোৰহাট; ঢুইনৈমুখ নামঘৰ, মুদৈজান, যোৰহাট; সোণাৰী গাঁও নামঘৰ, তৰাজান, যোৰহাট; মাজগাঁও নামঘৰ, ঢেকিয়াজুলি,

যোৰহাট; সোণাৰী গাঁও নামঘৰ, কাকজান, যোৰহাট; ৰাজহুৱা নামঘৰ, কৰঙা, যোৰহাট; হাজাৰী মৌজা যুৱক সঙ্ঘ, যোৰহাট; দহোটীয়া উচ্চ ইংৰাজী বিদ্যালয়, যোৰহাট; কাকজান উচ্চ ইংৰাজী বিদ্যালয়, যোৰহাট; ৰেৱকান্ত-সৰোজিনী বিদ্যালয়ৰ ছাত্র-ছাত্রী সঙ্ঘ, যোৰহাট; প্রশিক্ষণ বিদ্যালয়, যোৰহাট; সজাগ সঙ্ঘ, যোৰহাট; উচ্চ ইংৰাজী বিদ্যালয়. মৰিয়নী, যোৰহাট; বাণী সম্মেলন, যোৰহাট; অধ্যয়ন চক্র, নকছাৰী, যোৰহাট; শ্রীপীতাম্বৰ দেৱ গোস্বামী সপ্ততিতম জন্মতিথি, যোৰহাট; অস্পৃশ্যতা নিবাৰিণী সভা, যোৰহাট; শঙ্কৰদেৱ সমাজ, শিৱসাগৰ; বেজিমুখীয়া সলগুৰি শঙ্কৰদেৱ তিথি, ছটাইছিগা, শিৱসাগৰ; অস্পৃশ্যতা-নিবাৰিণী সভা, শিৱসাগৰ; শঙ্কৰদেৱ তিৰোভাৱ-উৎসৱ, নাজিৰা, শিৱসাগৰ; দিগবৈ সাহিত্য সভা; মহমাৰি কঠালগুৰি শঙ্কৰদেৱ তিথি, নাহৰকটীয়া, ডিব্রুগড। যিবিলাক অনুষ্ঠানৰ নাম পাহৰণিত ইয়াত নোসোমাল, তাৰ বাবে ক্ষমা-ভিক্ষাৰ বাহিৰে উপায় নাই।

বর্ত্তমান পুথিত সর্বভাৰতীয় বৈষ্ণৱ ধর্মৰ আঁতিগুৰি বিচাৰ কৰা হল; অৱশ্যে ইয়াতে অসমৰ বৈষ্ণৱ ধর্মৰ সকলো কথাও ওলায়। বর্ত্তমান গঢ়তেই পুথিখনি যুগুত কৰি বহুত দিন পেলাই থব লগা হৈছিল। বন্ধু-বৎসল আৰু উদ্যোগী প্রকাশক শ্রীবিচিত্রনাৰায়ণ দত্ত বৰুৱা আগবাঢ়িনহা হলে ই আৰু কিমান দিন সেই অৱস্থাত থাকিব লাগিলহেতেন কব নোৱাৰি। যি হওক, এই পুথিয়ে আদৰ পালে এই প্রকাশকেই বোধকৰোঁ এই লেখকৰ **মহাপুৰুষীয়া ধর্ম্মৰ আঁতিগুৰি** পুথিখনি সোণকালে উলিয়াবলৈ হাতত লব। কোৱা বাহুল্য যে পুথিৰ কলেৱৰ বঢ়াৰ ভয়তে ইয়াত সকলোখিনি কথা ঠোৰতে কোৱা হৈছে, আৰু ইচ্ছা থকাতো বহুত কথা বহলাই কোৱা নাই। ঘাইকৈ এনে

বিধৰ পুথিৰ পঢ়ুৱৈ সমাজৰ সঙ্কীৰ্ণতালৈ চাই লেখক-প্ৰকাশক সদায় হতাশ হব লগা যে হয় ভুক্তভোগীৰ বাহিৰে আনে ওপৰে ওপৰে তাক বুজিব নোৱাৰে। "কালোহ্য়ং নিৰৱধি বিপুলা চ পৃথ্বী"ৰ ওপৰত যদি আশা কৰিব পাৰি আমি তালৈকে বাট চাওঁ; আৰু পঢ়ুৱৈ-প্ৰকাশক সদৌকে আগতীয়া শলাগ জনাওঁ।

চন্দ্ৰপ্ৰভা, যোৰহাট
৩ আষাঢ়, ১৮৭৭ শক

শ্ৰীডিম্বেশ্বৰ নেওগ

The
Nabin Bardaloi Hall & Library.
GAUHATI

বৈষ্ণৱ ধৰ্ম্মৰ আঁতিগুৰি

—:০:—

বেদ, উপনিষদ, ষড়্‌দৰ্শন

ভাৰতীয়সকলৰ আদি ধৰ্ম্মপুথি বেদ। বেদেই ইন্দো-আৰ্য্যসকলৰ সংস্কৃতি-সৌধৰ ধৰণী। বেদৰ পূজাপাতল সম্পৰ্কীয় ভাগক কৰ্ম্মকাণ্ড আৰু জ্ঞানবিষয়ক ছোৱাক বেদান্ত বা জ্ঞানকাণ্ড বোলা হয়। বেদান্তই বেদৰ চৰম বিকাশ বা সাৰ অংশ বুজায়; ই জ্ঞানৰ তুষ্টি বা কল্পনাবিলাস নহয়; কিন্তু ই ইন্দো-আৰ্য্যসকলৰ বহু শতাব্দী-ব্যাপী আধ্যাত্মিক অভিজ্ঞতা, প্ৰকৃত উপলব্ধি আৰু উচ্চ চৈতন্যৰ অনুভৱ যে সন্দেহ নাই।

ঋগ্‌বেদৰ নাসদীয় সূক্ত আদিতে যদিও বৈদান্তিক চিন্তাৰ সঙ্কেত বা পাছৰ উপনিষদৰ মূল ভেটি পোৱা হয়, তথাপি ভাৰতবৰ্ষত প্ৰথম বসতিকালত ইন্দো-আৰ্য্যসকলে যে পূজা-পাতল আৰু যাগযজ্ঞত গা ঢালি দিছিল, তাক আশয় মাতিব নোৱাৰি; গতিকে কৰ্ম্মকাণ্ড নিশ্চয় বেদৰ আগছোৱা। পাছত পুৰোহিত সম্প্ৰদায়ে এই পূজাপাতল আৰু যাগযজ্ঞৰ ইমান বঢ়াবঢ়ি কৰিবলৈ ধৰিলে যে চিন্তাশীল মনৰ লোকসকলে ইয়াৰ বিৰুদ্ধে বিদ্ৰোহাচৰণ কৰিবলৈ বাধ্য হ'ল, আৰু তেওঁলোকে পূজাপ্ৰাণ ধৰ্ম্মত কি সাৰ আছে বুলি প্ৰশ্ন সুধি ৰহিল। আনহাতে,

এই চিন্তাশীল মনৰ লোকসকলে মনস্তাত্ত্বিক সমস্যাসমূহত মনোনিবেশ কৰিলে আৰু সংসাৰ সম্পৰ্কে নানা সমাধানত উপনীত হ'ল। যি বৈদান্তিক চিন্তাধাৰা বা জ্ঞানকাণ্ড ঋগ্‌বেদৰ কালত পোনতে অঙ্কুৰ ৰূপত আছিল, সি লাহে লাহে-ডাল পাত মেলিলে আৰু তাৰ চৰম পৰিণতিত উপনিষদৰূপে দেখা দিলে।

পূজা-পাতলৰ বিৰুদ্ধে এই বিদ্ৰোহ ঘাইকৈ ক্ষত্ৰিয়সকলেই চলাইছিল, আৰু সেইবাবেই উপনিষদত ক্ষত্ৰিয়প্ৰাধান্য বিশেষৰূপে লক্ষণীয়। ইন্দো-আৰ্য্যসকল এনে স্বাধীনচিতীয়া আৰু সাহসী মনৰ লোক আছিল যে সত্য-অন্বেষণত তেওঁলোকে একোকেই অধৰ্ম্ম বুলি নামানিছিল। গতিকে স্বয়ং বেদতেই বেদৰ কৰ্ম্মকাণ্ডৰ বিদ্ৰোহী ভাবৰ কঠিয়া পৰা আছিল।

বুদ্ধদেৱৰ জন্মৰ পূৰ্ব্ব কালছোৱা আৰু তেওঁৰ জীৱনকালো ভাৰতবৰ্ষৰ বিশেষ ধৰ্ম্মবিষয়ক আৰু দাৰ্শনিক আলোড়নৰ যুগ। ব্ৰহ্মজাল সূত্ৰৰ পৰা সেই কালত ৬৬ খন বিভিন্ন দৰ্শনালয় আছিল বুলি বুজিব পাৰি। বৌদ্ধ সাহিত্যৰ পৰাও সেই কালত আৰ্য্যাৱৰ্ত্তত পূজনীয় পুৰাণ-কশ্যপ, কাত্যায়ন, গোশাল আদি অনেক বেদ-বিৰোধী প্ৰচাৰকৰ নামো পোৱা হয়। বিচাৰশীলতাৰ চূড়ান্তত আমি চাৰ্বাক আদিৰ ঘোৰ জড়বাদী আৰু ধৰ্ম্মবিৰোধী মত দেখিবলৈ পাওঁহঁক।

প্ৰাচীন মতবাদৰ সকলোটি ধাহি-মুহি পেলাবৰ এই চেষ্টা দেখি নৈষ্ঠিকসকলে সেই পুৰণি মতৰ ৰক্ষাৰ কাৰণে তাক অধিক বিচাৰশীলতাৰ ভেটিত বহুৱাবলৈ যত্ন কৰিলে। ইয়াৰ ফলেই

হ'ল ভাৰতীয় ষড়্ দৰ্শন—ন্যায়, বৈশেষিক, সাংখ্য, যোগ, পূৰ্ব্ব-মীমাংসা, উত্তৰ মীমাংসা। ওচৰ বা নিলগ যেনে-তেনেভাৱে বেদৰ মূল মত মানে বুলি এই ষড়্ দৰ্শন আস্তিক বা নৈষ্ঠিক; কিন্তু আনবিলাক দৰ্শনে এইবিলাকৰ দৰেই উপনিষদৰ মতকে গ্ৰহণ কৰিলেও বেদৰ ঘাই মতো অস্বীকাৰ কৰিবলৈ কুণ্ঠিত নহৈছিল বাবে সেইবোৰ নাস্তিক বা সাৰ্ব্বজনীন। গতিকে আস্তিক নাস্তিক কথা দুটা ঈশ্বৰৰ অস্তিত্ব মানি লোৱা বা নোলোৱাৰ লগত সম্পৰ্কিত নাছিল; কিয়নো সাংখ্যদৰ্শন আদি ঈশ্বৰৰ কথা স্বীকাৰ নকৰিও আস্তিক বুলি গণ্য হৈছিল। ঘাইকৈ বেদৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্কিত বুলিয়েই বৌদ্ধ আৰু জৈন সাহিত্যত পূৰ্ব আৰু উত্তৰ মীমাংসাৰ উল্লেখ পোৱা নহয়।

উপনিষদৰ কালতেই আকৌ এই আস্তিক ষড়্ দৰ্শনৰ বহুত বিভিন্ন সংস্কৃতি-কেন্দ্ৰ সমগ্ৰ ভাৰততেই গঠিত হৈছিল; আৰু একে দৰ্শনৰ চিন্তা-পদ্ধতিৰে সৰুসুৰা প্ৰভেদেৰে অনেক শিক্ষালয়ো মূৰ তুলি উঠিছিল। তাৰ ফলত শতাব্দীৰ পাছত শতাব্দী জুৰি এই সংস্কৃতি-কেন্দ্ৰবোৰ ইমান ব্যাপক আৰু বহুল হ'ল যে প্ৰত্যেক দাৰ্শনিক চিন্তালয়ৰ আকৌ নিয়মিত শৃঙ্খলীকৰণ আৱশ্যক হ'ল। এইখিনিতেই সংস্কৃত সূত্ৰ-সাহিত্যৰ জন্ম। গুৰু-শিষ্যৰ বিশদ আলোচনাৰ পাছত মূল তথ্যবোৰ মনত ৰাখিবলৈ সেইবোৰৰ সহজ চমু বচনমূলক শৃঙ্খলীকৰণেই সূত্ৰগ্ৰন্থ। এই সূত্ৰসাহিত্যও বহু আৰু ব্যাপক; তাৰ ভিতৰত বাদৰায়ণৰ বেদান্তসূত্ৰ প্ৰধান। উপনিষদসমূহ ইমান দিগন্ত-

প্ৰসাৰী যে ওপৰে ওপৰে চালে তাৰ ভিতৰত মিলতকৈ বিৰোধ ভাবহে অধিক দেখা হয়; গতিকে উপনিষদৰ তত্ত্বসমূহৰ শৃঙ্খলীকৰণ গ্ৰন্থ অপ্ৰধানৰূপেও আৰু অনেক যে আছিল বাদৰায়ণেও তাক স্বীকাৰ কৰিছে। মহাভাৰত আৰু গীতাৰ প্ৰণেতা বেদব্যাস আৰু বাদৰায়ণক বহুতে একে পাতিব খুজিলেও, আন বহুতে ব্যাস আৰু বাদৰায়ণ দুজন বুলিয়ে ঠাৱৰ কৰে। ৪০০ খৃষ্টপূৰ্বাব্দৰ শাস্ত্ৰজ্ঞ বোধায়ণৰ ৰচনাত মহাভাৰত আৰু গীতাৰ উল্লেখ পোৱা হয়, আৰু গীতাৰ "ব্ৰহ্মসূত্ৰপদৈঃ" (১৩,৪) কথাই এই বেদান্ত সূত্ৰৰ স্পষ্ট উল্লেখ কৰে। ইফালে গীতা-মহাভাৰতত বুদ্ধদেৱ আৰু বৌদ্ধধৰ্ম্মৰ উল্লেখ নাই; গতিকে এই দুখন গ্ৰন্থ, আৰু নিশ্চয় ব্ৰহ্মসূত্ৰও, পূৰ্ব্ববৌদ্ধযুগৰ। কিন্তু বাদৰায়ণৰ ২,৩,৪৫ আৰু ৪,২,২১ সূত্ৰ গীতাৰ শ্লোকৰ লগত মিলে; এই কথাৰ পৰা মাথোন গীতা-ৰচয়িতাই পাছত এই বেদান্তসূত্ৰত হাত ফুৰাইছিল বুলি ধৰা হয়।

প্ৰাধান্যৰ হেতুকে বিখ্যাত আচাৰ্য্যসকলৰ আটায়েই বেদান্ত-সূত্ৰৰ টীকাভাষ্য ৰচিলে। সেইসকলৰ ভিতৰত অদ্বৈতবাদ প্ৰচাৰক শঙ্কৰাচাৰ্য্য, দ্বৈতাদ্বৈতবাদ প্ৰচাৰক ৰামানুজাচাৰ্য্য, ভেদাভেদবাদ প্ৰচাৰক নিম্বাৰ্কাচাৰ্য্য, দ্বৈতবাদ প্ৰচাৰক মধ্বাচাৰ্য্য আৰু শুদ্ধাদ্বৈতবাদ প্ৰচাৰক বল্লভাচাৰ্য্য—এই পাঁচজনেই প্ৰধান। সৰু-সুৰা বিষয়বোৰত অমিল হলেও বেদান্তবিৰোধী মত খণ্ডন কৰাত আচাৰ্য্যসকল একমত। আটাইকেইজনেই কয় যে ব্ৰহ্মই জগতৰ আদিকাৰণ আৰু ব্ৰহ্মৰ জ্ঞানেইহে চৰম

মুক্তিৰূপ লক্ষ্যত জীৱক উপনীত কৰিব পাৰে ; আৰু তৰ্কৰ দ্বাৰা নহয়, শাস্ত্ৰজ্ঞানৰ ভিতৰেদিহে ব্ৰহ্মাক উপলব্ধি কৰিব পাৰি। কিন্তু ব্ৰহ্মৰ স্বৰূপ, জীৱ আৰু জগতৰ লগত ব্ৰহ্মৰ সম্পৰ্ক, আৰু মুক্তিৰ নিৰ্ণয় আদি বিষয়ত এওঁলোক একমত নহয়।

শঙ্কৰাচাৰ্য্যৰ মতে, ব্ৰহ্ম "অবাঙ্‌মনসগোচৰঃ," নিগুৰ্ণ ; কিন্তু ঈশ্বৰ মায়াৰ সৃষ্টি, জগত অসৎ আৰু মায়াৰ সংযোগত হোৱা এক বিৱৰ্ত্তন ; জীৱ প্ৰকৃততে সৰ্ব্বব্যাপি আৰু ব্ৰহ্মৰ লগত অভিন্ন, যদিও উপাধিৰ বাবে ই নিজক ঈশ্বৰৰ অংশ বুলি ভাবে। ৰামানুজ আদি আন আচাৰ্য্যসকলে মায়াবাদ নামানে ; সেইদেখি ব্ৰহ্মৰ পৰা ওলোৱা ভাবি এই জগৎ সৎ বুলিয়েই ধৰে, আৰু জীৱক ঈশ্বৰৰ অংশ বুলি মানে। এওঁলোকৰ মতে, মুক্তিৰ যাই উপায় ভক্তিহে, জ্ঞান নহয়। ৰামানুজৰ মতে, জীৱ আৰু জগতেই ব্ৰহ্মৰ শৰীৰ। নিম্বাৰ্কৰ মতে, চেতন আৰু অচেতন জগতৰ লগত ব্ৰহ্মৰ সম্পৰ্ক ভেদ আৰু অভেদৰ ওপৰত নিৰ্ভৰ কৰে। মধ্বৰ মতে জীৱ, জগত আৰু ব্ৰহ্ম স্বকীয়া ; কিন্তু ব্ৰহ্মই জীৱ আৰু জগতৰ শাসন কৰে। বল্লভৰ মতে জীৱ, জগত, আৰু ব্ৰহ্ম একেই ; যাই বস্তুৰ লগত তাৰ বিভিন্ন অংশৰ যি সম্পৰ্ক, ব্ৰহ্মৰ লগত জীৱ আৰু জগতৰ সেই সম্পৰ্ক। (১)

(১) Preface to Brahmasutras by Swami Vireswarananda, Advaita Ashram, Mayavati, Almora, Himalayas, 1936.

(১) বিষ্ণু, নাৰায়ণ আৰু বাসুদেৱ

বিষ্ণু-উপাসনা অৱশ্যে ঋকবেদৰ সমসাময়িক; কিন্তু ঋগ্‌বেদত বিষ্ণু সূৰ্য্যৰ অন্যতম আদিত্য বা বিকাশ মাত্র (২)। ঋগ্‌বেদৰ মতে (১,২২,১৮) বিষ্ণুৰ কীৰ্ত্তি তিনি খোজত (পুৱা, দুপৰ, গধূলি) আকাশ পাৰ হোৱা—"ত্ৰিণিপদা বিচক্ৰমে বিষ্ণুগোপা অদাভ্যঃ।" কল্‌ব্ৰুক্ আদি পণ্ডিতৰ মতে এয়ে বহু পৰৱৰ্ত্তী বামন পুৰাণৰ বলিছলন কাহিনীৰ ভেটি। উইলছন আদি পণ্ডিতৰ মতে ঋগ্‌বেদৰ পৰা বামন পুৰাণে তেনে সূচনা পাব পাৰে; কিন্তু স্বয়ং ঋকবেদে অৱতাৰবাদৰ তেনে কোনো প্ৰসঙ্গৰ সঙ্কেত দিয়া নাই। (৩)

ঋগ্‌বেদৰে এঠাইত বিষ্ণুক "ঋতেয় গৰ্ভম্" (১,১৫৬,৩) অৰ্থাৎ যজ্ঞ বা ঋতৰ বীজ বুলিছে। এই বেদত বিষ্ণুক ৰণনায়ক ৰূপেও পোৱা হয়, আৰু জগতৰ গৰাকি বুলি ইন্দ্ৰৰ লগত বিষ্ণুক বিশেষ অভিবাদন জনোৱা হৈছে (৬,৬৯, ৭,৯৯); ইয়াৰ পৰা সহজে ভাবিব পাৰি পূৰ্ব্ববৈদিক যুগতো 'বিষ্ণু এজন

(১) "Materials for the study of the History of Vaishnavism" by Hemchandra Roychoudhury. M. A., 1920.

(২) Wilson's "Introduction to the Rigveda Samhita," p 20.

(৩) Hopkin's, "The Religions of India," p 57.

শ্ৰেষ্ঠ দেৱতা বুলি গণ্য আছিল ; কিন্তু তেওঁক একমাত্ৰ কিম্বা, শ্ৰেষ্ঠ দেৱতা বুলিও ক'তো কোৱা হোৱা নাই।

পৰৱৰ্ত্তী বৈদিক সাহিত্যত অৱশ্যে বিষ্ণুৰ আসন আৰু আগলৈ আহে। তৈত্তেৰীয় সংহিতাৰ মতে বিষ্ণুৰ তিনি খোজ ঋগ্‌বেদত কোৱাৰ দৰে চক্ৰবালৰ দুই ঠাইৰে সূৰ্য্যৰ ওপৰৰ ঠায়েই নহয় ; কিন্তু পৃথিবী, বায়ু আৰু আকাশ (১)। শতপথ ব্ৰাহ্মণে বিষ্ণুৰ এই খোজৰ কথা আৰু বিৱৰি লিখিছে আৰু বিষ্ণুক স্বয়ং যজ্ঞ বুলিছে। এই ব্ৰাহ্মণৰ চতুৰ্দ্দশ কাণ্ডৰ আগছোৱাত দেৱতাসকলৰ এখন খৰিয়ালত বিষ্ণু বিজয়ী হোৱা আৰু তেতিয়াৰে পৰা 'বিষ্ণুৱেই সৱাতো সুন্দৰ দেৱতা' বোলা কথাৰ প্ৰচলনৰ কাহিনী আছে (২)। তৈত্তেৰীয় আৰণ্যক (৫,১) আৰু পঞ্চবিংশ ব্ৰাহ্মণ (৭,৫,৬) আদিতো এই কাহিনী বৰ্ণাইছে।

তৈত্তেৰীয় আৰণ্যকতহে বিষ্ণুৰ লগত নাৰায়ণ নামৰ প্ৰথম সম্পৰ্ক পোৱা হয়। "অগ্নিৰ্বৈ দেৱানাম্ বিষ্ণুঃ পৰমঃ" (১,১) —ঐতৰীয় ব্ৰাহ্মণৰ এই কথাৰ পৰাই ব্ৰাহ্মণযুগত বিষ্ণুৱে দেৱতাসকলৰ ভিতৰত সৱাতোকৈ ওখ আসন পোৱাৰ কথা প্ৰকাশ পায়। এই ব্ৰাহ্মণৰ মতেই, শৰণৰ দুজন গৰাকিৰ বিষ্ণু এজন 'দীক্ষাপালম্' (১,৪)। তথাপি এই যুগতো তেওঁ একমাত্ৰ

(১) Ibid p. 46.

(২) Eggeling's translation. Sat. Br. Part. V. pp. 441—42.

উপাস্য দেৱতা বুলি গণ্য হোৱা নাছিল; তদুপৰি বৈদিক বা ব্ৰাহ্মণিক বিষ্ণু উপাসনাত ভক্তি-ধৰ্ম্মৰ কোনো সাঁচ দেখিবলৈ পোৱা নহয়। পদ্মতন্ত্ৰত (১) ভাগৱত সম্প্ৰদায়ৰ কথা কৈছে "সূৰিঃ সুহৃদ্ ভাগৱতাঃ সাত্বতাঃ পাঞ্চকালভিঃ। একান্তিকাঃ তন্ময়াঃ চ পঞ্চৰাত্ৰিকা ইত্যাপি॥" মহাভাৰতৰ শান্তিপৰ্ব্বৰ নাৰায়ণীয় ছোৱাত আছে—

"পঞ্চৰাত্ৰ বিদোমুখ্যস্তস্য গেহে মহাত্মানঃ" (১২,২৩৫,২৫)।

"সাত্বতম্ বিধিমাস্থায় প্ৰাকসূৰ্য্যমুখনিঃসৃতম্" (১২,৩৩৫,১৯)

"যদা ভাগৱতো'ত্যৰ্থমাসিদ্ৰাজা মহান্ বাসুঃ" (১২,৩৩৭,১)

"নূনম্ একান্তধৰ্মোঽয়ম্ শ্ৰেষ্ঠনাৰায়ণ প্ৰিয়ঃ" (১২,৩৪৮,৪)

এই উদ্ধৃতিসমূহৰ পৰা ভাগৱত, সাত্বত, একান্তিক আৰু পঞ্চৰাত্ৰ আদি সমৰ্থক বুলি বুজিব পাৰি। মহাভাৰতৰ এই শান্তিপৰ্ব্বতে (১২,৩৪৬,১০-১১) আছে, এই ভাগৱতী ধৰ্ম্ম নাৰদে স্বয়ং নাৰায়ণৰ পৰা পাইছিল; আৰু হৰিগীতাত (ভগৱদ্গীতা) আগতে ইয়াক চমুকৈ কোৱা হৈছে। ইয়াৰে আন এঠাইত একান্তিক ধৰ্ম্ম পোনভে কোনে শিকাইছিল বুলি জন্মেজয়ে সোধাত বৈশম্পায়নে কৈছে বোলে (ভগৱৎগীতাত) অৰ্জ্জুনক পূজ্যজনে নিজে কৈছে (১২,৩৫৮,৬-৮)। ভগৱৎগীতা বা মহাভাৰতৰ শান্তিপৰ্ব্বৰ নাৰায়ণীয় ছোৱাৰ সময়ৰ সঠিক নিৰ্ণয় হোৱা নাই; কিন্তু খৃষ্টজন্মৰ বহুত আগত ভাগৱৎ বা ভক্তি-

(১) Journal of the Royal Asiatic Society, 1911, P 935.

পন্থাৰ লিপিমূলক প্ৰমাণ আমি পাওঁহঁক (১)। খ্ৰীষ্টপূৰ্ব্ব দ্বিতীয় শতিকাৰ বেছনগৰ লিপিত (২) ভাগৱৎ ধৰ্ম্মাৱলম্বী গ্ৰীক ৰজা এন্টিয়ালকিদাসৰ দূত হেলিয়দৰাই বাসুদেৱৰ ভক্তিৰ অৰ্থে গৰুড়ৰ প্ৰতিমূৰ্ত্তিৰে এক পতাকা উত্তোলনৰ উল্লেখ কৰিছে। ইয়াৰ অলপ পূৰ্ব্বৱৰ্ত্তী ঘাছুন্দি লিপিত (৩) ভাগৱতী সংকৰ্ষণ আৰু বাসুদেৱৰ উপাসনাৰ অৰ্থে সজোৱা পূজাৰ শিলৰ বেৰ এখনৰ কথা আছে। খৃষ্টপূৰ্ব্ব প্ৰথম শতিকাৰ নানাঘাটৰ লিপিত (৪) সংকৰ্ষণ আৰু বাসুদেৱৰ স্তুতি আছে। এই তিনিখন লিপিৰ প্ৰমাণৰ পৰা অন্ততঃ পাণিনিৰ কালতো বাসুদেৱৰ ভক্ত ভাগৱতসকল থকা ঠিৰাং কৰিব পাৰোঁ; কিয়নো এই বৈয়াকৰণৰ "বাসুদেৱৱক" শব্দই নিশ্চয় খৃষ্টপূৰ্ব দ্বিতীয় শতিকাৰ আগৰ এই ভাগৱত সকলৰ উল্লেখ বুজায়। বৈয়াকৰণ সম্ৰাট পাণিণি মহাভাষ্য প্ৰণেতা খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাৰ পাতঞ্জলিৰ বহুত পূৰ্ব্বৱৰ্ত্তী বুলি প্ৰায় খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাৰ বোলা হয় (৫)।

বৈদিক সাহিত্যত বাসুদেৱৰ নাম মাত্ৰ এবাৰ হে পোৱা হয়। তৈত্তেৰীয় আৰণ্যকৰ দশম পাঠত আছে "নাৰায়ণায় বিদ্মহে, বাসুদেৱায় ধিমহি তন্নো বিষ্ণুঃ প্ৰচোদয়াৎ।"

(১) The Indian Antiquary, 1912, p. 13.
(২) Luders Ins. No. 669, Epigraphia Indica.
(৩) Luders Ins. No. 6 Ep. Ind.
(৪) Luders Ins. No. 1112. Ep. Ind.
(৫) Early History of the Vaishnava Sect.

কিন্তু তৈত্তেৰীয় আৰণ্যকৰ শেষ গ্ৰন্থবোৰ পৰৱৰ্ত্তী বোলা হয় ; স্বৰূপতে কোনো সংহিতা, ব্ৰাহ্মণ বা পুৰণি উপনিষদত বিষ্ণুৱে বাসুদেৱ নাম পোৱা নাই (১)। ভগৱৎগীতাত "বৃষ্ণিনাম্ বাসুদেৱোঽস্মি" বোলোঁতে বাসুদেৱক বৃষ্ণিবংশী ৰজা বোলা হৈছে। পাণিনিৰ অষ্টাধ্যায়ীত (৪,১,১১৪) আৰু কৌটিল্যৰ অৰ্থ-শাস্ত্ৰত (২) বৃষ্ণিবংশৰ উল্লেখ আছে। ঘটজাতকতো (পৃঃ ৫০-৫১) বৌদ্ধমত অনুসাৰে বাসুদেৱৰ কাহিনী দিয়া আছে আৰু তেওঁক মথুৰাৰ ৰাজপৰিয়ালৰ সন্তান বোলা হৈছে।

মহাভাৰতত সাধাৰণতে বসুদেৱৰ পুতেকক বাসুদেৱ বোলা হৈছে (৩,১৪,৮) ; কিন্তু ঠায়ে ঠায়ে আন আধ্যাত্মিক অৰ্থৰ চেষ্টা কৰা হৈছে—

"বসনাৎ সৰ্ব্বভূতানাং বসুত্বাদ্দেৱ যোনিতঃ।
বাসুদেৱাস্ততো বেদ্যঃ বৃহত্ত্বাদ্ বিষ্ণুৰুচ্যতে॥" (৫,৭০,৩)
"ছাদায়ামি জগদ্‌বিশ্বম্ ভূত্বা সূৰ্য্য ইবাম্‌শুভিঃ।
সৰ্ব্বভূতাধিৱাশ্চ বাসুদেৱস্ততোহ্যহম্। (১২,৩৪১,৪১)"

আকৌ মহাভাৰততে এক পৌণ্ড্ৰ ৰজা নকল বাসুদেৱ ৰূপে আছে (১,১৮৬,১২)। মথুৰাৰ যাদৱ, বৃষ্ণি বা সাত্বত পৰিয়ালৰ ৰাজকোঁৱৰ কৃষ্ণই প্ৰকৃত বাসুদেৱ। মহাভাৰত শান্তিপৰ্ব্বতে আছে·—

(১) Ibid. p. 13.

(২) R. Sharma Sastri's translation, p. 13

"সমুপোঢ়েষ্বামিকক্ষু কুৰু পাণ্ডৱয়োৰ্ম্ৰ্দ্ধে।
অৰ্জ্জুনে বিমনস্কে চ গীতা ভগৱতা স্বয়ম্॥" (১২,৩৪৮,৮)

ভাগৱতীক সাত্বত ধৰ্ম্ম বোলা কথায়ো দেখুৱায়, এই ধৰ্ম্ম সাত্বত ৰাজকোঁৱৰ বাসুদেৱৰ পৰা ওলোৱা। খৃষ্টপূৰ্ব্ব প্ৰথম আৰু দ্বিতীয় শতিকাৰ ভাগৱতী লিপি কেইখনেও প্ৰমাণ কৰে যে মহাভাৰতে কোৱা "সঙ্কৰ্ষণানুজ" (২,৭৯,২৩) বা সঙ্কৰ্ষণৰ (বলৰামৰ) ভায়েক বাসুদেৱেই ভাগৱতীসকলৰ প্ৰধান উপাস্য আছিল। মেগেস্থিনিছ আৰু আৰিয়ান্ আদি গ্ৰীক লেখকসকলে সৌৰ সেনীসকলে হেৰাক্লছক বিশেষভাৱে সন্মান কৰিছিল বুলিছে, আৰু এই সৌৰসেনীসকলক মথুৰা আৰু ক্লৈশোবোৰত ডুখন ডাঙৰ নগৰ থকা এক ভাৰতীয় জাতি বুলিছে (১)। ডক্টৰ ভাণ্ডাৰকাৰে এই সৌৰসেনীসকলক সাত্বত আৰু হেৰাকল্ছক বাসুদেৱ বুলি দেখুৱাইছে। মেগাস্থেনিছ পতঞ্জলিৰ দুই শতিকাৰ আগৰ, আৰু তেওঁ বৰ্ণোৱা দ্বিতীয় নগৰ ক্লৈষোবোৰৰ (কৃষ্ণপুৰ) নামে নিশ্চয় সৌৰসেনী বা সাত্বতসকলৰ লগত পুৰণি আৰু অছেদ্য সম্বন্ধ বুজায়। তদুপৰি পতঞ্জলিৰ "চিৰহতে কংসে" কথাই তেওঁৰ কালৰ বহুত আগতে কংসৰ হত্যা হোৱা বুজায়। "প্ৰহৰ দৃশ্যন্তে কংসস্য চ কৃষ্ণস্য চ অসাধুৰ্মাতুলে কৃষ্ণঃ"—পতঞ্জলিৰ মহাভাষ্যৰ এনে বাক্যৰপৰা কৃষ্ণই কংসক হত্যা কৰা বুজায়। আকৌ মহাভাষ্যক "জঘান কংসম্. কিল

(১) Mc. Crindle, Ancient India as described by Megasthenes and Arians, p. 201

বাসুদেৱঃ”—এনে বাক্যৰ পৰা কংসৰ হত্যাকাৰী কৃষ্ণ আৰু বাসুদেৱ একেজন, আৰু খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাৰ পতঞ্জলিৰ সময়তো সেই ঘটনা অতি পুৰণি বুলি বিবেচিত হৈছিল ।

ভাণ্ডাৰকাৰে কয়, মহাভাষ্যৰ কিয়েলহৰ্ণৰ তাঙৰণৰ এঠাইত কৃষ্ণৰ সলনি বাসুদেৱ বুলিছে ; কিন্তু কোনো হস্তলিপিতে কৃষ্ণ নামটো একেবাৰে এৰা পৰা নাই। ভাণ্ডাৰকাৰে আৰু কয় কৃষ্ণ নামটোতকৈ বাসুদেৱ নাম অধিক সঘনে ব্যবহৃত হোৱাৰ বিশেষ কাৰণ বাসুদেৱহে তেওঁৰ ঘাই নাম, কৃষ্ণ তেওঁৰ গোত্ৰৰ নামহে (১)। ঘটজাতকত বাসুদেৱৰ কান্হ (কান্নু) নাম পোৱা হয়। গীতাত (১৬,১-২) বাসুদেৱে যি মতবাদ লোকক কৈছে, ছান্দোগ্য উপনিষদত “তপোদান-মাৰ্জৱম্ অহিংসা সত্যবচনম্” (৩,১৭,৪৭) সেই মতবাদ নিজে শিকা বুলি পোৱা হয়। ভাৰতীয় পূৰ্বমহাকাব্য সাহিত্যত বাসুদেৱ কৃষ্ণৰ মানৱী চৰিত্ৰ সুস্পষ্ট। ছান্দোগ্য উপনিষদ নিশ্চয় প্ৰাচীন উপনিষদসমূহৰ অন্যতম (২) আৰুই পূৰ্ব-বৌদ্ধযুগৰ (৩) ; তাত কৃষ্ণক দৈৱকীপুত্ৰ, ঘোৰ আঙ্গিৰসৰ শিষ্য আৰু এজন মানৱী ঋষি বুলিছে—“তদ্বৈতদ্ ঘোৰ আঙ্গিৰসঃ কৃষ্ণস্য দেৱকীপুত্ৰায়োক্ত্বাচা পিপাস এব স বভুমোস্ত বেলায়ামেত্য ত্ৰয়ম্, প্ৰতিপাদ্যত অক্ষিতমচ্যুতমসি প্ৰাণাসংশিতমিসিতি (৩,১৭,৬)।

---

(১) R.G. Bhandarkar's "Vaishnavism," p. 10,12

(২) Hopkins, "The Great Epic of India," p. 385.

(৩) Macdonell's "History of Sanskrit Literature." p. 226

বৌদ্ধ ঘটজাতক আৰু জৈন উত্তৰাধ্যায়ন সূত্ৰতো বাসুদেৱৰ মানৱী চৰিত্ৰ দেখা পোৱা হয়। ছান্দোগ্য উপনিষদত কৃষ্ণক ঘোৰ আঙ্গিৰসৰ শিষ্যৰূপে দেখোঁৱাইছে সচা, কিন্তু তেওঁক গুৰুৰূপে নেদেখোঁ। ঘটজাতকতো কৃষ্ণক ৰাজকোঁৱৰ আৰু যোদ্ধা ৰূপেহে দেখোঁ, চিন্তা-নেতাৰূপে নহয়। গীতাৰ শিক্ষা কৃষ্ণৰ বুলি কোৱা হয়, কিন্তু তাত (১৩,৫) ব্ৰহ্মসূত্ৰৰ উল্লেখ থকাত প্ৰাচীন উপনিষদৰ অস্তিত্ব প্ৰমাণিত হয় যদিও এখন প্ৰাচীন উপনিষদত কৃষ্ণৰো উল্লেখ আছে। অৱশ্যে ছান্দোগ্য উপনিষদ কৃষ্ণৰ জীৱনচৰিত নহয়, আৰু তাত থকা কৃষ্ণৰ উল্লেখ কেৱল কথাপ্ৰসঙ্গত মাত্ৰ ; তথাপি তাত কৃষ্ণ নিজে ধৰ্ম্মগুৰু নহলেও, তেনে ধৰ্ম্মগুৰুৰ সংস্পৰ্শত অহা কথা স্পষ্ট। কিন্তু মহাভাৰতৰ কালত যে কৃষ্ণ অকল বীৰেই নহয়, তেওঁ ধৰ্ম্মগুৰুৰ শ্ৰেণীলৈও উঠিছে—তাত সন্দেহ নাই (১)”।

(১) M.E.H.V. Sect, Lecturês I,XXII.

খৃষ্টপূৰ্ব্ব কালত ভগৱতী ধৰ্ম্ম

কৃষ্ণ চৰিতৰ ঐতিহাসিক উপাদানৰ ভিতৰত তেন্তে ছান্দোগ্য উপনিষদেই সৱাতো পুৰণি, আৰু ইয়াৰ কাল খৃষ্টপূৰ্ব্ব সপ্তম শতিকাৰ পাছলৈ নাহে (১)। দ্বিতীয় উপাদান, মেগেস্থিনিছ আৰু আৰিয়ানৰ টোকা, খৃষ্টপূৰ্ব্ব চতুৰ্থ শতিকাৰ, আৰু তৃতীয় উপাদান বৌদ্ধ ঘট-জাতক ভাৰতীয় পূৰ্ব্ব-মহাকাব্য সাহিত্যৰ নিদৰ্শন আৰু খৃষ্টপূৰ্ব্ব তৃতীয় শতিকাৰ পাছৰ নহয় (২)। চতুৰ্থ উপাদান, জৈন উত্তৰাধ্যায়ন সূত্ৰ সম্ভৱ এই কালৰে। পঞ্চম উপাদান, পতঞ্জলিৰ মহাভাষ্য খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাৰ পাছৰ নহয় বুলি আগতে উনুকিওৱা হৈছে। ষষ্ঠ উপাদান, মহাভাৰত, হৰিবংশ, ভাগৱৎ পুৰাণ আদি।

পাণিনি আৰু অশ্বলায়নে উল্লেখ কৰা মহাভাৰত বৰ্ত্তমান মহাভাৰত নহয় (৩)। বৰ্ত্তমানৰ এই পাণ্ডু মহাকাব্য অকল খৃষ্টপূৰ্ব্ব ষষ্ঠ শতিকা বা বৌদ্ধযুগৰ পাছৰেই নহয়, খৃষ্টপূৰ্ব্ব চতুৰ্থ শতিকা বা গ্ৰীক আক্ৰমণৰো পাছৰ, কিয়নো ইয়াত ডেনাৰিয়াছৰ উল্লেখ আছে (৪)।

---

(১) Macdonell, .H,S.L. p. 226

(২) Rhys David, Buddhist India, p. 206.

(৩) H. C. Roy Choudhury. M. E. H. V. S.

(৪) Hopkins, G. E. I., p. 387

তদুপৰি হৰিবংশখন মহাভাৰতৰ অংশবিশেষ বোলা হয়; ৫৩২ খৃষ্টাব্দৰ খোহ তাম্ৰলিপি শাসনত মহাভাৰতক শতসাহস্ৰী সংহিতা বুলিছে। যিহেতুকে হৰিবংশ এৰি মহাভাৰতৰ ইমান হাজাৰ শ্লোক হব নোৱাৰে; বৰ্ত্তমান গঢ়ত মহাভাৰত খৃষ্টীয় ষষ্ঠ শতিকাৰ আগৰ (১)।

ভাগৱত আৰু আন কোনো পুৰাণৰে কথাবোৰ তৃতীয় বা চতুৰ্থ শতিকাৰ আগৰ নহয়, কিয়নো অন্ধ্ৰ বা গুপ্ত ৰাজমালাই তাত ঠাই পাইছে। এই পুৰাণবোৰ ষষ্ঠ শতিকাৰ পাছলৈও যাব নোৱাৰে, কিয়নো ষষ্ঠ শতিকাৰ ভিতৰতে বৰ্ত্তমান গঢ় পোৱা মহাভাৰতত ওঠৰখন পুৰাণৰ সম্পূৰ্ণ উল্লেখ আছে (২)। তদুপৰি বায়ু, অগ্নি, মাৰ্কণ্ডেয়, ভাগৱত আৰু স্কন্দ পুৰাণ খৃষ্টীয় সপ্তম শতিকাৰ আগত ৰচিত হোৱা স্বকীয়া প্ৰমাণ আছে (৩)। এই সদৌ ঐতিহাসিক উপাদানৰ পৰা কৃষ্ণৰ জীৱনকাল, অন্ততঃ খৃষ্টপূৰ্ব্ব সপ্তম শতিকাৰ আগত ঠাৱৰাব পাৰোঁ। ব্ৰাহ্মণ্য, বৌদ্ধ, জৈন, তিনিও ধৰ্ম্মশাস্ত্ৰৰ পৰা কৃষ্ণ মথুৰাৰ যাদৱ, বৃষ্ণি বা সাত্বত ৰাজপৰিয়ালৰ বংশধৰ বুলি বুজিব পাৰি। আগত বৰ্ণোৱা মেগেস্থিনিছৰ বিৱৰণেও এই সিদ্ধান্ত সমৰ্থন কৰে। ব্ৰাহ্মণ্য মহাভাৰত আৰু জৈন উত্তৰাধ্যায়ন সূত্ৰৰ মতে কৃষ্ণৰ পিতাকৰ নাম বসুদেৱ; মৎস্য পুৰাণ (৪৬,২) আৰু বায়ু পুৰাণ (৯৬,১৪৪)

---

(১) H. C. Roy Choudhury, M. E. H. V. S.

(২) Ibid.

(৩) V. Smith, E. H. I., "Age of the Puranas."

অনুসাৰে বসুদেৱ আনকদুন্দুভি; আৰু ঘটজাতকৰ মতে উপসগৰ। ছান্দোগ্য উপনিষদ আৰু স্কন্দগুপ্তৰ ভিটাৰি স্তম্ভলিপি আদি অনুসাৰে কৃষ্ণৰ মাকৰ নাম অৱশ্যে দৈৱকী। পতঞ্জলিৰ মহাভাষ্যৰ "সঙ্কৰ্ষণ দ্বিতীয়স্য বলম্ কৃষ্ণস্য বৰ্দ্ধতাম্" আদি শ্লোক আৰু অন্যান্য মতে সঙ্কৰ্ষণ বা বলৰাম কৃষ্ণৰ ভ্ৰাতৃ আছিল। কৃষ্ণৰ লৰাকালৰ কোনো নিৰ্ভৰযোগ্য বিৱৰণ নাই; সম্ভৱ তেওঁৰ গুৰু ঘোৰ আদিৰসৰ ঘৰত কৈশোৰ কাল কটাই যৌৱনৰ আদিছোৱাত মথুৰালৈ ওলটে।

গোপ কৃষ্ণ আৰু পুৰাণবোৰত বৰ্ণোৱা শিশু কৃষ্ণৰ অন্যান্য কথাবোৰ দেখাতে বৈদিক সাহিত্যৰ বিষ্ণুকাহিনীৰ পৰা ধাৰ কৰা। ঋগ্‌বেদত (১,২২,১৮) বিষ্ণুক গোপা বুলিছে, আৰু (১,১৫৪,৬) বিষ্ণুৰ আবাসত বহুত শিঙাল খৰটকীয়া গাই থকাৰ উল্লেখ আছে। আকৌ ঋগ্‌বেদতে (১,১৫৫,৬) শৈশৱ পাৰ হৈ যৌৱনত ভৰি দিয়া কৃষ্ণৰ কথা আৰু (৭,৯৯,৫) বিষ্ণুৰ হাতত পৰাজিত হোৱা সম্বৰৰ কাহিনী পোৱা হয়। আকৌ বোধায়ন ধৰ্ম্মসূত্ৰত (২,৫,২৪) বিষ্ণুক গোবিন্দ বা দামোদৰ বুলিছে। কিন্তু হৰিবংশ আৰু ভাগৱত পুৰাণ আদিত থকা সংশয়জনক গোপীকৃষ্ণ সম্বন্ধৰ কোনো ঐতিহাসিক সমৰ্থন নাই। তদুপৰি গোপকৃষ্ণৰ ক্ৰমবিৱৰ্ত্তন নিশ্চয় পাণ্ডৱসকলৰ দক্ষিণ ভাৰতলৈ যোৱাৰ লগত সম্পৰ্ক থকা আভিৰ আদি কোনো ফৈদৰ কাম (১)।

---

(১) Kanakasalhai's "Tamils Eighteen hundred years Ago."

কংসৰ লগত কৃষ্ণৰ কাজিয়াৰ সঙ্কেত জাতক, পতঞ্জলি আৰু মহাভাৰতত আছে। পাণ্ডৱসকলৰ উল্লেখ কেবাখনো জাতকত পোৱা হয়; কিন্তু বাসুদেৱৰ লগত তেওঁলোকৰ সম্পৰ্কৰ ক'তো উল্লেখ নাই; কিন্তু গ্ৰীক লেখকসকলৰ হেৰাকলৃছ আৰু পাণ্ডৱ' কাহিনীয়ে অৱশ্যে উক্ত সম্পৰ্কৰ প্ৰাচীনত্ব সূচায়। সভাপৰ্ব্বৰ কৃষ্ণক গালিপৰা অংশৰ পৰাই বুজিব পাৰি যে অন্ততঃ এটা সাম্প্ৰদায়িক দল কৃষ্ণ-উপাসনাৰ বিৰোধী আছিল (২,৪২,৬)—

"যদীয়ং জগতঃ কৰ্ত্তা যথৈনম্ মূৰ্খা মন্যসে।
কস্মান্ন ব্ৰাহ্মণংসম্যগাত্মানমৱগচ্ছতি॥"

হপ্‌কিন্সৰ মতে শৈৱ পুৰোহিতসকলেই মহাভাৰতত শেষবাৰ হাত ফুৰাইছে; আৰু তাত বৈষ্ণৱ মতৰ সমানে সমানেই শৈৱমতে ঠাই পাইছে (১)। নাৰায়ণৰ লগত শিৱৰ খৰিয়ালৰ স্পষ্ট উল্লেখো মহাভাৰতত (১২,৩৪২,১০৯—১১৬) আছে। বিপক্ষ কবিয়ে এইদৰে কালিমাসনা ধৰ্ম্মগুৰু অকল কৃষ্ণই নহয়; ৰামায়ণত (২,১০৯,৩৪) এনে সাম্প্ৰদায়িক দলেই বুদ্ধদেৱক চোৰ আৰু নাস্তিক বুলিবলৈও বাকী থোৱা নাই।

"যথা হি চৌৰঃ তথা হি বুদ্ধ-
স্তথাগতং নাস্তিকমাত্ৰ বিদ্ধি।
তস্মাদ্ধি যঃ শাক্যতমঃ প্ৰজ্ঞানাং
স নাস্তিকে নাভিমুখো বুধঃ স্যাৎ॥"

(১) Hopkins, "Religious India," p. 356n.

ছান্দোগ্য উপনিষদত কৃষ্ণক দেৱকীপুত্ৰ আৰু ঋষি ঘোৰ আঙ্গিৰসৰ শিষ্যৰূপে বৰ্ণোৱা আছে। তেওঁ পুৰুষ-যজ্ঞ-বিদ্যাকৃষ্ণক শিকাই শেষত ঋগ্‌বেদৰ দুই শ্লোক মাতিছিল—"আদিৎ প্ৰত্নস্য ৰেতসঃ উদ্বয়ন্তমসস্পৰি জ্যোতিঃ পশ্যন্ত উত্তৰং স্বঃ পশ্যন্ত উত্তৰং দেৱং দেৱত্ৰা সূৰ্য্যমগন্ম জ্যোতিৰুত্তমমিতি জ্যোতিৰুত্তমমিতি।"

মন কৰিব লগা কথা, মহাভাৰতত (১২,৪৭,৩৮-৪০) ভীষ্মই কৃষ্ণক প্ৰায় এনে ভাষাৰেই স্তুতি কৰিছে। তদুপৰি উপনিষদত আঙ্গিৰসে কৃষ্ণক শিকোৱা মতবোৰ গীতাত কৃষ্ণই শিকোৱা মতবাদৰূপে প্ৰকাশ পাইছে। উদাহৰণ স্বৰূপে, ছান্দোগ্য উপনিষদত আঙ্গিৰসে কৃষ্ণক শিকাইছে—"তপোদানমাৰ্জ্জৱমহিংসা সত্যবচনম্" আদি "ধৰ্ম্মপুষ্টিকৰ গুণ"; গীতাত কৃষ্ণই অৰ্জ্জুনক শিকাইছে—"দানম্ দামশ্চ যজ্ঞশ্চ স্বাধ্যায়ম্ তপ আৰ্জ্জৱম্ অহিংসা সত্যম্" আদি দেৱোচিত গুণ, ইত্যাদি, ইত্যাদি। ইয়াৰ পৰাই "সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপাল-নন্দনঃ" শ্লোকটিৰ তাৎপৰ্য্য ওলাই পৰে।

তেনেহলে আধুনিক বৈষ্ণৱ ধৰ্ম্মৰ জনক এই ভাগৱতী ধৰ্ম্মই। ইন্দো-আৰ্য্য পৰিয়ালৰ ইৰানীয় আৰু ভাৰতীয় দুইটি ঠালৰ উমৈহতীয়া উত্তৰাধিকাৰ সূৰ্য্য-উপাসনাৰ বিৱৰ্ত্তনেই যে ভাগৱতী ধৰ্ম্মৰ গুৰি, ডক্টৰ গ্ৰিয়াৰ্ছনৰ এই মত সাৰুৱা (১)। মহাভাৰতৰ শান্তিপৰ্ব্বৰ মতেও পুৰাকালত এই সাত্বত ধৰ্ম্ম সূৰ্য্যদেৱতাৰ মুখে ওলোৱা—"সাত্বতম্ বিধিমাস্থায়

(১) The Indian Antiquary, 1908, p. 253.

প্ৰাক্ সূৰ্য্যমুখনিঃসৃতম্” (১২,৩৩৫,১৯)। গীতাতো (৪,১) আছে— "ইমং বিৱস্বতে যোগং প্ৰোক্তৱানহমব্যয়ম্।
বিৱস্বান্ মনৱে প্ৰাহ মনুঃ ইক্ষ্বাকৱেব্ৰবিৎ ॥”

সৌৰদেৱতা বিষ্ণুৱেই এইদৰে কালক্ৰমত ভাগৱতৰ অদ্বিতীয় ঈশ্বৰ বুলি পৰিগণিত হ'ল। বাসুদেৱৰ গৰুড় আৰু চক্ৰও সৌৰকাহিনীৰ লগত জড়িত (১)। গীতাত বাদৰায়ণৰ ব্ৰহ্মসূত্ৰৰ উল্লেখ থকাৰ পৰা কোনোৱে ব্ৰহ্মসূত্ৰক আৰু কোনো বা গীতাক আগ বুলিব খোজে, কিন্তু উভয়গ্ৰন্থ সমসাময়িক বুলি মেক্সমূলাৰে ইয়াৰ সামৰণি মাৰিছে (২)।

ব্ৰহ্মসূত্ৰ আৰু গীতা দুইখনেই অন্ততঃ খৃষ্টপূৰ্ব্ব তৃতীয় শতিকাৰ; ঘাছুন্দি আৰু নানাঘাট লিপি আৰু পতঞ্জলিৰ মহাভাষ্যত ব্যূহবাদ থকা আৰু গীতাত ব্যূহবাদ নথকা বাবে ভাণ্ডাৰকাৰে গীতাক সেইবোৰতকৈ আগৰ বুলিছে। যেনেকৈয়ে হওক, গীতা কৃষ্ণৰ বা তেওঁৰ সমসাময়িক কোনো লেখকৰ ৰচনা নহলেও, সূৰ্য্যৰ পুৰোহিত আঙ্গিৰসৰ পৰা কৃষ্ণই পোৱা শিক্ষাৰ লগত সমসাময়িক অন্যান্য কথাৰ ভেজনি দি গীতা ৰচা হৈছে। ভাগৱৎ বা একান্তিক ধৰ্ম্মৰ প্ৰচাৰেই যে গীতাৰ লক্ষ্য, মহাভাৰতৰ শান্তিপৰ্ব্বত কৈছে -

"এৱমেষ মহান্ ধৰ্ম্মঃ সতে পূৰ্ব্বংনৃপোত্তম।
কথিতো হৰিগীতাসু সমাসবিদ্ধি কল্পিতঃ॥" (৩৪৬,১১)

---

(১) Macdoneell, Vedic Mythology p. 39.

(২) Maxmuller, Indian Philosophy, p. 119.

সমুপোঢ়েষ্ট নিকেষু কুৰুপাণ্ডৱয়োমৃ´তে।
অর্জুন বিমনস্কেচ গীতা ভগৱতা স্বয়ম্॥ (৩৪৮, ৮)

তেতিয়াৰ এই নতুন ধৰ্ম্ম পোনতে কৃষ্ণই নিজ ফৈদৰ যাদৱসকলৰ ঘাইকৈ নিজ সাত্বত সম্প্রদায়ৰ মাজত প্রচাৰ কৰিছিল বুলি বুজিব পাৰি। মহাভাৰতৰ শান্তিপৰ্ব্বত সাত্বত আৰু ভাগৱৎ শব্দ দুটা কোনো ভেদ নোহোৱাকৈ ব্যৱহাৰ কৰা হৈছে। খৃষ্টীয় চতুৰ্থ নে পঞ্চম শতিকাৰ তুসাম্ শিলালিপিত (১) এজন আৰ্য্য সাত্বত যোগাচাৰ্য্যৰ উল্লেখ পোৱা হয়। মেগেস্থিনিচৰ বৰ্ণনাৰ পৰা (২) ঠাৱৰাৱ পৰা হয়, খৃষ্টপূৰ্ব্ব চতুৰ্থ শতিকাত বাসুদেৱৰ একান্ত ভক্তসকল কেৱল মথুৰা-প্রদেশতহে পোৱা হৈছিল। খৃষ্টপূৰ্ব্ব তৃতীয় শতিকাত এই ভাগৱৎসকলৰ বিষয়ে সবিশেষ জানিবলৈ পোৱা নহয়; ইয়াৰ ঘাই কাৰণ, মহাৰাজ অশোকৰ তীব্র প্রচাৰৰ ফলত খৃষ্টপূৰ্ব্ব তৃতীয় শতিকাত বৌদ্ধধৰ্ম্ম আগশাৰীলৈ আহি বৈষ্ণৱ ধৰ্ম্মক পিছলৈ ঠেলিছিল। মগধত বৌদ্ধসকলৰ সাহিত্যিক আৰু লিপিমূলক টোকাত ভাগৱত সকলক প্রায় একেবাৰে উপেক্ষা কৰা হৈছিল। অশোকৰ সপ্তম শিলালিপিত ব্রাহ্মণ, আজীৱিক, জৈনসকলৰ উল্লেখ আছে, কিন্তু ভাগৱতসকলৰ উল্লেখ নাই। নিদ্দেশ নামে আৰু এখন সৰু পালি বৌদ্ধ গ্রন্থত বাসুদেৱ আৰু বলোৰামৰ উপাসকলৰ নাম চৰাই-পশু-উপাসকৰ লগত দিয়া

(১) Corp. Ins. Ind. Vol. III, p 270.

(২) Mc. Crindle, Megasthenes and Arrian, p. 201

আছে। কিন্তু পাণিনিৰ সময়ৰ পৰা ভাৰতৰ পশ্চিম অংশৰ সাহিত্যিক আৰু লিপিমূলক সকলো টোকাত ভাগৱতসকলৰ নাম পোৱা হয়।

পূবভাৰতৰ প্ৰায় সকলো বৌদ্ধ টোকাত ভাগৱৎ ধৰ্ম্মীসকলৰ নাম এৰা পৰাৰ এক ঘাই কাৰণ সম্ভৱ এয়ে,—সেই ধৰ্ম্ম তেতিয়াও গান্ধাৰ আৰু মধ্যভাৰতত জনাজাত হলেও মগধ আদি পূব প্ৰান্তত আচহুৱা আছিল। আৰু বৌদ্ধ মতৰ প্ৰাচীন সাহিত্যই যেনেকৈ এফালে কেৱল লেখৰ মাগধী সম্প্ৰদায়-বোৰৰহে বুজ লৈছিল, অশোকৰ স্তম্ভ শিলালিপিবোৰ তেনেকৈ আনফালে অকল ঘৰুৱা প্ৰদেশবোৰৰ বাবেহে যুগুত হৈছিল। ভাগৱত ধৰ্ম্মাৱলম্বীসকল উভয় প্ৰকাৰে লেখত নপৰা বাবে তেওঁলোকৰ উল্লেখ নাছিল।

খৃষ্টপূৰ্ব্ব তৃতীয় শতিকাত ভাগৱত ধৰ্ম্মৰ অৱস্থা যেনেকুৱাই থাওক, খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাত যে ই মথুৰাৰ চাৰি সীমা ডেই আহি ভাৰতৰ সীমামূৰিয়লিৰ দেশবোৰতো সোমাইছিল, আৰু ইয়াৰ ৰূপ-গুণ অনা-ভাৰতীয় জাতিৰকাণতো সোমাই তেনে বিদেশী লোককো শৰণীয়া কৰিছিল, ঘছুন্দি শিলালিপি আৰু বেছনগৰ স্তম্ভলিপিয়েই তাৰ জ্বলন্ত উদাহৰণ। ঘছুন্দি শিলালিপি (১) পাৰাশৰী পুত্ৰ গজায়নেই ভাগৱত সঙ্কৰ্ষণ আৰু বাসুদেৱৰ ভক্তিৰ অৰ্থে নাৰায়ণবাটত পূজা শিলাপ্ৰাকাৰ এখন তোলাৰ

(১) Ep. Ind. Vol. X. App. p. 2.

কথা লিপিবদ্ধ কৰিছে। বেসনগৰৰ স্তম্ভলিপি (১) গোৱালিয়ৰ প্ৰদেশৰ বেসনগৰৰ উত্তৰ-পূবত থকা এটা স্তুকীয়া স্তম্ভত পোৱা হৈছিল। এই লিপিৰ মূলপাঠ—

"দেৱদেৱস বা (সুদে)ৱস গৰুড়ধ্বজে অয়ং
কাৰিতে ই(অ) হেলিয়দৰেণ ভাগ-
ৱতেন দিয়স পুত্ৰেণ তক্ষশিলাকেন
যোনদূতেন আগতেন মহাৰাজস
অয়ন্তালিকিটস উপা (য়িন) তা সকাশম্ ৰনো
কাসীপুত্স ভাগভদ্ৰস ত্ৰাতাৰস
বসেন (চতু) দশেং নৰাজেন বধমানস
ত্ৰিণি অমুত পদানি (সু) অনুথিতানি
নয়য়িন্তি স্বগদম ত্যাগ অপ্ৰমাদ।"

এই পাঠত হেলিয়দৰই তেওঁৰ ভক্তিৰ স্থল বাসুদেৱ কৃষ্ণক "দেৱদেৱ" বুলি অভিহিত কৰা কথাটি, দৈৱকীপুত্ৰ কৃষ্ণক তেওঁৰ গুৰু সূৰ্য্য-পুৰোহিত ঋষি ঘোৰ আঙ্গিৰসে ঋগ্‌বেদৰ স্তোত্ৰৰ পৰা সূৰ্য্যক উপাসনা কৰিবলৈ শিকোৱা "দেৱম্ দেৱত্ৰ" কথাটি মিলাই চাবলগীয়া। তদুপৰি ইয়াৰ দুশ বছৰৰ আগতে খৃষ্টপূৰ্ব্ব চতুৰ্থ শতিকাৰ মেগেস্থিনিছৰ বিৱৰণতো হেৰাক্লছ বা কৃষ্ণ "দেৱদেৱ" ৰূপে উল্লেখিত হোৱা নাছিল, তাতো কৃষ্ণ এজন উপদেৱতাৰূপেহে বৰ্ণিত হৈছে (২)। গতিকে এই বেসনগৰ

(১) Ep. Ind. Vol. X app. p. 63.

(২) Mc. Crindle, Megasthenes & Arrian, p 39, 200.

লিপিতেই ক্ৰমে ক্ৰমে কৃষ্ণ শ্ৰেষ্ঠতম দেৱতাৰূপে গণ্য হোৱা দেখিবলৈ পোৱা হয়।

বেস্‌নগৰৰ এই গৰুড়ধ্বজেও বাসুদেৱ আৰু সৌৰ-পূজাৰ ঘনিষ্ঠ সম্বন্ধ সূচায়, কিয়নো গৰুড় বা সুপৰ্ণৰ বিষ্ণু অদি সৌৰ-দেৱতাৰ সম্পৰ্ক নিবিড়। বোধায়ন ধৰ্ম্মসূত্ৰৰ (২,৫,২৪) "গৰুত্মান" নাৰায়ণ-বিষ্ণুৰ লগত বিশেষভাৱে জড়িত। তদুপৰি এই গৰুড়ধ্বজ ভিন্‌ছেণ্ট স্মিথে বলেৰে অনুমান কৰামতে যে ৰ'ম দেশৰ ঈগলৰ পতাকাৰ অনুকৰণ নহয়, ই যে খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাতো ভাগৱতীসকলৰ ভক্তিৰ স্থল বাসুদেৱৰ চিৰপৰিচিত চিহ্ন আছিল, বেস্‌নগৰ লিপিয়ে তাক সুপ্ৰমাণিত কৰে।

আন কি খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাতো ভাৰতীয় ভাগৱতী ধৰ্ম্ম এনে সৰ্ব্বাঙ্গসুন্দৰ আছিল যে গ্ৰীক ৰজাসকলৰ দৰে শ্ৰেষ্ঠ সংস্কৃতিৰ লোককো ই টানি আনিব পাৰিছিল ; তদুপৰি ভাগৱতসকল ইমান উদ্যমশীল আৰু উদাৰ আছিল যে বিদেশী আৰু বিধৰ্ম্মীকো সেই-কালত নিজধৰ্ম্মত সুমুৱাই লব পাৰিছিল, ই তাকো প্ৰমাণ কৰে।

বেস্‌নগৰ লিপিৰ শেষছোৱা অশোকৰ দ্বিতীয় শিলালিপিৰ লগত তুলনা কৰা হয়। আকৌ এই ছোৱাত থকা "দম-ত্যাগ-অপ্ৰমাদ" গীতাৰ (১৪,১-২) "দম-ত্যাগ–অপৈসুনম্" আদিৰ উদ্ধৃতি যেন লাগে।

খৃষ্টপূৰ্ব্ব এই দ্বিতীয় শতিকাৰ ভাগৱতী ধৰ্ম্মৰ ওপৰত আৰু এছাটি পোহৰ পেলায় পতঞ্জলিৰ মহাভাষ্যই (১)। পাণিনিৰ

(১) The Indian Antiquary, Vol. III pp. 14–16

বিপৰীতে পতঞ্জলিয়ে তেওঁৰ সমসাময়িক গ্ৰীক ৰজা ভাগৱত· হেলিয়দৰৰ দৰে কৃষ্ণক এজন সামান্য ক্ষত্ৰিয় বীৰ বুলি নাভাবি "দেৱদেৱৰ" দৰেই ভাবিছিল আৰু তেওঁৰ সূত্ৰবোৰত (২,২,২৩ ; ৪,৩,৯৮ ; ৬৩,৬) ইত্যাদি সেইদৰে ব্যাখ্যা কৰিছে। মধ্যযুগৰ ইউৰোপীয় 'মিষ্টিৰী' অভিনয়বোৰৰ দৰে এই খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাতে কৃষ্ণ-কাহিনীমূলক নানা অভিনয়ৰ প্ৰচলন হৈছিল (১), পাতঞ্জলিৰ মহাভাষ্যৰ সূত্ৰৰ পোহৰত এই প্ৰাচীনতম ভাৰতীয় নাটকৰ আলোচনা কৰোতে ৱেথাৰে বলিৱন্ধ আৰু কংসবধ বিষয় দুটাৰ বলিছলন প্ৰসঙ্গত কয়, যিহেতুকে এই কাহিনী নিশ্চয় ঋগ্‌বেদৰ বিষ্ণুকাহিনী ; তেন্তে বিষ্ণু আৰু কৃষ্ণ সম্পৰ্কৰ ঘনিষ্ঠতা মানি লোৱা আৱশ্যক যেন লাগে (২)। আকৌ পাণিনিৰ ২,২,৩৪ সূত্ৰ প্ৰসঙ্গত পতঞ্জলিয়ে ৰাম আৰু কেশৱৰ মন্দিৰৰ সভাবোৰত বাদ্য বজোৱা হৈছিল বুলি কোৱা এটি শ্লোকৰ উল্লেখ কৰিছে। ৰাম-কেশৱ অৱশ্যে বলোৰাম আৰু কৃষ্ণ ; যিহেতুকে বোধায়ন ধৰ্ম্মসূত্ৰমতে (২,৫,২৪) কেশৱ নাৰায়ণ-বিষ্ণুৰ এটা উপাধি, তেন্তে খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাতে· কেশৱ-বিষ্ণু একে বুলিছিল। বিষ্ণুৰ (সূৰ্য্যৰ) হোতা আঙ্গিৰস, আঙ্গিৰসৰ শিষ্য বাসুদেৱ কৃষ্ণ যে সন্দেহ নাই ; ইয়াৰ বাহিৰে সঠিক কি কাৰণত আন কোনো বৈদিক দেৱতাক নলৈ বিষ্ণুক কৃষ্ণৰ লগত এক পতা হ'ল ? ঋগ্‌বেদৰ পৰাই (৬,৪৯,১৩)

(১) H.C.Roy Choudhury, M.E.H.V.S.

(২) Weber, I.R.A.S. , 1908, p. 172.

জানিব পাৰি, আদিৰে পৰাই মানুহক বিপদৰ পৰা উদ্ধাৰ কৰাত বিষ্ণু যাই ; তদুপৰি শতপথ ব্ৰাহ্মণত (৫,২,৫,২-৩) এটা আচম্বিত উক্তি আছে—"মানুহেই বিষ্ণু।" ঐতৰেয় ব্ৰাহ্মণৰ মতে অসুৰৰ বিৰুদ্ধে দেৱতাসকলক বিষ্ণুৱে বিশেষ সহায় কৰিছিল। শতপথ-ব্ৰাহ্মণ অনুসাৰে (১,২,৫,৫) বামন অৱতাৰ ধৰি বিষ্ণুৱে অসুৰৰ হাতৰ পৰা দেৱতাক এই পৃথিবীখন উদ্ধাৰ কৰি দিছিল। গতিকে গীতাৰ "পৰিত্ৰাণায় সাধুনাম্" মতবাদ আৰু অৱতাৰ-বাদৰ লগত সহজে খাপ খুৱাব পৰা দেৱতা নিশ্চয় বিষ্ণুৱেই। খৃষ্টপূৰ্ব্ব দ্বিতীয় শতিকাৰ কোনো ভাগৱতী লিপিত নাৰায়ণ-বিষ্ণুৰ উল্লেখ নাই। ঘছুন্দি লিপিত থকা নাৰায়ণবাট গাঁৱৰ উল্লেখৰ লগত নাৰায়ণ-বিষ্ণুৰ উপাসনাৰ সম্পৰ্ক নাই। কিন্তু বেস্‌নগৰ স্তম্ভলিপিৰ গৰুড়ধ্বজাৰ লগত নাৰায়ণ-বিষ্ণুৰ সম্পৰ্কৰ ইঙ্গিত পোৱা হয়, কিয়নো বোধায়ন ধৰ্ম্মসূত্ৰমতে গৰুত্মানৰ লগত নাৰায়ণ-বিষ্ণুৰ সম্পৰ্ক আছে। শতপথ ব্ৰাহ্মণত (১২,৩,৪) জয়ে জয়ে নাৰায়ণৰ নাম পোৱা হয়, কিন্তু ই বিষ্ণুৰ লগত কোনো সম্পৰ্ক নেদেখুৱায়।

পোনতে তৈত্তেৰীয় আৰণ্যকত (১০,১১,১) সৰ্ব্বশ্ৰেষ্ঠ অনন্ত দেৱতা আৰু ভগৱানৰূপে নাৰায়ণৰ উল্লেখ পোৱা হয় আৰু তেওঁ হৰি নাম পায়। মহাভাৰতত নাৰায়ণৰ বিভিন্ন নাম পোৱা হয় ; নৰ আৰু নাৰায়ণে যথাক্ৰমে অৰ্জ্জুন আৰু বাসুদেৱক বুজায় (১,২২৮,১৮,৫,৪৯,১৯) ; নাৰায়ণ এজন দেৱতা, কেতিয়াবা বিষ্ণুৰ সৈতে একেজন, এই নাৰায়ণ দেৱতাই

অসুৰৰ পৰা অমৃত কাঢ়ি নিছিল আৰু গৰুড় তেওঁৰ বাহন আৰু চিহ্ন আছিল। মহাভাৰততে আকৌ শ্বেতদ্বীপৰ একজন আচহুৱা দেৱতাৰ নাম নাৰায়ণ (১২,৩৩৬,২৭-৫৫) ; এই শ্বেতদ্বীপ ক্ষীৰসাগৰৰ উত্তৰে আৰু জোনৰ দৰে উজ্জ্বল সেই শ্বেতদ্বীপবাসী-সকল নাৰায়ণৰ ভক্ত ; অতিশয় উজ্জ্বল জেউতিৰ বাবে এই দেৱতাজনক নানা যুগ সৰ্ব্বপ্ৰকাৰে আৰু একান্তিকভাৱে ভক্তি কৰিলেহে দেখা পাব পাৰি ! তৈত্তেৰীয় আৰণ্যকৰ যুগত ভাগৱতধৰ্ম্মীসকলে এই বিভিন্ন দেৱতাসমূহক যি চকুৰেই চাওক, বেস্‌নগৰ লিপিৰে পৰা ধৰি মহাভাৰতৰ নাৰায়ণীয় অংশ আৰু তুসাম শিলালিপি আদিৰ ভিতৰেদি "পৰম ভাগৱত" গুপ্ত সম্ৰাটসকলৰ লিপিসমূহলৈকে মন কৰিলে এইটো ঠাৱৰ হয় যে তেওঁলোকে বাসুদেৱৰ লগত বিষ্ণু, নাৰায়ণ আদি দেৱ-সকলৰ একীকৰণ মানি লৈছিল।

আগতে উল্লেখ কৰি অহা সকলো লিপি আৰু গ্ৰন্থৰ উপৰি নানাঘাট গুহালিপিয়ে (১) খৃষ্টপূৰ্ব্ব যুগত ভাগৱতীধৰ্ম্মৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱৰ শেষ প্ৰমাণ দিয়ে। এই গুহালিপিত পোনতে ধৰ্ম্ম, ইন্দ্ৰ, সঙ্কৰ্ষণ আৰু বাসুদেৱ, চন্দ্ৰবংশধৰ, চাৰিলোক পালক যম, বৰুণ, কুবেৰ, বাসৱক বন্দনা কৰি মহাৰথী কললায়ৰ জীয়েকে বিভিন্ন যজ্ঞত দিয়া দানৰ বিৱৰণ দিছে। যদুন্দি বা বেস্‌নগৰ লিপিৰ দৰে ই নিশ্চয় শুদ্ধ ভাগৱতী লিপি নহয় ; কিন্তু সঙ্কৰ্ষণ আৰু বাসুদেৱক অন্যান্য দেৱতাৰ

(১) Luders. Ins. no. 1112., Ep. Ind. Vol X. App. p. 121

লগত সুমুওৱা আৰু যজ্ঞৰ দানৰ কথাৰ পৰা ভাগৱতী ধৰ্ম্মৰ ওপৰত ব্ৰাহ্মণ্যপন্থী প্ৰভাৱ বুজিব পাৰি।

সভাপৰ্ব্বত (৪২,৬) কৰ্ম্মপন্থী ব্ৰাহ্মণসকলৰ কৃষ্ণ-নিন্দা-সূচক "যত্ত্বয়ং জগতঃ কৰ্ত্তা যথৈনং মূৰ্খা মন্যসে" আদি উক্তি আৰু মহাভাৰতৰ (৯,৬০,২৩) "ধৰ্ম্মাচ্ছলমপি শ্ৰুত্বা কেশৱাৎ বিশম্পতে" আদি ধাৰ্ম্মিক-কপটীয়াৰূপে কৃষ্ণক অঙ্কিত কৰাও, এই প্ৰসঙ্গত সুঁৱৰিব লগীয়া। কৃষ্ণৰ প্ৰতি কৰ্ম্মপন্থী ব্ৰাহ্মণ-সকলৰ এই নতুন "মিট্‌মাট" মনোভাব—"নমো ব্ৰহ্মণ্য দেৱায় গো ব্ৰাহ্মণ হিতায় চ" (১২,৪৭,৯৪), "পুৰুষং সনাতনম্ বিষ্ণুং যং তং ৱেদৱিদো ৱিদুঃ" (১২,২১০,১০), "ব্ৰাহ্মণমুখম্" (১২,২১০,৯) আদিতো পৰিলক্ষিত হয়। সি যি হওক, নানাঘাট গুহালিপিয়ে আৰু প্ৰমাণ কৰে, ভাগৱতীধৰ্ম্ম সেই খৃষ্টপূৰ্ব্বযুগত আৰু মথুৰা বা তাৰ আশে-পাশে, আন নালাগে, সদৌ উত্তৰ ভাৰততে আৱদ্ধ থকা নাই ; সেইকালতে ই উত্তৰ ভাৰতৰ সীমা অতিক্ৰম কৰি দক্ষিণ ভাৰতলৈ যায় আৰু মহাৰাষ্ট্ৰৰ প্ৰজাৰ অন্তৰ জয় কৰে। মহাৰাষ্ট্ৰৰ পৰা ভাগৱতী ধৰ্ম্মৰ ঢৌ তামিল দেশলৈ যায় আৰু তাৰ পিছত ই নতুন কোবেৰে "হিন্দুজগতৰ" সকলো চুক-কোণ ধুৱাই পেলায়। কিন্তু ইয়াৰ ভিতৰতে মক্‌খালি গোশালৰ আজীৱিক, বৰ্দ্ধমান মহাবীৰৰ জৈন আৰু গৌতম-বুদ্ধৰ বৌদ্ধধৰ্ম্মই অন্যান্য ক্ষত্ৰিয় ধৰ্ম্মৰূপে 'ভাৰতবৰ্ষ আলোড়িত কৰে। তদুপৰি সন্তৱ খৃষ্টীয় তৃতীয় শতাব্দী মানত বিদেশী খৃষ্টান ধৰ্ম্ময়ো ভাৰতত ভুমুকি মাৰে।

৪। খৃষ্টজন্মৰ পৰা উত্তৰ গুপ্তযুগলৈ

খৃষ্টজন্মৰ পাছৰ পৰা খৃষ্টীয় তৃতীয় শতিকালৈ ভাগৱতী ধৰ্ম্মৰ এক অন্ধকাৰ যুগ। বুদ্ধ-চৰিত আৰু অশ্বঘোষৰ উল্লেখ মাত্র জোনাকীৰ দৰে ভাগৱতী ধৰ্ম্মৰ সামান্য সহাৰি দিয়ে। এইকাল-ছোৱাৰ তিনিখন লিপিত এই ধৰ্ম্মৰ কথা পোৱা হয়। ৰজা শোৰাসৰ মথুৰা লিপিত (১) বাসুদেৱৰ মহাস্থানত এখন তোৰণ, বেদিকা আৰু চতুঃশাল উত্তোলনৰ উল্লেখ আছে। ৰজা বাসিষ্টিপুত্ৰৰ কালৰ নাসিক বৌদ্ধ গুহালিপিত (২) "এক ধনুৰ্ধৰস এক শূৰস একবাহনস ৰাম কেশৱ অৰ্জ্জুন ভীমসেনতুলস পৰাক্ৰমস" বুলি কেশৱ-কৃষ্ণৰ নাম লৈছে। এই লিপি উল্লেখিত নানাঘাট লিপিৰে একে প্ৰদেশৰ হলেও উক্ত লিপিৰ সংকৰ্ষণ বাসুদেৱৰ ঠাইত ইয়াৰ ৰাম-কেশৱ (বলোৰাম-কৃষ্ণ) নাম দিছে; কিয়নো এই বৌদ্ধ গুহালিপিত তেওঁলোকক ক্ষত্ৰিয় বীৰৰূপেহে চিনাকি দিয়া স্বাভাৱিক, আৰু বৌদ্ধঘটজাতকেও তেওঁলোকক কৌৰৱ-যোদ্ধাৰূপেহে দেখুৱাইছে।

---

(১) Memoirs of the Archaeological Survey of India. no. 5.

(২) Luder's Ins. no. 1123.

ৰজা গোতমিপুত্ৰৰ কালৰ চীনা শিলালিপি (১) বাসুদেৱৰ বন্দনাৰে আৰম্ভ কৰিছে।

ভাৰত বুৰঞ্জীৰ শাক-কুশান যুগতে খৃষ্টাব্দ প্ৰথমৰ পৰা তৃতীয়লৈ ভাগৱতী ধৰ্ম্মৰ জন্মভূমি মথুৰাত তাৰ প্ৰাধান্য নোহোৱা হ'ল; স্কাইথীয় ৰাজত্বত মুঠেই এখন ভাগৱতী লিপি এতিয়ালৈকে পোৱা হৈছে। লিপিমূলক প্ৰমাণৰ পৰা এই কালছোৱাই মথুৰাত জৈন আৰু বৌদ্ধ ধৰ্ম্মৰ আৰু সাপ-পূজাৰ প্ৰভাৱলৈ আঙুলিয়ায়; কিয়নো এই যুগত মথুৰাত ৮৭খন জৈনলিপি আৰু ৫৬খন বৌদ্ধ-লিপি পোৱা হৈছে, আৰু পাছত গুপ্ত যুগত ৰচিত পুৰাণসমূহত বৰ্ণোৱা কৃষ্ণৰ কালীয়দমন কাহিনীয়েও তাকে বুজায় (২)। এই যুগত মথুৰাত ভাগৱতী লিপিৰ আটক হোৱাৰ কাৰণ এই শক আৰু কুশান ৰজাসকল সাধাৰণতে শৈৱ আৰু বৌদ্ধ আছিল, আৰু ভাগৱতী ধৰ্ম্মৰ প্ৰতি তেওঁলোকৰ সহানুভূতি নাছিল বুলি ধৰিব পাৰি।

গুপ্ত ৰাজত্বৰ (৪০০—৪৬৪খৃঃ) সময়ত এই দৃশ্যপট সলনি হয়। পুৰাতত্ত্ব বিচাৰৰ পৰা চতুৰ্থ শতাব্দীৰ বুলি ঠাৱৰ হোৱা পঞ্জাৱৰ হীছাৰ জিলাৰ তুষাম শিলালিপিত "ভেটৰূপী জাম্বৱতীৰ মুখৰ ওপৰৰ ভোমোৰা" বিষ্ণুৰ বন্দনা আছে; আৰু আৰ্য্য-সাত্বত যোগাচাৰ্য্য ভাগৱৎ-ভক্ত যশত্ৰাণৰ আজো-নাতি সমত্ৰাতই ভাগৱৎ ধৰ্ম্মীসকলৰ বাবে দান কৰা দুটি জলাধাৰৰ

(১) Luder's Ins. no. 1340.

(২) H. C. Roy Choudhury. M.E.H.V.S.

উল্লেখ আছে। ৰাজপুতনাৰ পুষ্কৰণৰ ৰজা চন্দ্রবর্মনক শুগুগীয়া লিপিত চক্র-স্বামীনৰ (কৃষ্ণ-বিষ্ণুৰ) সেৱকৰূপে বৰ্ণোৱা হৈছে, আৰু এওঁ বিষ্ণুপদ বোলা পৰ্ব্বতত ভাগৱত বিষ্ণুৰ এখন ওখ পতাকা উত্তোলন কৰে। এওঁৰ ভায়েক নৰবৰ্মণৰ মণ্ডসৰ লিপি (১) বাসুদেৱৰ লগত সম্পৰ্কিত বুলি ধৰিব পাৰি। নৰবৰ্মণৰ পুতেক বিশ্ববৰ্মণৰ ৰাজত্বৰ গঙ্গাধৰ লিপিত তেওঁৰ মন্ত্রী ময়ুৰাক্ষকই কৰা এটা বিষ্ণুমন্দিৰৰ উল্লেখ আছে। ৪৫৬ খৃঃত ৰাজত্ব কৰা ত্রৈকূটকৰ ৰজা দহ্রুসেনৰ মোহৰত তেওঁক “পৰম বৈষ্ণৱ” বোলা হৈছে।

মগধৰ মহান গুপ্তসম্রাটসকলৰ মোহৰত তেওঁলোকক “পৰম ভাগৱত” (২) বোলা হৈছিল আৰু স্বৰূপতে তেওঁলোক ভাগৱতী ধৰ্ম্মৰ ঘাই পৃষ্ঠপোষক। সদৌ গুপ্ত সাম্রাজ্যত সিচৰতি হৈ থকা বিভিন্ন ভাগৱতী লিপিবোৰ তেওঁলোকৰ পৃষ্ঠপোষকতাৰ প্ৰমাণ সন্দেহ নাই। মহাৰাজ ছগলনৰ নাতি আৰু মহাৰাজ বিষ্ণুদাসৰ পুত্র মনকাণিক পৰিয়ালৰ এজন ৰজাই উদয়গিৰি লিপিত (৪০২ খৃঃ) বিষ্ণু আৰু বাৰভুজা এগৰাকী দেৱী (সম্ভৱ লক্ষ্মী) উছৰ্গা লিপিৱদ্ধ কৰিছে। তাত ৰজাজনে নিজক “চন্দ্রগুপ্ত পাদানুধ্যাতা” বোলাৰ পৰা তেওঁক দ্বিতীয় চন্দ্রগুপ্ত বিক্রমাদিত্যৰ কৰতলীয়া ৰজা বুলি ধৰিব পাৰি। ভিটাৰী

(১) The Indian Antiquary, 1913.

(২) Sir R. G. Bhandarkar, Vaishnavism, Saivism and Minor Religious Systems.

স্তম্ভলিপিত সম্রাট স্কন্দগুপ্তই শার্ঙ্গিনৰ এটি প্ৰতিমূৰ্ত্তি স্থাপন কৰি তেওঁৰ পিতাক সম্রাট কুমাৰগুপ্তৰ সোঁৱৰণৰ বাবে এখন গাঁও উছৰ্গাৰ কথা লিপিৱদ্ধ হৈছে। সম্রাট স্কন্দগুপ্তৰ ৰাজত্বতে আকৌ এওঁৰ এজন ৰাজ্যপালৰ পুতেক গোবিন্দভক্ত চক্রপালিতে চক্রভৃত কৃষ্ণৰ মন্দিৰ এটি সজাই জুনগধলিপি প্ৰতিষ্ঠা কৰে। স্কন্দগুপ্তৰ ৰাজত্বৰে ৪৬৭—৬৮ খৃষ্টাব্দৰ গধৱা লিপিত অনন্ত স্বামীনৰ মূৰ্ত্তি প্ৰতিষ্ঠা আৰু চিত্ৰকূটাখনৰ (বিষ্ণুৰ) সেৱাৰ বাবে এখন গাঁও উছৰ্গা কৰে। বুধগুপ্তৰ ৰাজত্বৰ তৰান শিলাস্তম্ভ-লিপিত মহাৰাজ মাতৃবিষ্ণুৱে জনাৰ্দ্দন (কৃষ্ণৰ) ধ্বজস্তম্ভ প্ৰতিষ্ঠাৰ বিৱৰণ আছে। হুন ৰজা তোৰামনৰ ৰাজত্বত মাতৃবিষ্ণুৰ ভায়েক ধন্যবিষ্ণুৱে নাৰায়ণৰ এটি শিলামন্দিৰ প্ৰতিষ্ঠা কৰি বৰাহ-ৰূপী বিষ্ণুক উছৰ্গা কৰা বিৱৰণ আছে। (১)

গুপ্তসাম্ৰাজ্যৰ পতনৰ পাছতো তেওঁলোকৰ কৰতলীয়া ৰাজ্য-সমূহত ভাগৱতী ধৰ্ম্ম সমানভাৱে চলি থাকে। পৰিব্ৰাজক মহাৰাজ সংক্ষোবৰ (২০৯ গুপ্তাব্দ বা ৫২৯ খৃঃ) আৰু জয়নাথৰ খোহ তামৰ ফলি দুখনৰ উপৰিও সেই ঠাইৰে সৰ্ব্বনাথৰ ৰাজত্বত আৰু দুখন, মুঠ চাৰিখন বিষ্ণুবিষয়ক তামৰ ফলি আছে। তদুপৰি বালভীৰ ৰজা দ্বিতীয় ধৰসেনৰ মালীয় তাম্ৰলিপি, যুক্তপ্ৰদেশৰ ঝান্সি জিলাৰ ললিতপুৰ মহকুমাৰ দেৱগড় মন্দিৰ, প্ৰকটাদিত্যৰ সাৰনাথ শিলালিপি, ভূপালৰ পিথাৰিত থকা সদ্যজাত কৃষ্ণৰ মূৰ্ত্তি আদিয়েও ভাগৱতী ধৰ্ম্মৰ বিস্তাৰৰ সহাৰি দিয়ে (২)। ৮২ গুপ্তাব্দৰ (৪০০খৃঃ)

(১) Ibid (২) Ibid.

উদয়গিৰিৰ চতুৰ্ভুজ (বিষ্ণু) মূৰ্ত্তি (১) আৰু কালিদাসৰ মেঘদূতত (৫,১৫) বিষ্ণুৰ বৰ্ণনায়ো গুপ্তযুগৰ ভাগৱতী ধৰ্ম্মৰ প্ৰভাৱ দেখুৱায় (২)।

গুপ্ত সাম্ৰাজ্যৰ পতনত ভাগৱতী ধৰ্ম্মই উত্তৰ ভাৰতত নিশ্চয় প্ৰাধান্য হেৰুৱালে; কিয়নো মিহিৰগুল, যশোধৰ্ম্মন, হৰ্ষবৰ্দ্ধন আদি পৰৱৰ্ত্তী ভাৰতসম্ৰাটসকল ভাগৱতধৰ্ম্মী নাছিল। কিন্তু তাৰ পৰা উত্তৰ ভাৰততো এই ধৰ্ম্ম লোপ পাবৰ উপক্ৰম হৈছিল বুলি ভাবিবৰ কাৰণ নাই। সপ্তম শতিকাৰ আগছোৱাত বানভট্টৰ হৰ্ষচৰিতত হৰ্ষবৰ্দ্ধনে বৌদ্ধ আৰু জৈনৰ বাহিৰে ভাগৱত বা পঞ্চৰাত্ৰসকলকো দেখা কৰিছিল বুলিছে। শঙ্কৰাচাৰ্য্যই তেওঁৰ বেদান্তসূত্ৰৰ ভাষ্যত পঞ্চৰাত্ৰ বা ভাগৱতী মত অসম্পূৰ্ণ আৰু অনৈষ্ঠিক বোলা কথাযো, নৱম শতিকাৰ আগছোৱাতো ভাগৱতী মত বিশেষ প্ৰভাৱশালী আছিল বুলি বুজিব পাৰি। কিন্তু ভাগৱতী ধৰ্ম্মৰ প্ৰতিপত্তি উত্তৰ ভাৰতত উত্তৰ-গুপ্তযুগত নৱম-দশম শতিকালৈকে থাকিলেও, ইয়াৰ ঘাই কেন্দ্ৰ এতিয়া আৰু গঙ্গা-উপত্যকা নহয়; দক্ষিণ ভাৰত বা তামিলদেশ ইয়াৰ ভিতৰতে ভাগৱতী ধৰ্ম্মৰ ঘাই কেন্দ্ৰ হৈ উঠে। ভাগৱতী ধৰ্ম্ম যে অন্ততঃ খৃষ্টপূৰ্ব্ব প্ৰথম শতিকাতে দাক্ষিণাত্যত সোমাইছিল, আগতে উল্লেখ কৰা নানাঘাট লিপি আদিয়েও প্ৰমাণ কৰে। যজ্ঞশ্ৰী শাতকৰ্ণিৰকালৰ চীনালিপিয়েও দেখুৱায় –

(১) Corp. Ins. Ind. Vol. III. p. 21 ff.

(২) Sir R. G. Bhandarkar, V.S.M.R.S.

খৃষ্টীয় দ্বিতীয় শতিকাত কৃষ্ণা নৈৰ অঞ্চলত ভাগৱতী ধৰ্ম্ম প্রচলিত আছিল। সমুদ্রগুপ্তৰ আলাহবাদ স্তম্ভলিপিৰ প্রশস্তিত থকা কাঞ্চিৰ অৰ্থপূৰ্ণ “বিষ্ণুগোপ” নামেও খৃষ্টীয় চতুৰ্থ শতিকাৰ আগছোৱাত দাক্ষিণাত্যৰ দক্ষিণতম্ প্রদেশত ভাগৱতী ধৰ্ম্ম সোমোৱাৰ সঙ্কেত দিয়ে বুলি বুজিব পাৰি। ইয়াৰ উপৰিও, খৃষ্টাব্দৰ আগছোৱাত তামিল দেশত কৃষ্ণ-বলোৰাম উপাসনাৰ পোনপটীয়া প্ৰমাণ আছে। কাৱিৰিপদ্দিনম্, মাতুৰা আদি দাক্ষিণত্যৰ নগৰবোৰত থকা কৃষ্ণ-বলদেৱ মন্দিৰৰ উল্লেখ চিল পথিকৰম্ আৰু আন আন তামিল কাব্যত আছে; আৰু কাবিৰি পদ্দি-নমৰ কবি কৰিকান্নৰ কবিতাত কৃষ্ণ-বলোৰামৰ গুণ-বৰ্ণনা পোৱা হয় (১)।

দক্ষিণ ভাৰতত ভাগৱতী ধৰ্ম্মৰ পতাকা উৰুৱাওঁতাসকল আলৱাৰ নামে জনাজাত। প্রসিদ্ধ বাৰজন আলৱাৰ সময়ৰ ক্রম অনুসাৰে কৃষ্ণস্বামী আয়েঙ্গাৰে এইদৰে সজাইছে (২)—

(১) পয়গয় (সৰোযোগিন); (২) ভূতাত্তাৰ (ভূতাযোগিন); (৩) পে (মহদ্ বা ভ্রান্ত যোগিন্); (৪) তিৰুমালাসয় (ভক্তিসাৰ); (৫) নাম (শঠকোপ); (৬) মধুৰ কবি; (৭) কুলশেখৰ, (৮) পেৰিয় (বিষ্ণুচিত্ত); (৯) অণ্ডল; (১০) তণ্ডৰাদিপ্পদি (ভক্তাঙ্‌ঘ্রিৰেণু); (১১) তিৰুপান (যোগিবাহন); (১২) তিৰুমঙ্গয় (পৰকাল)।

---

(১) Kanankasabhai, T. E. H. Y. A., pp. 13-69.

(২) Ind. Ant. Vol. XXXV; p. 228.

কিম্বদন্তি অনুসাৰে, প্ৰথমজন আলৱাৰৰ কাল খৃঃ পূঃ ৪২০৩ৰ পৰা ধৰি দ্বাদশজনৰ খৃঃ পূঃ ২৭০৬; লিপিমূলক প্ৰমাণৰ বিচাৰত, কৃষ্ণস্বামীৰ মতে, প্ৰথমজনৰ কাল খৃষ্টীয় পঞ্চম বা ষষ্ঠ শতিকাৰ পাছ নহব, আৰু শেষৰজন খৃষ্টীয় অষ্টম শতিকাৰ প্ৰথমছোৱাৰ আগ নহব। কিন্তু ভাণ্ডাৰকাৰৰ মতে কুলশেখৰ আলৱাৰৰ কাল দ্বাদশ শতিকাৰ আগছোৱা; কিয়নো তেওঁ ত্ৰৈভাঙ্কৰৰ ৰজা আছিল আৰু মুকুন্দমালা নামে তেওঁ ৰচা এখন পুথিত ভাগৱত-পুৰাণৰ এটি শ্লোকৰ (১১,২,৩৬) উদ্ধৃতি আছে (১)। এওঁলোকৰ কাহিনী আৰু ৰচিত ভক্তিমূলক গীতকবিতাবোৰ অতি মনোৰম। (নেওগৰ "বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমবিস্তাৰ" চাওক)।

তাৰ পাছত আহিল আচাৰ্য্যসকল। তামিল দেশত ভাগৱতী ধৰ্ম্ম প্ৰচাৰৰ অৰ্থে ভক্তিমূলক ফালে আলৱাৰসকলে যি কৰিছিল, বিচাৰমূলক ফালে আচাৰ্য্যসকলে তাকে কৰিছিল। ৰঙ্গনাথ আচাৰ্য্য বা নাথমুনিয়েই প্ৰথম আচাৰ্য্য। এওঁ খৃষ্টীয় নৱম শতিকাৰ শেষ আৰু দশম শতিকাৰ আগছোৱাত জীৱিত আছিল। এওঁ ত্ৰিচনপল্লীৰ ওচৰৰ শ্ৰীৰঙ্গম্ নগৰত বাসকৰিছিল। আল্‌ৱাৰসকলৰ, ঘাইকৈ শতগোপ বা নাম আলৱাৰৰ গীত-কবিতাৰ এওঁ পৰম ভক্ত আছিল, আৰু সেই গীতবোৰ প্ৰতি খণ্ডত এহেজাৰকৈ চাৰি খণ্ডত জুকিয়াইছিল আৰু "ন্যায়তত্ত্ব" নামে বিশিষ্টাদ্বৈতবাদ মতৰ এখন সংস্কৃতগ্ৰন্থ লিখিছিল। ৯২০ খৃষ্টাব্দত নাথ মুনিৰ মৃত্যু হয়। দ্বিতীয় আচাৰ্য্য পুণ্ডৰিকাক্ষ ৮২৬

(১) Sir R. G. Bhandarkar, V. S. M. R. S.

খৃষ্টাব্দত শ্ৰীৰঙ্গমৰ উত্তৰে তিৰুবল্লৰিত জন্ম হৈছিল আৰু নাথ মুনিক বোলে গুৰু মানিছিল। তৃতীয় আচাৰ্য্য ৰাম মিশ্ৰ বিশেষ ব্যক্তিত্বসম্পন্ন নাছিল। চতুৰ্থ আচাৰ্য যমুনা ৯১৬ খৃষ্টাব্দত ওপজে; এওঁৰ পিতাক ঈশ্বৰ ভট্ট আৰু ককাক নাথ মুনি। নাথ মুনিয়ে পুতেক-বোৱাৰীয়েকক লৈ মথুৰা আদি নানা তীৰ্থ ভ্ৰমণ কৰোঁতে যমুনাৰ পাৰত এই নাতিয়েক ওপজা বাবে এওঁৰ নাম ৰাখিলে যমুনা। সিদ্ধত্ৰয়, আগমপ্ৰমাণ্য, গীতাৰ্থসংগ্ৰহ মহাপুৰুষনিৰ্ণয়, স্তোত্ৰৰত্ন আদি কেইবাখনো বহুমূলীয়াগ্ৰন্থ এওঁ ৰচনা কৰে। ১০৪০ খৃষ্টাব্দত যমুনাচাৰ্য্যৰ মৃত্যু হয় বুলি কয়। এওঁৰে শেষ ইচ্ছামতে পঞ্চম আচাৰ্য্যৰূপে ৰামানুজ শ্ৰীৰঙ্গমত অভিষিক্ত হয়। এওঁৰ শ্ৰীবৈষ্ণৱ বা বিশিষ্টাদ্বৈতবাদ মত স্বৰূপতে নাথ মুনিয়ে উলিওৱা আৰু যমুনাচাৰ্য্যই গঢ় দিয়া। ৰাজা গোপালাচাৰিয়াৰ মতে (১), বুদ্ধদেৱৰ তথাকথিত নাস্তিক দৰ্শনৰ প্ৰতিক্ৰিয়াৰূপে কুমাৰিলা ভট্ট প্ৰভৃতিয়ে যি পূজা-প্ৰধান পূৰ্ব্ব-মীমাংসা মত উলিয়ালে, একপ্ৰকাৰ তাৰ প্ৰতিক্ৰিয়াৰূপেই শঙ্কৰাচাৰ্য্যই উপনিষদৰ "একমেৱাদ্বিতীয়ম্" মতৰ ওপৰত ভিৰ দি অদ্বৈতবাদ প্ৰচাৰিলে। এই মতত জ্ঞানৰ ওপৰত অস্বাভাৱিক হেঁচা দি ধৰ্ম্মক অনুভূতিতকৈ চিন্তাৰ বিষয় কৰাত তাৰ প্ৰতিক্ৰিয়াৰূপে নাথ-যমুনা—ৰামানুজে বিশিষ্টাদ্বৈতবাদ মত আৰু

(১) Raja Gopalacharjya, The Vaishnavite Reformers p. 18.

প্ৰপত্তি (শৰণ) প্ৰচাৰ কৰে। যমুনাচাৰ্য্যই এইদৰে অদ্বৈতবাদৰ খণ্ডন কৰে—

"যথা চোলনৃপঃ সম্রাদদ্বিতীয়'স্তি ভূতলে
ইতি তত্তুল্য নৃপতিনিৰাৰণ পৰম বচঃ
নতু তৎপুত্ৰ তৎভৃত্য কলত্ৰাদিনিৰাৰণম্।"

গুৰু যমুনাচাৰ্য্যৰ অন্যতম শেষ ইচ্ছামতে ৰামানুজে বাদৰায়ণৰ বেদান্ত-সূত্ৰৰ শ্ৰীভাষ্য লিখে। ৰামানুজৰ জন্ম ৯৩৮ শক (১০১৬—১৭খৃঃ)। এই ভাষ্যকাৰ আৰু আচাৰ্য্য-সকলত বাদে চতুৰ্দশ শতিকাৰ শেষ ছোৱাত ৰামানন্দ, আৰু কবীৰ ১৪৪৯ত শঙ্কৰদেৱ, ১৪৮৫ত চৈতন্যদেৱ, ১৫৩২ত তুলসীদাস আদিয়ে জন্মগ্ৰহণ কৰি ভাগৱতী ধৰ্ম্মৰ বিস্তাৰ ঘাইকৈ উত্তৰ ভাৰতত অটুট ৰাখে।

কৃষ্ণ-বিষ্ণু ক্ৰমে সমাৰ্থক হৈ পৰিলেও বিষ্ণুহে প্ৰথমতে সাত্বতসকলৰ উপাস্য আছিল; পাছত বিষ্ণু পৰমেশ্বৰ আৰু কৃষ্ণ তেওঁৰ পূৰ্ণ অৱতাৰ বুলি গণ্য হ'ল। মুঠতে, গুপ্ত যুগতে ভাগৱতী ধৰ্ম্ম জয়ে জয়ে বৈষ্ণৱ ধৰ্ম্মত পৰিণত হৈছে; তদুপৰি, অৱতাৰবাদেও এই যুগতে পৰিপুষ্টি লাভ কৰে। তোৰমানৰ কালৰ এৰাণ লিপিত বৰাহ অৱতাৰৰ স্পষ্ট উল্লেখ আছে। জুনগধ লিপিত বামন অৱতাৰৰ সঙ্কেত পোৱা হয়। এই যুগৰ কোনো লিপিত ৰাম অৱতাৰৰ উল্লেখ নাথাকিলেও, কালিদাসে ৰঘুবংশত "ৰামাভিধানো হৰিঃ" (১৩,১) বুলিছে; তথাপি ৰামানন্দৰ যুগৰ আগত ৰাম-অৱতাৰৰ প্ৰাধান্যৰ প্ৰমাণ নাই।

মৎস, কূৰ্ম্ম, বৰাহ, বামন আদি অৱতাৰৰ সূচনা শতপথ আদি কেখনমান ব্ৰাহ্মণত থাকিলেও, বামন অৱতাৰৰ বাহিৰে আনবোৰ বিষ্ণুৰ লগত সম্পৰ্কিত নহয়। মহাভাৰতৰ নাৰায়ণীত (১২, ৩৪৯,৩৭) বৰাহ, বামন, নৰসিংহ আৰু বাসুদেৱ আদি অৱতাৰৰ উল্লেখ আছে। আন এখন তালিকাত ৰাম ভাৰ্গৱ, আৰু ৰাম দাশৰথি, আৰু তৃতীয় এখনত হংস, কূৰ্ম্ম, মৎস, আৰু কল্কি অৱতাৰ লেখত লৈছে। মৎস পুৰাণত (১,৩,২৪) বুদ্ধও আন আন অৱতাৰৰ ভিতৰত সোমাইছে। অৱতাৰ-বাদৰ এইদৰে বিভিন্ন খাপ আমি দেখোঁহঁক। লক্ষ্মীৰ উপাসনাও গুপ্ত যুগৰ আন এটি লক্ষণ; তিৰুতাৰ সমস্বত্বৰ দাবী আৰু সাংখ্য দৰ্শনৰ পুৰুষ-প্ৰকৃতি মতবাদৰ প্ৰভাৱ আদিও ইয়াৰ বাবে দায়ী হব পাৰে। তদুপৰি, বৈষ্ণৱ ধৰ্ম্মৰ আৰু এটি লক্ষণ হ'ল হীনজাতৰ প্ৰতি সহানুভূতি। হীনজাতৰ আলৱাৰসকলৰ ৰচিত গীত-মাত সদৌৰে বাবে গ্ৰহণীয় হোৱা ইয়াৰ এটি খাপ; ৰামানুজৰ শিষ্য ৰামানন্দ তেওঁৰ হীনজাতৰ বাবে অপমানিত হৈ উত্তৰ ভাৰতলৈ আহি যি বৈষ্ণৱ সম্প্ৰদায় গঠিত কৰিলে, কবীৰ আৰু তুলসীদাস তাৰ দুই ৰত্ন-স্বৰূপ।

The Nabin Bardalai Hall & Library
GAUHATI

৫। পূৰ্ব্বশঙ্কৰী ধৰ্ম্মৰ যুজ-বাগৰ

পূৰ্বশঙ্কৰী তথা পূৰ্বঐতিহাসিক অসমৰ সামাজিক বুৰঞ্জীৰ সম্বল আজিও নিচেই তাকৰীয়া আৰু আপুৰুগীয়া। তাৰ ভিতৰত লেখত লবলগীয়া সজুলি সেই যুগৰ দুই-এখন শিলালিপি আৰু কেখনমান তামৰ ফলি; দুই এজন বিদেশী ভ্ৰমণকাৰীৰ টোকা, দুই এখন পুৰণি সংস্কৃত গ্ৰন্থ আৰু উত্তৰ-শঙ্কৰী কেখনমান বৈষ্ণৱ-চৰিত। এই সঁজুলিবোৰৰ ভিতৰত প্ৰাক্‌শঙ্কৰী আৰু প্ৰাক্‌ঐতিহাসিক তামৰ ফলিকেখনেই ঘাই; কিয়নো ইয়াৰ লগত মিলাইহে আমি আন সঁজুলিবোৰ উপযোগী কৰি ব্যৱহাৰ কৰিব পাৰোঁহঁক। যিহেতুকে অসমৰ "প্ৰাগজ্যোতিষ" নামৰ সম্পৰ্কে নতুনকৈ প্ৰশ্ন তোলা হৈছে (১), আৰু যিহেতুকে মহাকাব্য, ৰামায়ণ, মহাভাৰত, পুৰাণ, হৰিবংশ-বিষ্ণুপুৰাণ, বিদেশী কাহিনী পাৰস্যীয় কবি ফিৰদৌছিৰ শ্বাহনামা বা ফেৰিষ্টাৰ বুৰঞ্জী আদিৰ সকলো কথা যেনেকৈ আছে তেনেকৈয়ে মানি লোৱাত আপত্তি বা বাধা থাকিব পাৰে। নেওগৰ "প্ৰাক-

(১) "The Common Ancestory of the Pre-Ahom rulers and some other problems of the Early History of Assam," by Dr. B. M. Barua.

ঐতিহাসিক অসম” চাওক), আমি সম্রাট সমুদ্ৰগুপ্তৰ আলাহাবাদ স্তম্ভৰ লিপিমূলক প্ৰমাণতে (১) আৰম্ভ কৰিম হঁক।

চতুৰ্থ শতিকাত পাটলিপুত্ৰৰ ৰাজসিংহাসনত উঠিয়ে প্ৰথম চন্দ্ৰগুপ্তই গুপ্তাব্দ প্ৰচলিত কৰে, আৰু তেওঁৰ ৰাজ্যত ব্ৰাহ্মণ্য ধৰ্ম্ম পুনঃপ্ৰতিষ্ঠা কৰিবলৈ মন মেলে। এওঁৰ পিছত সমুদ্ৰগুপ্ত ৰজা হয়, আৰু এওঁ এটা বিপুল ৰাজসূয় যজ্ঞ পাতি তালৈ ভাৰতৰ শ্ৰেষ্ঠ ৰজাসকলক নিমন্ত্ৰণ কৰে। এওঁৰ আলাহাবাদ স্তম্ভ-লিপিত (২) “সমতট-ডবাক-কামৰূপ-নেপাল কৰ্ত্তৃপুৰাদি প্ৰত্যন্ত নৃপতিবীৰমালা”ৰ উল্লেখ আছে। এই লিপিৰ কাল ২৩৪ গুপ্তাব্দ (৫৫৪খৃঃ)। পুৰণি কামৰূপ শাসনাৱলী আৰু বিভিন্ন প্ৰমাণৰ পৰা তেতিয়া পুষ্য-বৰ্মা কামৰূপৰ ৰজা আছিল বুলি বুজিব পাৰি (নেওগৰ ‘ প্ৰাক্‌ঐতিহাসিক অসম” চাওক)। সদৌ কামৰূপ শাসনাৱলী আদি তিনটি মূলৰ উপৰিও, নালন্দাৰ ভগ্নাৱশেষত পোৱা ভাস্কৰবৰ্মাৰ এটি মোহৰতো (৩) পুৰণি কামৰূপৰ ৰাজমালাৰ আভাস পোৱা হয়, আৰু সেইমতে পুষ্যবৰ্মাৰ পৰা ভাস্কৰবৰ্মালৈ মুঠতে বাৰ পুৰুষ।

(১) “Early History of India from 600 B. C. to the Muhammadan Conquest, Ch. III. Kamrup or Assam.” Vincent Smith, Fourth Edition, p 383.

(২) Fleet's Corpus Inscriptionum Indicarum.

(৩) Journal of Behar & Orissa Society ; March 1920, pp 151-52.

কিছুমান বছৰৰ আগতে মিকিৰ পৰ্ব্বতৰ বৰগঙ্গাত এখন শিলালিপি পোৱা হৈছে (১)। এই লিপিত ৰজা মহাভূত বা ভূতিবৰ্মাৰ প্ৰধান মন্ত্ৰী আৰ্য্যগুণে তেওঁক "পৰম ভাগৱত" উপাধিৰে বিভূষিত কৰিছে। মহাভূত বা ভূতিবৰ্মা পুষ্যবৰ্মাৰ সাত পুৰুষৰ পাছৰ আৰু ভাস্কৰ বৰ্মাৰ চাৰি পুৰুষৰ আগৰ ৰজা। এশ বছৰত চাৰিপুৰুষ ধৰিও ভূতিবৰ্মাৰ কাল ষষ্ঠ শতিকাত পৰে। কোনোৱে এই বাবে অসমত বৈষ্ণৱ ধৰ্ম্ম অন্ততঃ সুদূৰ ষষ্ঠ শতিকাৰ পৰা চলি আছে বুলিব খোজে। কিন্তু মন কৰিবলগীয়া কথা, এই শিলালিপিৰ কাষতে ক'লা শিলৰ এটি বাসুদেৱ মূৰ্ত্তিৰ উপৰিও দুটা শিলত কটা বলদ আৰু হৰ-পাৰ্ব্বতীৰ এটি শিলামূৰ্ত্তিও পোৱা হৈছিল (২)।

এই প্ৰসঙ্গত আৰু উল্লেখযোগ্য, গুৱাহাটীৰ শুক্লেশ্বৰ ঘাটত পোৱা এটি বিষ্ণুমূৰ্ত্তি, আৰু নগাঁৱৰ ডবাক, গোসাইজুৰি ঘিলানি আদি ঠাইত পোৱা নানা বাসুদেৱ মূৰ্ত্তি বৰ্ত্তমান ৰক্ষিত আছে। সৰহ কি, প্ৰায় ১৪৬৯-৭০ খৃষ্টাব্দত শঙ্কৰদেৱে নিজে কোৰ ধৰি টেম্বুৱানিত নামঘৰৰ ভেটি তোলোঁতে ক'লা বিষ্ণুমূৰ্ত্তি এটি পোৱা কথা ৰামচৰণ ঠাকুৰৰ শঙ্কৰ চৰিতত (১৫১৫-১৬ পদ) বৰ্ণোৱা আছে। তেন্তে ভাবি চাবলগা কথা, ৰজা ভূতিবৰ্মাৰ এই "পৰম ভাগৱত" উপাধি আৰু এই বিষ্ণু-বাসুদেৱ মূৰ্ত্তিবোৰে শঙ্কৰদেৱৰ

---

(১) Journal of the Assam Research Society. Vol VIII

(২) Antiquities of Kapili & Jamuna valley, J. A. R. S. Vol. 7 III, No. III pp. 85-90

প্ৰায় হাজাৰ বছৰৰ আগৰ পৰা অসমত বৈষ্ণৱ ধৰ্ম্ম প্ৰচলিত হোৱা বুজায় নে নাইবা গুপ্ত সম্ৰাটসকলৰ প্ৰচাৰৰ ফলত ছিটিকি অহা বৈষ্ণৱ ধৰ্ম্ম আৰু গুপ্ত সংস্কৃতিৰ নিদৰ্শন দেখুৱায়।

গুপ্ত সাম্ৰাজ্যৰ লগত পুৰণি কামৰূপ ৰাজ্যৰ ৰাজনৈতিক সম্পৰ্ক যিয়েই থাওক, গুপ্ত সম্ৰাটসকলৰ লগত পুষ্যবৰ্ম্মাকে আদি কৰি কামৰূপী ৰজাসকলৰ যে যথেষ্ট ঘনিষ্ঠতা আছিল, তাক কোনোমতে নুই কৰিব নোৱাৰি। পুষ্য বৰ্মাৰ নামটো যেনেকৈ শুঙ্গ বংশৰ বৰৰজা পুষ্যমিত্ৰ বা হৰ্ষবৰ্দ্ধনৰ বংশৰ আদিৰজা পুষ্যভূতিৰ নামৰ লগত মিলে, তেওঁৰ পুতেক সমুদ্ৰবৰ্মা আৰু বোৱাৰীয়েক দত্তা দেবীৰ নাম যথাক্ৰমে সম্ৰাট সমুদ্ৰগুপ্ত আৰু সম্ৰাজ্ঞী দত্তা দেবীৰ নামৰ লগত মিলি যায়। এইদৰে এওঁৰ এঘাৰ পুৰুষৰ পাছৰ আৰু তেওঁৰ বংশৰ শেষ ৰজা ভাস্কৰ বৰ্মাৰ কুমাৰ উপাধি, সম্ৰাট হৰ্ষবৰ্দ্ধনৰ "কুমাৰ" উপাধিৰ লগত মিলে। এনেবোৰ মিল নিশ্চয় আকস্মিক বুলি উৰাই দিব নোৱাৰি। তদুপৰি তেজ পুৰৰ দহ-পৰ্ব্বতীয়াৰ এটি ভগ্ন মন্দিৰৰ তোৰণ দুৱাৰত থকা গুপ্ত স্থপতিৰ আৰ্হি (১), হৰ্জৰ বৰ্মাৰ হাৰু-প্পেশ্বৰ তাম্ৰলিপিত গুপ্তাব্দ (২), আৰু উল্লেখিত বৰগঙ্গা

(১) "Plastic Art of the Gupta, period and its influence on later Medieaval Art :" The Bengalee, March 3, 1925.

(২) Journal of the Behar & Orissa Research Society, December, 1917 ; pp. 508-14.

শিলালিপিত গুপ্তলিপিৰ ব্যৱহাৰ (১) আৰু সবাৰো পৰি গুপ্তসম্ৰাটসকলৰ মুদ্ৰাৰ ওপৰত "পৰম ভাগৱত" উপাধিৰ প্ৰচলন (২) নিশ্চয় গুপ্ত সংস্কৃতিৰ অনুকৰণৰ একোটি অংশ মাত্ৰ বুলি নোৱাৰি।

ভাস্কৰ বৰ্মাৰ নিধনপুৰ লিপিয়েই (৩) আমাৰ এতিয়ালৈকে পোৱা তামৰ ফলিবিলাকৰ ভিতৰত পুৰণি। বাণভট্টৰ হৰ্ষচৰিত আৰু য়ুয়াংচোৱাঙৰ ভ্ৰমণ-বৃত্তান্ত আদি বিভিন্ন মূলৰ পৰা ভাস্কৰ-বৰ্মাৰ ৰাজত্বকাল খৃষ্টীয় সপ্তম শতিকাৰ প্ৰথম ছোৱাত সুপ্ৰতিষ্ঠিত। তেওঁৰ তামৰ ফলিত "ওঁ প্ৰণম্য দেৱং শশিশেখৰপ্ৰিয়ং পিনাকিনং ভস্মকণৈৰ্বিভূষিতং" বুলি শিৱৰ বন্দনাৰে প্ৰশস্তি জুৰিছে। ভাস্কৰ বৰ্মা যে পৰম শৈৱ আছিল, বাণভট্টৰ হৰ্ষচৰিতৰ পৰা আৰু ফটফটীয়াকৈ বুজিব পাৰি। বন্ধুত্বৰ প্ৰস্তাৱ লৈ দূত হংসবেগে ভাস্কৰ বৰ্মাৰ এই তেজস্বী বাণী হৰ্ষবৰ্দ্ধনৰ কৰ্ণগোচৰ কৰিছিল- "অয়মস্য চ শৈশৱাদাৰভ্য সঙ্কল্পঃ স্থেয়ান্ স্থাণুপাদাৰবিন্দ-দ্বয়াদৃতে নাহমন্যং নমস্কুৰ্যামিতি ঈদৃশশ্চায়ং মনোৰথস্ত্ৰিভুৱনদুৰ্লভ-স্ত্ৰয়াণামন্যতমেন সম্পদ্যতে সকলভূৱনবিজয়েন বা মৃত্যুনা বা যদ্বা প্ৰচণ্ডপ্ৰতাপজ্বলন্ দিগ্দাহেন জগত্যেকবীৰেন দেৱোপমেণ মিত্ৰেণ"।

(হৰ্ষচৰিত, ৭ম ভাগ, ৫৮৫—৮৬ পৃঃ)।

---

(১) Journal of the Assam Research Society. Vol. VIII, No 9

(২) Sir R. G. Bhandarkar, V. S. M. R. S.

(৩) Epigraphia Indica, Vol. XII. No. 13.

তদুপৰি নিধনপুৰ শাসন যে ভাস্কৰ বৰ্মাৰ বৃদ্ধ-প্ৰপিতামহ ভূতিবৰ্মাই দিয়া তামৰ ফলিৰ নতুন নকল মাত্ৰ, সেই ফলিতেই স্পষ্টকৈ বৰ্ণোৱা আছে—

"ৰাজ্ঞা শ্ৰীভূতি বৰ্ম্মণা কৃতং যৎ তত্তাম্ৰপট্টাভাৱাৎ কৰদমিতি মহাৰাজেন জ্যেষ্ঠভদ্ৰান্ বিজ্ঞাপ্য পুনৰস্যাভিনৱ পট্টকৰণায় শাসনং দত্বা ...শাসনদাহাদৰ্বা গমিনৱলিখিতানি ভিন্নৰূপা তেভ্যোক্ষৰাণি যস্মাত্তস্মান্নৈতানি কূটানি।"

ইয়াৰ পৰা অনুমান কৰা কঠিন নহয় যে ভাস্কৰ বৰ্মাৰ তামৰ ফলিৰ প্ৰশস্তি তেওঁৰ বুঢ়া আজো-ককাক ভূতিবৰ্মাৰ তামৰ ফলিৰ প্ৰশস্তিৰে অনুকৰণ মাত্ৰ। তদুপৰি ভাস্কৰবৰ্মাই হঠাৎ এটা নতুন ধৰ্ম্ম গ্ৰহণ কৰি তাৰ প্ৰতি এনে অনুৰক্ত হোৱা কথাটো ভবা টান। অকল সেয়ে নহয়, বানাসুৰৰ সুহৃদৰূপে নৰকো শৈৱ ধৰ্ম্মৰ প্ৰতি অনুৰক্ত থকা অসম্ভৱ নহব পাৰে। সি যি হওক, অন্ততঃ পুষ্যবৰ্মাৰ পৰা ভূতিবৰ্মাকে ধৰি এই বংশৰ ৰজা-সকল ভাস্কৰ বৰ্মালৈকে শৈৱ আছিল বুলি ধৰিলে ভুল নহব। অকল ইমানেই নহয়; ভাস্কৰ বৰ্মাতে সেই বংশ লুপ্ত হৈ ম্লেচ্ছাধিনাথ শালস্তম্ভৰ বংশৰ ৰাজত্ব আৰম্ভ হয়। এই বংশৰ ২১জন ৰজাৰ ত্যাগসিংহতে ওৰ পৰে। তাৰ পিছত অসমৰ পাল ৰাজত্ব আৰম্ভ হয়। এই বংশৰ সাতজন ৰজাৰ প্ৰথম আৰু শেষ ৰজা যথাক্ৰমে ব্ৰহ্মপাল আৰু ধৰ্ম্মপাল। বিশেষ মন কৰিব-লগীয়া কথা, শালস্তম্ভৰ বংশ আৰু পাল ৰজাসকলৰ তামৰ ফলিতো সদায় ভাস্কৰ বৰ্মাৰ ফলিৰ দৰেই শিৱৰ বন্দনাৰে প্ৰশস্তি

আৰম্ভ হৈছে ; কেৱল এই তিনি বংশৰ শেষজন ৰজাৰ তৃতীয়খন তামৰ ফলিত তাৰ ব্যতিক্ৰম ঘটিছে। ইয়াৰ পৰা অন্ততঃ চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ মাজভাগলৈকে কামৰূপৰ ৰজাসকল শৈৱধৰ্ম্মী আছিল বুলি সহজে কব পাৰি।

স্বৰূপতে শৈৱ ধৰ্ম্মই পূৰ্ব-বৈদিক ভাৰতবৰ্ষৰ ঘাই ধৰ্ম আছিল বুলি সঠিক অনুমান কৰিব পাৰি। মহেঞ্জদাৰো আৰু হৰপ্পাৰ আবিষ্কাৰত অন্ততঃ এটা শিৱ-দুৰ্গাৰ মূৰ্ত্তি পোৱা হৈছিল। বেদত এই শৈৱসকলৰ উল্লেখ পোৱা হয়, কিন্তু সি প্ৰতিকূলভাৱেহে। পুৰাণৰ যুগত অৱশ্যে শিৱৰ উল্লেখ ক্ৰমে অনুকূল হৈ উঠিছিল, কিন্তু তাৰো বিভিন্ন অৱস্থা মন কৰিব পাৰি। দক্ষ-যজ্ঞলৈ দক্ষই সকলোকে নিমন্ত্ৰণ কৰিলে, কিন্তু নিজ জোঁৱায়েক শিৱক নামাতিলে ; এই অপমানতে শিৱৰ পতিপ্ৰাণা ভাৰ্য্যা সতীয়ে দেহত্যাগ কৰিলে। ইয়াৰ পৰা অনুমান কৰা কঠিন নহয়, শিৱ তেতিয়াও বৈদিক দেৱতাসকলৰ শাৰীত সোমাব পৰা নাছিল। হৰ-হৰিৰ যুদ্ধত হৰিৰ পক্ষৰ জয়-বাৰ্ত্তা, শৈৱ-বৈষ্ণৱ ধৰ্ম্ম-সংঘৰ্ষত বৈষ্ণৱ-ধৰ্ম্মৰ জয়যাত্ৰা-সূচক সন্দেহ নাই। বেউলা-লখিন্দাৰৰ সাধু, মনসাই ছলে-বলে আৰ্য্য দেৱ-দেৱীৰ সম্মান লাভ কৰাৰ ছদ্মকাহিনী মাত্ৰ। লিঙ্গপূজা-প্ৰধান ধৰ্ম্মৰ দেৱী কামাখ্যাক বিয়া কৰাবলৈ উদ্যত হোৱা নৰকাসুৰৰ কাহিনীও পূৰ্ব্ববৈদিক দেৱ-দেৱীৰ প্ৰতি থকা অৱজ্ঞা আৰু অনাস্থাৰ এটি চিত্ৰ বুলিব পাৰি। কালিদাসৰ সমূহ কাব্যতো শৈৱধৰ্ম্মৰ প্ৰাধান্য বিশেষ। এইদৰে বৈদিক সংস্কৃতিৰ লগত পূৰ্ব-বৈদিক সংস্কৃতিৰ মিলনৰ বহুত

বিভিন্ন স্তৰ আছিল নিশ্চয়। অসমতো সেই একেটি সাধুৱেই; বৈষ্ণৱ যুগৰ আগভাগলৈকে শৈৱ ধৰ্ম্মই অসমত যি প্ৰভাৱ বিস্তাৰ কৰিছিল, অসমৰ পুৰণি তামৰ ফলিখিনিয়েই তাৰ প্ৰমাণ। বৈষ্ণৱ ধৰ্ম্ম অসমত সোমাবলৈ ধৰোঁতেও যে শৈৱ ধৰ্ম্মই তাক সহজে বাট এৰি নিদিছিল, বৰগঙ্গা শিলালিপিৰ কাষত বাসুদেৱ মূৰ্ত্তিৰ লগত পোৱা শিলত কটা দুটি বলদ আৰু শিৱদূৰ্গাৰ মূৰ্ত্তিয়েই চিঞৰি কয়।

৬। পূৰ্বশঙ্কৰী ধৰ্মৰ প্ৰমাণ

ভাস্কৰবৰ্মাৰ নিধনপুৰ তামৰ ফলিৰ পৰা ধৰি শালস্তম্ভৰ বংশৰ আৰু কামৰূপী পালৰজাসকলৰ আৰু পঞ্চদশ শতিকাৰ আগভাগৰ সধয়াপুৰী তামৰ ফলিকেখন প্ৰমাণমূলক ফালৰ পৰা যেনে লাগতিয়াল, ৰাজনৈতিক আৰু সামাজিক বুৰঞ্জীৰ ফালৰ পৰাও প্ৰায়বোৰেই তেনে ৰহস্যপূৰ্ণ। ভাস্কৰ বৰ্মাৰ ফলিত প্ৰশস্তি প্ৰথম দুই শ্লোকত শিৱৰ বন্দনাৰে আৰম্ভ হোৱাৰ কথা উল্লেখ কৰা হৈছে; তাৰে তৃতীয় শ্লোকত "জয়তি জগদেকবন্ধুৰ্লোক দ্বিতয়স্য সম্পদো হেতু পৰহিতমূৰ্ত্তিৰদৃষ্টঃ ফলানুমেয়স্থিতি ধৰ্ম্মঃ" বুলি দেখাতে বৌদ্ধ ধৰ্ম্মৰ ত্ৰিৰত্নৰ একতম ধৰ্ম্মৰ গুণ-গান কৰিছে। পৰিব্ৰাজক সম্ৰাট য়ুৱাং চোৱাঙৰ ভ্ৰমণ-বৃত্তান্তত এই মতৰ স্পষ্ট সমৰ্থন পাওঁক—"তেওঁলোকে (কামৰূপৰ লোকসকলে) দেৱতা পূজা কৰে আৰু বুদ্ধদেৱত বিশ্বাস নকৰে; গতিকে বুদ্ধদেৱ অৱতীৰ্ণ হোৱা কালৰে পৰা আন নালাগে আজিলৈকে (বৌদ্ধ) পুৰোহিতসকল একত্ৰিত হবৰ বাবে কোনো সঙ্ঘাৰাম স্থাপিত হোৱা নাই। পবিত্ৰ (বৌদ্ধ) ধৰ্ম্মৰ যিসকল শিষ্য আছে, গোপনে তেওঁলোকৰ তুতি কৰে আৰু তাতে শেষ। ইয়াত (কামৰূপত) দেৱ-মন্দিৰ প্ৰচুৰ, আৰু

হাজাৰ হাজাৰ (ধৰ্ম্ম) সম্প্ৰদায় আছে।” স্বয়ং ভাস্কৰবৰ্মাৰ বিষয়েও লিখিছে—“ৰাজপাটত থকা ৰজাজন জাতত ব্ৰাহ্মণ, আৰু নাৰায়ণ (বৰাহ) দেৱতাৰ বংশধৰ। এওঁৰ এটা নাম ভাস্কৰ বৰ্ম্মা, আনটো কুমাৰ। এহেজাৰ বছৰ ধৰি এওঁৰ বংশধৰ লোক ৰজা হৈ আহিছে। মহাৰাজ (ভাস্কৰবৰ্মা) বিদ্যানুৰাগী আৰু ৰজাসকলো তেওঁৰ অনুসৰণকাৰী। নানা দূৰ দেশৰ পৰা গুণৱন্ত লোক আহি ইয়াত বিদ্যাচৰ্চ্চা কৰেহি। ৰজা বৌদ্ধ নহয় যদিও তেওঁ (বৌদ্ধভিক্ষু) শ্ৰমণসকলক শ্ৰদ্ধা কৰে।” (১)

শৈৱ আৰু বৌদ্ধধৰ্ম্মৰ উপৰিও এই তামৰ ফলিবোৰত বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমৱৰ্দ্ধমান প্ৰভাৱ বিশেষ ৰহস্যজনক। সপ্তম শতিকাৰ আগভাগৰ ভাস্কৰ বৰ্মাৰ ফলিতে প্ৰথম দুই শ্লোকত শৈৱ-প্ৰশস্তি আৰু তৃতীয় শ্লোকত বৌদ্ধধৰ্মৰ ত্ৰিৰত্নৰ অন্যতম ধৰ্ম্মৰ গুণ-গান কৰি, চতুৰ্থ শ্লোকত “ধাত্ৰো মুচ্চিক্ষিপ্সোৰম্বুনিধেকপট কোলৰূপস্য চক্ৰভৃত সুনুঃ”—বুলি বৰাহৰূপী চক্ৰপাণিৰ উল্লেখ কৰিছে। নৱম শতিকাৰ আগভাগৰ “পৰম ভট্টাৰক পৰম মাহেশ্বৰ” হৰ্জৰবৰ্মাৰ তামৰ ফলিৰ মুঠেই মাজছোৱাহে পোৱা হৈছে; প্ৰশস্তি আদি ক্ষয় গলেও “কমলনিবাসিনীৰ” (লক্ষ্মীৰ) নিচিনা ৰাণীৰ পুত্ৰ যুৱৰাজ শ্ৰীবনমালে—“মহাপ্ৰতিহাৰ জনাৰ্দ্দন মহামাত্য শ্ৰীগোবিন্দ মধুসূদন” আদিৰ যোগে এই ফলি দান কৰাৰ উল্লেখ অৰ্থপূৰ্ণ। নৱম শতিকাৰ মাজভাগৰ বনমাল ৰজাৰ তামৰ ফলিত যেনেকৈ ‘শ্ৰীমৎকৈলাস”ৰ “পিনাকো”ৰ প্ৰশস্তি আছে,

(১) Watters' Yuan Chwang, Vol. II, p. 186

তেনেকৈ "নৰক ইতি সুৰ্নুৰাসীদাদি বৰাহস্য" উল্লেখ; দশম শতিকাৰ আগভাগৰ ৰজা বলবৰ্ম্মাৰ তামৰ ফলিতো "ভৱতিমিৰ-ভিদূৰস্তেজো ৰৌদ্ৰং" প্ৰশস্তিৰ দৰেই "প্ৰলয় পয়োধৌ মগ্নামুদ্ধৰতো বসুমতীম্ . . অসুৰস্সুহৃৎকোড়ৰূপধৃতঃ" উল্লেখ; একাদশ শতিকাৰ আগভাগৰ ৰজা ৰত্নপালৰ দুইখন তামৰ ফলিত প্ৰায় একেদৰেই সদাশিৱ "শঙ্কৰৰ" প্ৰশস্তিৰ লগতে "ধৰা হৰেৰুদ্ধৰতঃ কিৰাকৃতে পয়োধিমগ্না" উল্লেখ নিশ্চয় ৰহস্যপূৰ্ণ। কিন্তু একাদশ শতিকাৰ মাজভাগৰ ৰজা ইন্দ্ৰপালৰ প্ৰথম তামৰ ফলিৰ পৰাই "মে জলবহা গঙ্গেতি গৌৰীগিৰা শম্ভোহ্যূতকলাজিতস্য জয়তি ব্ৰাড়াবিনম্ৰশিৰঃ" বুলি শিৱৰ যৎকিঞ্চিৎ বন্দনা কৰিয়েই "জয়তি পশুপতিঃ প্ৰজাধিনাথো-মহিতব পুৰ্ম্মহিমা মহাবৰাহঃ" এনে বিশেষভাৱে বিষ্ণুৰ বন্দনাকে প্ৰশস্তিত ঠাই দিয়া বিশেষ মন কৰিবলগীয়া। তদুপৰি "পশুপতি" শব্দটিৰ শ্লেষ লক্ষ্য কৰিবলগীয়া; কিয়নো ই সাধাৰণ অৰ্থত শিৱক বুজালেও, যৌগিক অৰ্থত ইয়াত যজ্ঞমূৰ্ত্তি শ্ৰীবৰাহকে বুজাইছে বুলি মহামহোপাধ্যায় পদ্মনাথে স্পষ্ট মত দিছে। তদুপৰি দক্ষিণায়ন সংক্ৰান্তি বা মাঘবিহুৰ মেজিৰ পৰাই অগ্নিৰ তেজ বঢ়াৰ দৰেই একাদশ শতিকাৰ মাজভাগৰ পৰা বিষ্ণু-উপাসনাৰ তেজ বঢ়াৰ প্ৰমাণ এই ফলিতেই আৰম্ভ হৈছে। শিৱৰ সমানে বিষ্ণুৰ প্ৰশস্তি কৰিয়েই ক্ষান্ত নহৈ এই ফলিত আৰু নানা চলেৰে বিষ্ণুক বৰ্ণোৱা হৈছে—"পাতাল পঙ্কপটলোদৰ সন্নিলীনাং ক্ৰীড়াকৃতিৰ্বসুমতীং হৰিৰুজ্জহাৰ," "দ্ৰংষ্ট্ৰাঙ্কুৰোদ্ধৃতধৰাপৰিৰম্ভ--

গৰ্ভসম্ভোগসম্ভৃতৰসালসমানসস্য” ইত্যাদি। একাদশ শতিকাৰ মাজভাগৰ ৰজা এই ইন্দ্ৰপালৰ দ্বিতীয়খন তামৰ ফলি আৰু ৰহস্যজনক। এই দ্বিতীয় ফলিৰ প্ৰশস্তিত প্ৰথমখনৰ দৰেই শিৱ ৰসমানে অথচ অধিক বিশেষভাৱে বিষ্ণুৰ বন্দনা আছে। কিন্তু ইয়াৰ ২২—২৪ শ্লোকত শ্ৰীমান্ বসুদেৱৰ পুত্ৰ শ্ৰীমান্ দেৱাদেৱৰ প্ৰতি যে এই ফলি দিয়া হৈছে তাৰ বৰ্ণনা মন কৰিবলগীয়া—

“বসুদেৱ ইতি শ্ৰীমান্ বসুদেৱ দেৱাত্মজঃ।
তস্য জশে (?) সুহৃন্নন্দসুপ্ৰীত পুৰুষোত্তমঃ॥”

অকল ইমানেই নহয়, এই দ্বিতীয় ফলিত বৈষ্ণৱ ধৰ্ম্ম সম্পৰ্কে এটি লাগতিয়াল অলিখিত কাহিনী আছে। লিখা কথাৰে ফলিখন সম্পূৰ্ণ নোহোৱা বাবে, সেই খালি ঠাইত সেই কালৰ প্ৰচলিত চিত্ৰাঙ্কনৰ কেইটামান নিদৰ্শন ৰখা হৈছে; সেয়ে হৈছে গৰুড়, পদ্ম, শঙ্খ আৰু চক্ৰৰ চিত্ৰ। অকল চিত্ৰাঙ্কণৰে নহয়, ই সেই কালৰ ধৰ্ম-প্ৰাধান্যৰ নিদৰ্শনো দাঙি ধৰে নিশ্চয়। ফলিৰ তলত চিত্ৰকেখনৰ বাঁওহাতে ‘সনি’ ‘ঢনি’ ‘অনি’ শব্দ তিনিটাও আছে; যিহেতুকে অসমীয়াত সংস্কৃত উচ্চাৰণ বিৰল, এই ‘সনি’ ‘ঢনি’ কোনো শনিৰাম, ধনীৰাম আৰু ‘অনি’ কোনো অনিৰুদ্ধ, আৰু এওঁলোকৰ লেখয়িতা আৰু আন দুজন তক্ষকাৰ আছিল।

তাৰ পাছত দ্বাদশ শতিকাৰ আগছোৱাৰ ৰজা ধৰ্ম্মপালৰ তিনিখন তামৰ ফলিৰ বিষয়ো অতি লাগতিয়াল। এওঁৰ ৰাজত্বৰ প্ৰথম দুখন তামৰ ফলিত প্ৰথম শ্লোকত পূৰ্ব্বপুৰুষসকলৰ

দৰেই "বন্দে তমৰ্দ্ধযুৱতীশ্বৰমাদিদেৱ" বুলি শিৱৰ আৰু দ্বিতীয় শ্লোকত "দেৱস্য শূকৰঃ" বুলি বিষ্ণুৰ উল্লেখ কৰিছে। ধৰ্ম্মপালৰ তৃতীয় তামৰ ফলি তেওঁৰ ৰাজত্বৰ শেষ অৱদান। ই নানাপ্ৰকাৰে বৈশিষ্ট্যপূৰ্ণ। এওঁৰে আগৰ দুখন ফলি আৰু নৰকবংশী ৰজা সকলৰ চিৰাচৰিত শিৱ-বন্দনাৰ ঠাইত ইয়াত পোনপটীয়াকৈ বিষ্ণুৰ বন্দনা জোৰা হৈছে—

"স্বস্তি। শ্ৰীমান স ক্ৰোড়ৰূপো জয়তি" আৰু "সূনুৰ্ব্বাহৱপুষো গৰুড়ধ্বজস্য" বুলি নিজ বংশৰ চিনাকি দিছে। অকল এয়ে নহয়, ইয়াত শিৱৰ কোনো উল্লেখ নাই। তদুপৰি এই শাসনত ভূমিদান পোৱা বামুণৰ বিষয়ে আছে—

"সকল বিপ্ৰবহুল প্ৰদীপঃ
শ্ৰীমান বভূব মধুসূদন নামধেয়ঃ।
যো বাল্যতঃ প্ৰভৃতি মাধৱ পাদপদ্ম-
পূজা প্ৰপঞ্চ ৰচনা সুচিৰং চকাৰ॥"

ৰজা বলবৰ্ম্মাৰ কালৰ পৰা ধৰ্ম্মপালৰ আগৰ দুখন তামৰ ফলিলৈকে ইমান সৰহীয়া দান দিয়া হোৱা নাই। ইয়াৰ পৰা ৰজা ধৰ্ম্মপাল শেষকালত একনিষ্ঠ বিষ্ণুভক্ত হোৱা বুলি বুজিব পাৰি।

লিপিমূলক প্ৰমাণৰ পৰা ধৰ্ম্মপাল কামৰূপী পালবংশী শেষ ৰজা বুলি ধৰিব লগা হয়। বুকানন্ হেমিল্টনৰ বিৱৰণৰ পৰাও ধৰ্ম্মপালৰ বংশৰ তেওঁতে ওৰ পৰে বুলি বুজিব পাৰি (১)।

(১) Hunter's Statical Account of Kooch-Behar.

ৰামচৰণ ঠাকুৰৰ গুৰুচৰিতেও একে কথাকে সমৰ্থন কৰে, আৰু এই পুথিৰ বিৱৰণ বিশেষ অৰ্থপূৰ্ণ—

"ধৰ্ম্মপাল ৰাজা আছিলেক কামেশ্বৰ।
তাহান্ত খাটয় যত ভূঞা নিৰন্তৰ॥
কামাখ্যা দেৱীয়ে যেৱে তাঙ্ক শাপ দিলা।
আপোনাৰ ৰাজ্য এৰি বিদেশক গৈলা॥
দুৰ্লভ নাৰ'ণ তাৰ বেলেগীয়া ভাই।
সিও কতো দিনে ৰাজ্য ভৈল এক ঠাই॥
বেহাৰৰ পৰা তিনি প্ৰহৰৰ বাট।
গৰিয়া নগৰ ৰাজা দুৰ্লভৰ পাট॥"

শেষ বয়সত ধৰ্ম্মপালে ৰাজপাট এৰি যোৱা কথাত বিভিন্ন মূলৰ মিল আছে। গুৰুচৰিতত কোৱা কামাখ্যা দেৱীৰ শাপ বোলা কথাষাৰ কিম্বদন্তীৰ এটা গঢ় মাথোন; ধৰ্ম্মপালৰ ৰাজপাট এৰাৰ হেতু যিয়েই হওক, নৰকবংশৰ চিৰাচৰিত শৈৱধৰ্ম্ম এৰি পোনপাকে বৈষ্ণৱ মত গ্ৰহণ কৰাত কামাখ্যাদেৱী ৰুষ্ট হোৱা বোলা জনমত তাৰ লগত লগোৱা হৈছে বুলি বুজিব পাৰি।

নৰকবংশী ৰজাসকলৰ এই তামৰ ফলিবোৰৰ উপৰিও বৈষ্ণৱ-ধৰ্ম্ম সম্পৰ্কীয় আৰু কেখনমান তামৰ ফলি পোৱা হৈছে। তাৰে এখন বৈদ্যদেৱৰ (১১৪১-৫০খৃঃ) আৰু আন দুখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সধয়াপুখীৰ ৰজা লক্ষ্মীনাৰায়ণৰ তামৰ ফলি (১)।

(১) Journal of the Assam Research Society, Vol. III, No. 2, 1935, pp 39-47

এই তুখন ফলিৰ কাল ১৩৯০—১৪০১ খৃঃ। ইয়াৰ প্ৰথমখন প্ৰথম ছোৱাত "নমো গণপতয়ে বন্দে" বুলি গণেশ, বাসুদেৱ, শিৱ, পাৰ্ব্বতী আদি আটাইকে প্ৰণাম জনাই শেষৰ ছোৱাত সধয়াপুৰীৰ সত্যনাৰায়ণ বুলি দাতা ৰজাজনৰ চিনাকি দিছে। দ্বিতীয়খন ফলিয়েও সেইদৰে "গণেশং কাৰ্য্যসিদ্ধাৰ্থং দেৱাসুৰনমস্কৃতম্ পাৰ্ব্বতীহৃদয়ানন্দম্" বুলি আৰম্ভ কৰি দাতা ৰজা সত্যনাৰায়ণৰ পুতেক লক্ষ্মীনাৰায়ণৰ চিনাকি দিছে, আৰু সাণ্ডিল্য গোত্ৰৰ ব্ৰাহ্মণ বাসুদেৱৰ সেৱক হৰিৰ পুতেক ৰতিদেৱক ১৩২৩ শকৰ বিযুৱৰ পবিত্ৰ দিনত এই ফলি দান কৰা বুলিছে। সধয়াপুৰী সম্ভৱ বৰ্ত্তমান সদিয়া আৰু তাৰ ৰজা সম্ভৱ কোনো চুটিয়া ৰজা। তেনেহলে বিখ্যাত তাম্ৰেশ্বৰী কেঁচাইখাতী গোসানীৰ ভক্ত শাক্ত চুটীয়া ৰজাসকলেও চতুৰ্দশ শতিকাৰ শেষভাগত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতি আস্থাৱান হৈ উঠাৰ প্ৰমাণ পোৱা হয়।

৭। কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰ

শিলালিপি আৰু তামৰ ফলিকেখনৰ পাছতে পূৰ্বশঙ্কৰী কামৰূপ বা অসমৰ সামাজিক বুৰঞ্জীৰ বিপুল উপাদান যোগাব পৰা মূল হ'ল—কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰ। সমগ্ৰ ভাৰতত প্ৰসিদ্ধ এই দুই সংস্কৃত গ্ৰন্থৰ ৰচনাৰ ঠাই পুৰণি কামৰূপ, আৰু কাল যথাক্ৰমে দশম আৰু পঞ্চদশ শতিকা বুলি অনুমান কৰা হয়। ভাৰতৰ সকলো ঠাইৰ ভিতৰত কামৰূপৰ বিশদ বৰ্ণনা থকা বাবেই বিশেষকৈ এই দুই গ্ৰন্থ কামৰূপত ৰচিত বুলি ধৰা হৈছে। কালিকা পুৰাণৰ—

"উচ্চৈৰপি যদাখ্যেয়মানেষাম্ পুৰতো মুহুঃ।
তৎকৰ্ণে কথায়েত্যস্য হৰোস্প্ৰষ্টুং তদাননম্॥ (১৪,২০)

পূৰ্বমেঘৰ এই শ্লোকৰ অনুকৰণ নিশ্চয়—

"শব্দাখ্যেয়ং যদপি কিং ল তে যঃ সখীনাং পুৰস্তাৎ।
কৰ্ণে লোলং কথয়িতুমভূদাননস্পৰ্শলোভাৎ।" (২।৪২)

সেইদৰে কালিকাপুৰাণৰ "কালিকেয়ম্ সময়তি সবৰ্ণ তে সখীতিতম্" (১৪,২৬), পূৰ্বমেঘৰ "তয্যাৰূঢ়ে শিখৰমচলঃ স্নিগ্ধ-বেণীসৱৰ্ণে" (২,১৮) পোনপকটীয়া অনুকৰণ। কালিদাসক

চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ কালৰ বুলি ধৰিলে, কালিকা পুৰাণ নিশ্চয় পঞ্চম শতিকাৰ পিছৰ হব। এই অনুক্ৰমে কালিকা পুৰাণ দশম আৰু দ্বাদশ শতিকাৰ ভিতৰৰ ৰচনা বোলা হয়। সেইদৰে যোগিনী তন্ত্ৰৰ একাদশৰ পৰা চতুৰ্দশ অধ্যায়ৰ ভিতৰত ভৱিষ্যদ্বাণী স্বৰূপে সৌমাৰ (সৌম, হৌম, আহোম), কুৱচ (কোচ), আৰু যৱন (মুছলমান) জাতিসমূহৰ আগমন আৰু যুদ্ধবিগ্ৰহ, আৰু বিশ্বসিংহৰ আবিৰ্ভাৱ আদিৰ বিশেষ বৰ্ণনাৰ পৰা এই পুথি কোনো প্ৰকাৰে পঞ্চদশ শতিকাৰ আগৰ হব নোৱাৰে বুলি ঠাৱৰোৱা সমীচীন বুলিব লাগিব।

কালিকাপুৰাণ বিশেষকৈ শাক্ত বা তান্ত্ৰিক গ্ৰন্থ সন্দেহ নাই। কিন্তু তাৰ লগে লগে ইয়াত বৈষ্ণৱ ধৰ্ম্মৰ এটি সুঁতি বৈ যোৱা বিশেষকৈ মন কৰিবলগা। প্ৰথম অধ্যায়ৰ প্ৰথম শ্লোকৰ বন্দনা—

"যদ্‌যোগিভিভৱভয়াৰ্ত্তিবিনাস যোগ্য-
মাসাদ্য বাদিতমতি ৱাৰক্ৰচিত্তৈঃ।
তদ্বৎ পুনাতু হৰিপদসৰোজযুগ্মঃ মভিৰ্ভৱৎ
ক্ৰমাবিলঙ্ঘিত ভূভুৰ্ৱস্ব।"

এইদৰেই বিষ্ণুক "শঙ্খচক্ৰগদাপদ্মপাণিঃ কায়ঃ সবৈষ্ণৱঃ।" (১২,৩১)

নৰসিংহ অৱতাৰক "হিৰণ্যকশিপুৰ্জঘ্নে নৰসিংহ" স্বৰূপিন্‌ (১৩,২৬) বুলি বৰাহ অৱতাৰৰ এইদৰে বন্দনা কৰিছে—(১৩,২৮)।

"ততো নিসেহিত্য তে সৰ্বে শক্ৰাদ্যমুনিভিঃ সহ।
শৰণ্যম্ শৰণম্ যগ্মুৰ্নাৰায়ণমজম্ বিভুম্॥
তম্ সমাসাদ্য গোবিন্দং বাসুদেৱং জগৎপতিম্।
প্ৰণম্য সৰ্বে ত্ৰিদশ স্তুষ্টুভুঃ গৰুড়ধ্বজম্।
নমস্তে দেৱদেৱস জগৎকৰমকাৰক।
কলা স্বৰূপিন্ ভগৱান্ প্ৰধান পুৰুষোত্তমেকঃ॥"

কালিকা পুৰাণত ঠায়ে ঠায়ে ভগবদ্‌গীতাৰ অনুকৰণ থকাৰ উপৰিও অষ্টাশীতম অধ্যায়ত বিষ্ণু-যজ্ঞৰ বিৱৰণ আছে, আৰু তাৰ সামৰণিত (৭০,৭১) সেই বিৱৰণৰ মূল উদ্ধৃত কৰা হৈছে। শিৱই সতীৰ মৃতদেহ কঢ়িয়াই নিওঁতে শৱৰ কোন কোন অংশ ক'ত ক'ত পৰিছিল, অষ্টাদশ অধ্যায়ত বিৱৰি কোৱা আছে, আৰু পৰবৰ্ত্তী এক অধ্যায়ত যাই পীঠ কামাখ্যাৰ উপৰি কামৰূপৰ অসংখ্য পীঠৰ বিৱৰণ দিয়া আছে (৫২,১-১৪৮)। এটা অধ্যায়ত নৰবলিৰ আদিৰ বিষয়ে উদ্ধৃতি আছে—

"শাৰ্দুলশ্চ নৰশ্চৈব স্বগাত্ৰৰুধিৰম্ তথা।" (৬৭,৪)
"মৃগাণাং শোণিতৈৰ্দেবী নৰাণামপি শোণিতৈঃ।
অষ্টমাসানৱাপ্নোতি তৃপ্তিম্ কল্যাণানন্দ চ॥" (৬৭,১০)

"নৰেন বলিনা দেৱী সহস্ৰং পৰিৱৎসৰম্।
বিধিনা দত্তেন চাপ্নোতি তৃপ্তিং লক্ষং ত্ৰিভিৰ্নবৈঃ॥"
নৰেনবাম মাংসেম ত্ৰিসহস্ৰাঞ্চ বৎসৰান্।
তৃপ্তিমাপ্নোতি কামাখ্যা ভৈৰৱীমমৰূৰাধৰক্॥ (৬৭,২০)

"সত্ত্ব পুৰান শোণিতাস্তু পীয়ূষান্ জয়তে সদা।" (৬৭,২১)
"মস্তকাঞ্চাপি তস্যাস্তি মাংসাঞ্চাপি তথাশিৱ।
তস্মাত্তু পূজনে দন্তাদ্বলিং শীর্ষ চ মোহিতম্॥" (৬৭,২২,৩১)

মানুহৰ মূৰ কেনে ধৰণে দেৱীৰ আগত দিব লাগে, আৰু ছিগা মূৰে হাঁহিলে কি হয়, তাকো কৈছে—

"নৰং মৰ্ত্ত্যশিৰোৰক্তম্ দেব্যাঃ সম্যক্ নিবেদয়েৎ॥ (৬৭, ১১২)
''হসতি ছিন্নশীৰ্ষশ্চেন্নৰম্ স্যাত্তু ৰিপুক্ষয়ঃ।
শ্ৰীবৃদ্ধিৰায়ুষো বৃদ্ধিঃ সদা দাতুৰসংশয়ঃ॥ (৬৭, ১৪১)

ভাৰতৰ অন্যতম প্ৰসিদ্ধ সংস্কৃত গ্ৰন্থ যোগিনীতন্ত্ৰত—
''মাহাত্ম্যং কীৰ্ত্তিতং তস্য পুৰশ্ৰীশৈল মন্দিৰে।
বাৰাণস্যাং কামাখ্যায়াং নেপালে মণ্ডলে চলে॥" (১, ৩)

বুলি শিৱ-পাৰ্বতীৰ কথোপকথনৰ চলেৰে কামাখ্যাৰ উল্লেখেৰে আৰম্ভ হৈছে। কালিকা পুৰাণৰ দৰে এই গ্ৰন্থতো বৈষ্ণৱ ধৰ্ম্মৰ এটি সুঁতি তান্ত্ৰিক ধৰ্ম্মৰ লগে লগে বৈ আছে; ''বৈষ্ণৱে তুলসীমালা" (২,৪৪) "বিষ্ণুচক্ৰং যথাব্যৰ্থম্" (৩,৫২) আদিৰ উপৰিও বেল গছনো কেনেকৈ ''বিষ্ণুবনিতা" বা "হৰিপ্ৰিয়া" হ'ল, তাকো পঞ্চম পটলত বৰ্ণোৱা আছে। যষ্ঠ পটলত ষোড়শী যুৱতীকে কিদৰে ধ্যান কৰিব লাগে, তাৰ বিশদ বিৱৰণ দিয়া আছে—

"বিন্দুত্ৰয়ং কলাক্ৰান্তং প্ৰথমং পৰিচিন্তয়েৎ।
তত্তাস্মাদ্ ভাৱয়েজুতং স্ত্ৰীৰূপং ষোড়শব্দীকাম্॥৮

বালাৰ্ককোটিসমজ্যোতিঃ প্ৰকাশিতদিগন্তৰম্।
মূৰ্দ্ধাদিস্তনপৰ্য্যন্তান্নূৰ্দ্ধবিন্দোঃ সমুদ্ভৱম্ ॥৯

বিন্দু জৰন্মধ্যদেশং কণ্ঠাদি কটি শীৰ্ষকম্।
স্তনদ্বয়েন ভাষস্তন্ ত্ৰিবলি পৰিমণ্ডিতম্ ॥"১০

এই অধ্যায়তে আকৌ কৈছে, মদ, মঙহ, মৈথুন বীৰ-ভাৱসূচক, পাশৱিক নহয়—

"মত্তম্ মাংসং তথা মৎস্যম্ মুদ্ৰাং মৈথুনম্।
ইদমাচৰণং দেবী প্ৰসন্ন দিব্য-বীৰয়োঃ ॥"

অকল সেয়ে নহয়, এনে পঞ্চম-কাৰসেৱী বীৰসকল—"ব্ৰহ্মাবিষ্ণুশিৱাদিনাং সুপ্ৰিয়াঃ সাধকোত্তমাঃ ॥" (৬,২৮)

ইয়াৰ পাছত কেনে মদ আৰু কেনে স্ত্ৰী বিভিন্ন জাতৰ বাবে উপভোগৰ উপযোগী তাক বৰ্ণনা কৰিছে (৩৫–৪০)। এই প্ৰসঙ্গত এই পৰ্য্যন্ত কোৱা হৈছে, নিজ মাতৃৰ বাহিৰে সকলো স্ত্ৰীয়েই মৈথুনৰ উপযোগী—"মাতৃযোনিং পৰিত্যজ্য মৈথুনং সৰ্ব্বযোনিষু।" (৬,৪৪) আৰু, বাৰ আৰু ষাঠী বছৰৰ ভিতৰৰ সকলো স্ত্ৰী ৰমণৰ উপযোগী—"দ্বাদশাব্দাধিকা যোনিৰ্জ্জ্যাবাত ষষ্ঠী প্ৰজায়তে। তাবত্তা মৈথুনং তস্যাং স্বয়ম্ভৱঃ ॥" (৬,৪৫)

অৱশ্যে "পৰাশক্ত্যাত্মসম্যোক্ষ্য ন বীৰায় মৈথুনং মতম্" (৬,৭৩) বুলি এই অধ্যায়ৰ সামৰণি মৰা হৈছে।

আইন-ই-আকবৰি আদি পুথিয়েও এই কালৰ কামৰূপ

বা অসমীয়া সমাজৰ অধঃপতিত অৱস্থাৰ কথা সূচায়। এই বাবেই চাৰ এডোৱাৰ্ড গেইট্ চাহাবে লিখিছিল—

"আদিম অধিবাসীবিলাকৰ ৰীতিৰ লগ লাগি অধঃপতিত হিন্দুধৰ্ম্মৰ যি ভয় লগা আৰু বীভৎস ধৰ্মপ্ৰহসনৰ জন্ম হ'ল, সি অনিৰ্দ্দিষ্ট কাললৈ চলা সম্ভৱ নাছিল, গতিকে শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ সংস্কাৰৰ বাবে নৰনাৰায়ণৰ ৰাজত্ব বিশিষ্ট হৈ পৰিল।" (১)

---

(১) Sir Edward Gait, History of Assam, Revised edition, pp. 56–57

৮। বজ্ৰযান, হীনযান, মহাযান

সপ্তম-শতিকাৰ আগছোৱাত অসমত বিশিষ্ট বৌদ্ধ প্ৰভাৱৰ কথা য়ুয়াং চোৱাঙৰ ভ্ৰমণ-বৃত্তান্ত আৰু ভাস্কৰবৰ্মাৰ তামৰ ফলিৰ প্ৰসঙ্গত উনুকিয়াই অহা হৈছে। অষ্টম শতিকাত শঙ্কৰাচাৰ্য্যই যেতিয়া ব্ৰাহ্মণ্যধৰ্ম পুন-প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰি বৌদ্ধ মঠ-মন্দিৰবোৰ ভঙাই পেলালে, তিব্বতীয় পণ্ডিত লামা তাৰানাথৰ মতে, সেই বিপদত বৌদ্ধসকলে নালন্দা, মগধ আদি নানা ঠাইত গোপন আশ্ৰয় ললে। সুন্দৰ হাসি নামে এজন বৌদ্ধ ৰজাই এনে সময়তে অসমৰ শ্ৰীহট্ট, ত্ৰিপুৰা, আৰু কাছাৰ আদি জিলাত এখন ৰাজ্য পাতিছিল বুলিও কয় (কন্দলী ৰাজ্য ৮৯ পিঠি)। দাপোন এখন ভাঙি দিলে তাৰ পৰা বহুত দাপোন হোৱাৰ দৰে, বৌদ্ধধৰ্ম্মৰ ঘাই কেন্দ্ৰবোৰ ভাঙি দিয়াত বজ্ৰযান, হীনযান, মহাযান, সহজযান, কালচক্ৰ-যান, বৌদ্ধ-তান্ত্ৰিক আদি বিভিন্ন সম্প্ৰদায়ৰ জন্ম হ'ল আৰু সেইবোৰে গোটেই দেশ বিয়পিলে। এই সম্প্ৰদায়বোৰৰ অস্তিত্বৰ পোনপটীয়া প্ৰমাণ নহলেও, তেওঁলোকৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। পণ্ডিত ৰাহুল সাংকৃত্যায়ন ত্ৰিপিটকাচাৰ্য্যই তেওঁৰ

"পুৰাতত্ত্বনিরন্ধাৱলী" (১৯৩৭ খৃঃ) পুথিত (১৪৮-৫৪ পৃঃ) তিব্বতৰ চৌৰাশী সিদ্ধৰ নাম-ধাম দিছে আৰু লিখিছে—"ইন্ সিদ্ধকি কাৱতাকি ভাষা আঠ্মি সে বাৰহামি শতাব্দীকি ভাষা হ্যায়।" (১৬৫ পৃঃ) গতিকে এয়ে চৌৰাশী সিদ্ধৰ কাল (৭০০–১১০০ খৃঃ) বুলি ধৰিব পাৰি। ইয়াৰ ভালেখিনি প্ৰবীণ সিদ্ধই পুৰণি কামৰূপ ৰাজ্যৰ ভিতৰুৱা আছিল বুলি সিদ্ধান্ত কৰা হয়।

পণ্ডিত ৰাহুলৰ মতে "চৌৰাশী সিদ্ধমে প্ৰথম পুৰুষ সৰহ্‌হি হ্যায়। পূর্ব দিশমে ৰাজ্ঞী নগৰমে ব্ৰাহ্মণবংশমে ইন্‌কা জন্ম হুৱাথা। নালন্দামে কেত্‌না বর্ষ বাস কিয়া। সৱাৰপাদ ইন্‌কা প্ৰধান শিষ্য থা। কৈ তান্ত্ৰিক নাগার্জ্জুন ভি ইস্‌কা শিষ্য থা। তাঞ্জৰ গ্ৰন্থমে ইনকা বত্ৰিশ্ গ্ৰন্থকা অনুবাদ মিলতা হ্যায়। সব্ বজ্ৰযান।" (১৬৭—৬৮ পিঠি)। গুৱাহাটীৰ দক্ষিণ-পশ্চিমে ষোল মাইলমান দূৰত থকা ঠাই ৰাণীয়েই সম্ভৱ সেই পূৱদেশৰ ৰাজ্ঞী; সৌ উনৈশ শতিকালৈকে এইৰাজ্য কাম-ৰূপৰ কৰতলীয়া আছিল। ছুম্পা খাং-পো যে-শ্বে পাল্‌জোৰৰ ৰচিত তিব্বতৰ ইতিলিপি পাগ্‌ছাম্‌,—জোন-জাং-গ্ৰন্থমতে এই সৰহেই (সৰহপা, সৰোজবজ্ৰ বা ৰাহুলভদ্ৰ) ৰত্নপাল ৰজাক বজ্ৰযান মতত দীক্ষিত কৰে বুলি বুজিব পাৰি। পণ্ডিত ৰাহুলৰ মতে, লুইপা নামৰ অন্যতম সিদ্ধ-গায়ক মগধৰ এজন কায়স্থ লোক আছিল (১৪৮ পৃঃ) কিন্তু গ্ৰৱ ও তব্ নামৰ তিব্বতীয় গ্ৰন্থমতে তেওঁ পুৰণি কামৰূপৰ এজন কৈৱৰ্ত্তৰ ল'ৰা আছিল। ৰাহুলৰ মতে লুইপাৰ এজন শিষ্যৰ নাম দৰিক পা, আৰু তিব্বতী গ্ৰন্থানু-

বাদক গ্রনৱেডেলৰ মতে এওঁ কামৰূপৰ ৰজা ইন্দ্ৰপাল। পাগ-ছাম-জোন-জাং গ্ৰন্থমতে লুইপা ওড়িয়ানৰ ৰজা ইন্দ্ৰভূতিৰ এজন তলতীয়া বিষয়া আছিল; কোনো কোনোৰ মতে আমাৰ হোজাই সেই ওডিয়ান, আৰু ইয়াৰ বিষয়া সামন্ত শোভাই সৰৱিপাদৰ বৌদ্ধতান্ত্ৰিক মতত দীক্ষিত হৈ লুইপাদনাম লয় (কন্দলী ৰাজ্য)।

মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ (বৌদ্ধগান আৰু দোহা) মতে মীনপাদ বা মীননাথ বোলা এজন সিদ্ধক নেপালত এতিয়াও অৱলোকিতেশ্বৰৰ অৱতাৰ বুলি বৌদ্ধসকলে উপাসনা কৰে। এওঁৰ ঘৰবাৰী আদিৰ বিষয়ে মহামহোপাধ্যায়ে একো কোৱা নাই ; কিন্তু তিব্বতীয় গ্ৰন্থবোৰ আলোচনা কৰি ডক্টৰ টুচিয়ে মীনপাক পুৰণি কামৰূপৰ এজন কৈৱৰ্ত্ত বুলি কয়। মীনপাৰ কৌশলজ্ঞান নিৰ্ণয় গ্ৰন্থৰ ভণিতাত "কামৰূপে ইমং শাস্ত্ৰং যোগিনিনাং গৃহে গৃহে," আৰু কামাখ্যা আৰু ওড্ৰিয়ান (হোজাই) পীঠৰ বিশেষ উল্লেখ কৰিছে—"প্ৰথমং পীঠমুৎপন্নং কামাখ্যা নাম সুব্ৰতে। ওড্ৰিয়ান মহাপীঠমুপপীঠ সমন্বিতে॥" ৰাহুলেও মীনপাৰ বিষয়ে লেখিছে—"কামৰূপ আসাম দেশমে মছুৱাকা কুল্‌মে জন্ম হুৱাথা। ইন্ -বি-কে পুত্ৰ মচ্ছেন্দ্ৰথে যিন্‌কা শিষ্য গোৰক্ষনাথ হোৱে। পহিলে লৌহিত্য নদীমে মছ্‌লি মাৰতে থে আৱৰ ধ্যান মাৰ্গমে চল্‌তে থে। পিছে চৰ্পতি পাকে শিষ্য হোয়ে থে। ইনকা এক গ্ৰন্থ তাঞ্জৰমে মিল্‌তা হে জিনকা নাম হ্যায় "ৱহ্যান্তৰ-ৱোধি-চিত্ত ৱন্ধোপদেশ" যোকি পুৰাণ •আসাম বা মাগহি মে থা।"

এই সকলৰ উপৰিও হাড়িপা, কিল্‌পা, নাগাৰ্জ্জুন আদি আৰু অনেক সিদ্ধ পুৰণি কামৰূপত আছিল বুলি অনুমান কৰা হয়। এই সিদ্ধ গায়কসকলৰ ভাষাত যে অসমীয়া ভাষাৰ যথেষ্ট চিন-চাব পোৱা হয়, এই কথা আমি অনেক ঠাইত কঁহিয়াই দেখুৱাইছোঁ।

বৌদ্ধ-সম্প্ৰদায়বোৰ অষ্টম শতিকাৰ পাছত এইদৰে গোপনভাৱে জনসাধাৰণৰ মাজত সোমাই পৰাৰ প্ৰমাণ অসমৰ বাহিৰেও বঙ্গ আদি দেশত দেখিবলৈ পোৱা হয়। স্বৰূপতে গৌড়ীয় বৈষ্ণৱ মতৰ সহজীয়া সম্প্ৰদায় প্ৰভৃতিৰ জনক-জননী যে গুপ্ত বৌদ্ধ-সম্প্ৰদায়বোৰেই, ৰায় বাহাদুৰ ডক্টৰ ৺দীনেশচন্দ্ৰ সেনৰ বঙলা ভাষা আৰু সাহিত্যৰ বুৰঞ্জীৰ পৰা স্পষ্টকৈ দেখিবলৈ পোৱা হয়। বৌদ্ধধৰ্ম্মৰ ত্ৰিৰত্ন বা তিনি শৰণৰ লগত মহাপুৰুষীয়া ধৰ্ম্মৰ চাৰিশৰণ মিলালেও বৈষ্ণৱ ধৰ্ম্মৰ ওপৰত মূল বৌদ্ধ মতৰ সুমঙ্গল প্ৰভাৱ নুই কৰিব নোৱৰা হয়। কিন্তু এই গুপ্ত বৌদ্ধ সম্প্ৰদায়বোৰৰ প্ৰভাৱ সমাজৰ ওপৰত তাৰ বিপৰীত আছিল; আৰু আজিও "ৰাতিখোৱা" সম্প্ৰদায় আদিত সেই প্ৰভাৱ জীৱিত আছে নিশ্চয়। শ্ৰীশঙ্কৰদেৱ মাধৱদেৱে ধৰ্ম্মপ্ৰচাৰ কৰা কালতো এই গুপ্ত বৌদ্ধ-সম্প্ৰদায়বোৰে সমাজৰ উন্নতিত বিধি-পথালি দিয়াৰ যথেষ্ট প্ৰমাণ বৈষ্ণৱ সাহিত্যত আছে। "ৰামৰামীয়া সম্প্ৰদায়ৰ এজন সন্ন্যাসীৰ পৰা নাৰায়ণ আতাই মন্ত্ৰ লবলৈ বিচাৰিছিল; বংশী গোপালদেৱে এজন 'ৰামৰামীয়াৰ লগত বাঁহী বজাই

ফুৰিছিল ; কালচক্ৰযানৰ সুপিতা নামৰ সন্ন্যাসীৰ লগত ভৱানীপুৰীয়া গোপাল আতাই ফুৰাচকা কৰিছিল ; বংশী গোপালদেৱে ধৰ্ম্মপ্ৰচাৰ কৰোঁতে তেওঁক "যেনে তেনে পাৰো তাক বেৰি খুঞ্চি মাৰোঁ। এই কথা ঠাই ঠাই বৌধে আপোচয়।" "হ দেশত কতো প্ৰৱৰ্ত্তয়॥ অন্ন যোনি বিচাৰ আচাৰ কিছু নাই। প্ৰৱৰ্ত্তি চাহিলে পাষণ্ড যেন পায়।"

(বংশীগোপাল দেৱৰ চৰিত)॥"

এনেবিলাক কথাৰ ("জয়ন্তী" ৪ৰ্থ বছৰ, ১৪শ সংখ্যা ; ১ভাদ ১৮৬০শক) উপৰিও শ্ৰীশঙ্কৰদেৱ মাধৱদেৱৰ ৰচনাত বৌদ্ধসকলৰ প্ৰতি তীব্ৰ নিন্দাবাক্যই এই গুপ্ত বৌদ্ধ সম্প্ৰদায়বোৰৰ অস্বাস্থ্যকৰ প্ৰভাৱ সূচায় নিশ্চয়।

বৌদ্ধধৰ্ম হিন্দুধৰ্মৰ 'বিদ্ৰোহী সন্তান' বুলি বিবেচিত আৰু বুদ্ধদেৱ হিন্দুধৰ্মৰ দশাৱতাৰৰ ভিতৰুৱা। সেই দেখি জয়দেৱে তেওঁক এইদৰে স্তুতি কৰিছে—

"নিন্দসি যজ্ঞবিধেৰহহশ্ৰুতিজাতম্
সদয়হৃদয়দৰ্শিতপশুঘাটম্" ॥

মহাপুৰুষ মাধৱেও 'নামঘোষাত' বৰ্ণাইছে—

"মৎস্য কূৰ্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ-কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৰে কৰোহো প্ৰণাম॥

শ্ৰীশঙ্কৰদেৱে লিখিছে—

"বুদ্ধ অৱতাৰে বেদ-পথ কৰি ছন্ন।
বামনয় শাস্ত্রে মোহি আছা সর্বজন॥
নিচিন্তে চৰণ নাম নলয়ে তোমাৰ।
সদায়ে প্রমত্ত লোক পাষণ্ড আচাৰ।"

জয়দেৱৰ "নিন্দসি যজ্ঞবিধেৰহহশ্রুতিজাতম্" কথাৰ লগত "বুদ্ধঅৱতাৰে বেদপথ কৰি ছন্ন" মিলিলেও "পাষণ্ড আচাৰ" আদি নিশ্চয় শঙ্কৰদেৱে সমসাময়িক অনাচাৰী আৰু ব্যভিচাৰী বৌদ্ধসকলক উদ্দেশ্য কৰিয়ে কৈছে। মাধৱেও 'নামঘোষাত' এইবাবেই লিখিছে—

"অন্ন যোনি কিছু নকৰে বিচাৰ জাতকুল ভৈল ভ্রষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয় বেদপথ কৰি নষ্ট॥"

পুৰুষোত্তম গজাতিৰ 'দীপিকা চন্দ্র"তো আছে—(৫,৩৫)

তাতে বৌদ্ধ পাষণ্ড হইবেক যতমত।
এহিমতে বৌদ্ধসৱে লোকক ভাণ্ডিব।
নহৈবেক গতি তাৰ নৰকে পৰিব॥"

৯। শ্ৰীশঙ্কৰদেৱৰ আৱিৰ্ভাৱ

এনে পাৰিপাৰ্শ্বিকতাৰ মাজত শ্ৰীশঙ্কৰদেৱৰ আৱিৰ্ভাৱ হয়। গুপ্ত ৰজাসকলৰ যত্নত ভাৰতৰ চুকে-কোণে বৈষ্ণৱ ধৰ্ম্ম সোমোৱাৰ লগতে শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ প্ৰায় একহাজাৰ বছৰৰ আগতে অসমতো বৈষ্ণৱ ধৰ্ম্মই ভুমুকি মাৰিছিল বুলি যদিও মিকিৰ পাহাৰৰ বৰগঙ্গা শিলালিপি আদিয়ে প্ৰমাণ দিয়ে; সপ্তম শতিকাৰ আগছোৱাৰ ভাস্কৰবৰ্মাৰ তাম্ৰলিপিকে আৰম্ভ কৰি দ্বাদশ শতিকাৰ আগভাগৰ ধৰ্মপালৰ তৃতীয় তাম্ৰলিপি, চতুৰ্দশ শতিকাৰ শেষ আৰু পঞ্চদশ শতিকাৰ আৰম্ভৰ তাম্ৰলিপিলৈকে ধৰি পুৰণি অসমৰ সদৌ শাসনাৱলীত যদিও ক্ৰমবৰ্দ্ধমান বৈষ্ণৱ ধৰ্ম্মৰ গম-গতি বৰ্ঢ়িয়াকৈ ধৰিব পাৰি, আৰু সম্ভৱ পুৰণি অসমতে দশম শতিকামানত ৰচিত "কালিকা-পুৰাণ" আৰু পঞ্চদশ শতিকা মানত ৰচিত "যোগিনীতন্ত্ৰ" আদি তান্ত্ৰিক গ্ৰন্থতে বৈষ্ণৱ ধৰ্ম্মৰ উদীয়মান প্ৰভাৱ যদিও নিভুৰ্লভাৱে ধৰা পৰে; তথাপি শ্ৰীশঙ্কৰদেৱৰ পূৰ্বে বৈষ্ণৱধৰ্ম্ম যে অসমত প্ৰচলিত আৰু প্ৰচাৰিত হোৱা নাছিল, তাত আৰু

সন্দেহ থাকিব নোৱাৰে। শ্ৰীশঙ্কৰদেৱৰ অন্যতম চৰিত-লেখক দৈত্যাৰি ঠাকুৰে এই সম্পৰ্কত সুস্পষ্টভাৱে লিখিছে—

"ই দেশত পূৰ্বকালে নাছিল ভকতি।
নানা ধৰ্ম্ম-কৰ্ম্ম লোকে কৰিল সম্প্ৰতি ॥৮

নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ পাৰ কাটে অসংখ্য প্ৰমাণ॥
তপ জপ যজ্ঞ দান তীৰ্থ স্নান কৰে।
স্বৰ্গ-নৰকত আয়াযাত কৰি মৰে ॥৯

সিটো লোক সমস্তক কৰিলে উদ্ধাৰ।
শঙ্কৰ-মাধৱ ৰূপে ভৈলা অৱতাৰ ॥"১১

পূৰ্বশঙ্কৰী অসমৰ এই আন্ধাৰ যুগত একো ছাটি পাহৰ পেলোৱা "আইন-ই আকবৰি' আদি বিদেশী ভ্ৰমণকাৰীৰ টোকা আৰু আহোম বুৰঞ্জীৰ পৰাও সেই যুগৰ অসমীয়া সমাজৰ ভিতৰুৱা অৱস্থাৰ অলপ আভাস পাওঁহঁক। পুৰণি কামৰূপৰ সৌমাৰ খণ্ডইদি সোমাই আহোমসকলে চুটিয়া, বাৰভূঞা, কছাৰি আদি যিবোৰ জাতি পোনতে লগ পাইছিল, এই আটাইবোৰেই বিভিন্ন শাক্ত-সম্প্ৰদায়ভুক্ত আছিল। পূবে কেচাইখাতী তাম্ৰেশ্বৰী আৰু পশ্চিমে কামাখ্যা, পুৰণি শাক্ত অসমৰ নিশ্চয় দুই অভ্ৰভেদী স্তম্ভ আছিল বুলি অনুমান কৰিব পাৰি। ঘাইকৈ বাৰভূঞা কৈৱৰ্ত আৰু ভেওঁলোকৰ নেতৃস্থানীয় শিৰোমণি ভূঞা বংশ শক্তি-পূজাৰ অভেদ্য দুৰ্গ আছিল বুলিব পাৰি; নাৰায়ণপুৰৰ

ফুলবাৰীকে (১) কেন্দ্ৰ কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত শক্তি-পূজাৰ প্ৰৱল প্ৰচলনৰ প্ৰমাণ পাব পাৰি আজিলৈকে প্ৰচলিত আই-নামবোৰত থকা ফুলবাৰী নগৰ আৰু পিচলা (২) টুনী আদি নৈৰ উল্লেখৰ পৰা। শ্ৰীশঙ্কৰদেৱৰ এজন উপৰি পুৰুষৰ নাম দেৱীদাস হোৱাৰ কাৰণ ৰামচৰণ ঠাকুৰৰ গুৰুচৰিতত এই বুলি লিখিছে—

"ভক্তি কৰি দেৱীক কৰিল দাসী প্ৰায়।
দেৱীদাস নাম ভৈলা এহি কাৰ্য্যে যাই॥" ৫৫

তদুপৰি শ্ৰীশঙ্কৰদেৱ জন্মাৰ লগে লগেই গোসানীৰ আগৰ অজস্ৰ চাকি হুমুৰাৰ কথাৰো উল্লেখ আছে—

"চাৰিদণ্ড ৰাতি যেৱে গৈল সিদিনাৰ।
তেবেসে জানিবা জন্ম ভৈল শঙ্কৰৰ॥
ৰামখায়ে দিয়া আছে হাৱলত বাতি।
তেতিক্ষণে সমস্তে পৰিল হুয়া কাতি॥ ৩৬৭

শ্ৰীশঙ্কৰদেৱৰ পৰাই যে ভৱিষ্যতে দেৱী-পূজাৰ ব্যাঘাত জন্মিল আৰু শাক্তধৰ্ম্মৰ অভেদ্য দুৰ্গৰ ভিতৰত জন্মিয়ে যে সেই দুৰ্গ তেওঁ ভেদ কৰিলে, অন্ততঃ ইয়াকে সেই কিম্বদন্তীৰ সাৰাংশ, বুলিব পাৰি নিশ্চয়। মুঠতে পুৰণি ধৰ্ম্মৰ নামত চলা অধৰ্ম্মৰ বিৰুদ্ধে জনসাধাৰণৰ অশ্ৰদ্ধা, অনাস্থা আৰু অসন্তোষ যে

(১) An Account of Assam by Wade, p.148

(২) A Geographical Sketch of Assam by Wade, p. 18.

যথেষ্ট বাঢ়িছিল ; তাৰ লগতে উচ্চ বোলো শ্ৰেণীটোৰ মৰ্য্যাদা আৰু প্ৰভাৱ যে টুটি আহিছিল আৰু তেওঁলোকৰ একস্বত্বৰ বিষয়ে যে প্ৰশ্ন উঠিছিল ; তদুপৰি সমাজৰ যি সংস্কৃতিত কোনো বিশেষ শ্ৰেণীৰ একাধিপত্য আছিল, সিও যে সেই শ্ৰেণীৰ বাহিৰলৈ ওলাইছিল, তাত সন্দেহ নাই ।

এই সম্পৰ্কত ভাগৱত আদি সংস্কৃত শাস্ত্ৰবোৰ অসমীয়ালৈ ভঙা, বা সেইবোৰৰ সাৰ কাঢ়ি উপাখ্যান উপদেশ আদি দি মাতৃভাষাত কাব্য, গীত, নাট আদি ৰচনা কৰাই শ্ৰীশঙ্কৰদেৱৰ প্ৰথম প্ৰয়াস ।

শ্ৰীকৃষ্ণৰ মানৱী চৰিত

অৱতাৰবাদ ধৰ্মজগতত কোনো এজাতিৰ এৰনীয়া সম্পত্তি বুলি মনে নধৰে। পৃথিবীৰ প্ৰায় সকলো ধৰ্মসম্প্ৰদায়েই এজন নহয় এজন অৱতাৰ মানে। প্ৰভেদ হলে এয়ে হব পাৰে, কাৰ্য্যক্ষেত্ৰত কোনো ধৰ্মসম্প্ৰদায়ৰ অৱতাৰ-বোধ আন একৰ পৰা অৱস্থাভেদে অলপ লৰ।

হিন্দুৰ দশ অৱতাৰৰ লেখত শ্ৰীকৃষ্ণৰ নাম নধৰিলেও, "কৃষ্ণস্তু ভগৱান্ স্বয়ম্" বুলি ভাৰতবৰ্ষৰ অতি সৰহখিনি হিন্দুৱে মানে। অসমত শ্ৰীকৃষ্ণৰ সেৱা নিৰ্ব্বিবাদে চিৰকাল চলি আহিছে, আৰু এতিয়াও ভাদ মাহৰ কৃষ্ণা অষ্টমী তিথিৰ ৰাতি শেষ ছোৱাত ৰোহিণী নক্ষত্ৰত শ্ৰীকৃষ্ণৰ জন্ম বুলি এই দিনা অসমীয়া হিন্দু মাত্ৰই পথাৰৰ কাম-বন খতি কৰি ঘৰে ঘৰে আৰু গাঁৱে গাঁৱে গোঁসাই-ঘৰ আৰু নামঘৰত এগছি সলিতা, এটি গুৱা-পাণ, এভাগি নৈবেদ্য বা এখনি শৰাই দি জগত-গুৰুৰ তিথি ধুলি মূৰ দোঁৱাই নিজক কৃতাৰ্থ মানে।

অসমত শ্ৰীকৃষ্ণৰ সেৱা আৰু তেওঁৰ নামৰ মাহাত্ম্য-পূজা ভাৰতৰ আন কোনো প্ৰদেশতকৈ হীন নহয়। "ওঁ শ্ৰীকৃষ্ণায় বাসুদেৱায় দৈৱকী-নন্দনায় চ" নুবুলিলে ঈশ্বৰৰ নামপ্ৰসঙ্গ আৰম্ভ নহয়; কোনো ঘিণলগা নাইবা বিস্ময়ৰ কথা দেখিলে বা শুনিলে হঠাৎ "হৰিকৃষ্ণ" বুলি মুখত ওলায়। কৃষ্ণনাম যাতে সদায় মুখত ওলায় তাৰ কাৰণেই বাপেক-মাকে নিজৰ লৰাৰ নাম ৰাখে কৃষ্ণকান্ত, কৃষ্ণনাথ, কৃষ্ণপ্ৰসাদ ইত্যাদি।

ভাৰতবৰ্ষৰ কোন আপুৰুগীয়া মাহেন্দ্ৰক্ষণত এই কৃষ্ণনাম-ৰূপ ফুল-কোঁৱৰ ভাৰতী-মালিনীৰ ফুলনিত সোমাল! তেতিয়াৰে পৰা আজি-লৈকে সেই স্বৰ্গীয় পৰশনৰ ফল স্বৰূপে লাখে লাখে কৃষ্ণনামৰ সুগন্ধেৰে আমোলমোলোৱা ফুল ফুলিয়েই আছে। ফলতঃ আজি ভাৰতীয় সাহিত্যৰ প্ৰায় সমানে আধাখিনি ঠাই এই কৃষ্ণবিষয়ক উচ্চ সাহিত্যই অধিকাৰ কৰি ৰহিছে। অসমীয়া সাহিত্যৰ বিষয়েও এই স্বতঃসিদ্ধই আখৰে আখৰে সচা; অনেক অপূৰ্ব্ব প্ৰতিভাশালী লিখকে স্বৰ্গৰ পৰা এই কৃষ্ণনাম ৰসৰ অমৃতৰ নৈকে এই সাহিত্যইদি ব্ৰহ্মাণ্ড ভেদ কৰি বোৱাই দি সকলোকে ধন্য কৰিছে।

গীতা পৃথিবীৰ এখনি আচৰিত ধৰ্ম্মগ্ৰন্থ; ইয়াৰ তুলনা জগতৰ সাহিত্যৰ কতো পাবলৈ নাই। ইয়াৰ শিকনি জগতৰ কোনো এসময়ৰ বা এজাতিৰ লোকৰ কাৰণে নহয়, ই ধাৰ-নিছিগা অনন্ত সোঁতৰ নিজৰা সমগ্ৰ বিশ্বমানৱৰ কাৰণে। সকলো যুগতে সকলো মানৱ হৃদয়তে যেতিয়া এটি অৱসাদ আৰু অৱসন্নতাৰ অকল্যাণকৰ ছাঁ পৰেহি, তেতিয়াই গীতাৰ এই জ্বলন্ত অমৰ বাণী আহি কাণত পৰে—"উত্তিষ্ঠ পৰন্তপ!" গীতামৃতৰ দোগ্ধা গোপালনন্দন কৃষ্ণই।

কৃষ্ণ-চৰিত—বুৰঞ্জী বিচাৰ

বঙ্গৰ সাহিত্য-সম্ৰাট বঙ্কিমচন্দ্ৰৰ শ্ৰীকৃষ্ণবিষয়ক প্ৰতিভাপূৰ্ণ বিশ্লেষণৰ পৰা প্ৰমাণ হয়, কৃষ্ণচৰিত্ৰৰ বিশ্বাসযোগ্য বুৰঞ্জীৰ বাবে কোনো এখনি পুৰণি গ্ৰন্থকে সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিব নোৱাৰি। কৃষ্ণৰ বৃত্তান্তৰ বিষয়ে মহাভাৰত, হৰিবংশ আৰু ওঠৰখন পুৰাণৰ ভিতৰৰ ব্ৰহ্ম, পদ্ম, বিষ্ণু, বায়ু, ব্ৰহ্মবৈবৰ্ত্ত, স্কন্দ, বামন, কূৰ্ম্ম পুৰাণ আৰু শ্ৰীমদ্ভাগৱত আদি ৯খন পুৰাণতে সকলো কথা পোৱা হয়; বাকীবিলাক পুৰাণত কৃষ্ণৰ বৃত্তান্ত

নাই। কিন্তু কৃষ্ণৰ বিষয়ে মহাভাৰতত যি কথা আছে, হৰিবংশ আৰু বিষ্ণু পুৰাণত সেই কথা নাই, আৰু হৰিবংশ আৰু বিষ্ণু পুৰাণত থকা কথাও মহাভাৰতত নাই।

বুজা যায়, মহাভাৰত, হৰিবংশ আৰু ওঠৰখন পুৰাণ মহৰ্ষি বেদব্যাসৰে একেহতীয়া ৰচনা। ইমানবোৰ পুৰাণ ৰচনা কৰিও ব্যাসে মনত শান্তি নাপাই বিমৰ্ষ হৈ থকা দেখি নাৰদে তেওঁক কৃষ্ণকথাযুক্ত শ্ৰীমদ্ভাগৱত ৰচনা কৰিবলৈ উপদেশ দিয়ে, আৰু ভাগৱত গ্ৰন্থ তাৰে ফল। মহাভাৰত যাইকৈ কৌৰৱ-পাণ্ডৱসকলৰ ইতিহাস গতিকে তাত কৃষ্ণৰ বৃত্তান্ত গৌণভাৱে থকাটোৱেই সম্ভৱপৰ। তথাপি বুৰঞ্জী স্বৰূপে কোনো কথা ধৰিবলৈ গলে, মহাভাৰতেই আন সকলোবোৰ গ্ৰন্থৰ পূৰ্ব্ববৰ্ত্তী স্বৰূপে সৰ্ব্বশ্ৰেষ্ঠ আৰু বিশ্বাসযোগ্য বুলি ধৰিব লাগিব, তাত সন্দেহ নাই।

কিন্তু মহাভাৰতৰ ওপৰতো কিমানখিনি নিৰ্ভৰ কৰিব পাৰি? বৰ্ত্তমান মহাভাৰতত সৰ্ব্বমুঠ একলাখ শ্লোক। ইয়াৰ ভালেখিনি শ্লোক পৰবৰ্ত্তী নানা লেখকে ভেজনি দিয়া, এয়ে পূবৰ আৰু পছিময়া পণ্ডিত-সকলৰ সৰবৰহী মত। বঙ্কিমচন্দ্ৰৰ লেখত বৰ্ত্তমান মহাভাৰতৰ শ্লোকৰ সৰহখিনি ভেজনি, অৰ্থাৎ একলাখ শ্লোকৰ ভিতৰত চৈধ্য হাজাৰ মূল শ্লোকৰ লগত বাকীখিনি প্ৰক্ষিপ্ত; কিয়নো এইবোৰৰ ৰচনা-প্ৰণালী আৰু ঘটনাৰ নানা বিষয় অমিল দেখা যায়।

জন্মকাল আৰু বংশ-নিৰ্ণয়

আমাৰ দেশীয় লোকৰ ধাৰণামতে দ্বাপৰৰ শেষ আৰু কলিৰ আৰম্ভত অৰ্থাৎ বৰ্ত্তমান সময়ৰ প্ৰায় পাচ হাজাৰ বছৰৰ আগত কুৰুক্ষেত্ৰৰ যুদ্ধ আৰু কৃষ্ণৰ অৱতাৰ হৈছিল: য়ুৰোপীয় পণ্ডিতসকলৰ মতে এই যুদ্ধ খৃষ্টপূৰ্ব্ব দ্বাদশ কি চতুৰ্দ্দশ শতিকাৰ ভিতৰতে ঘটিছিল। এই বিষয়ে আমাৰ

জনসাধাৰণৰ বিশ্বাসতকৈ য়ুৰোপীয়সকলৰ মতকে বঙ্কিমচন্দ্ৰয়ো আংশিক-ভাৱে সমৰ্থন কৰি কয় যে প্ৰায় খৃষ্টপূৰ্ব্ব পঞ্চদশ শতিকাৰ ভিতৰত এই যুদ্ধ হৈছিল। কিন্তু মূল মহাভাৰতত যে কৃষ্ণ আৰু পাণ্ডৱসকলৰ কথা নাছিল, এইবোৰ পিছত সুমুৱা কল্পনামূলক কথা, ই কোনো ভাৰতবৰ্ষীয় লোকৰ বাবে কাণৰ বিষ্কাত নোসোমোৱা কথা আৰু পছিমীয়া পণ্ডিতবো ই য়ে ঘুণ-লগা কথা, তাক বঙ্কিমচন্দ্ৰই প্ৰমাণেৰে দেখুৱাইছে। ইয়াৰ পৰাই কৃষ্ণৰ জন্মকাল নিৰ্ণয় কৰা হয়।

কৃষ্ণ যদুবংশীয়। কিন্তু পুৰণি বেদ, সংহিতা আদিত তিনিজন যদুৰ কথা থকা বুলি জনা যায়। এজন যযাতিৰ পুতেক, এজন ইক্ষ্বাকুবংশীয় আৰু আনজন কোনোবা অনাৰ্য্য ৰজা। ইয়াৰ ভিতৰত সাধাৰণতে যযাতিৰ পুতেক যদুকে কৃষ্ণৰ আদি পুৰুষ বুলি ধৰা হয়। পুৰুৰবৰ পুতেক আয়ু, আয়ুৰ পুতেক নহুষ, আৰু নহুষৰ পুতক যযাতি। এইটো যি যদুবংশই হওক, তাত মধু, সত্বত, বৃষ্ণি, অন্ধক, কুকুৰ, আৰু ভোজ প্ৰভৃতি ৰজাসকল জন্ম হৈছিল আৰু বৃষ্ণি, অন্ধক, কুকুৰ আৰু ভোজবংশীয় লোকসকলে একেলগে মথুৰাত বাস কৰিছিল বুলি জনা যায়। ইয়াৰে কৃষ্ণ বৃষ্ণিবংশীয়; কংস আৰু দৈৱকী ভোজবংশীয়।

বাল্যকাল

জগতৰ আন আন মহাপুৰুষসকলৰ দৰে কৃষ্ণৰ জীৱনৰ ঘাইকৈ বাল্যকাল-ছোৱা নানা অনৈসৰ্গিক আৰু অলৌকিক কথাৰে ভৰা। তথাপি যেনে কথা স্বাভাবিক আৰু যুক্তিসংগত বুলি সকলোৱে গ্ৰহণ কৰিব পাৰে তাকেইহে আমাৰ বৰ্ত্তমান ধৰা কৰ্ত্তব্য। কৃষ্ণ মথুৰাত, যদু-বংশত, দৈৱকীৰ গৰ্ভ আৰু বসুদেৱৰ ঔৰসত উপজিছিল, আৰু দুৰাচাৰ কংসৰ ভয়ত নন্দ ৰজাৰ ঘৰত ডাঙৰ-দীঘল হব লগীয়া হৈছিল; এইবোৰ

কথাত সন্দেহ কৰিবৰ কোনো কাৰণ দেখা নাযায়। ইয়াৰ বাহিৰে শিশুলীলাৰ অনেক কথা ৰূপক বুলিয়ে বোধ হয়। বৎসাসুৰ, বকাসুৰ আৰু অঘাসুৰ বধৰ কথা আচৰিত নহলেও মহাভাৰত, হৰিবংশ আৰু বিষ্ণুপুৰাণ কতো তেনে কথা নাই বুলি তাক বাদ দিব পৰা হয়; তথাপি ই যে শিশুকৃষ্ণৰ অসীম শাৰীৰিক আৰু মানসিক শক্তিৰ পৰিচয় দিয়ে তাক নকলেও হব। বনাগ্নি-পানৰ কথাও কিজানি অনৈসৰ্গিক বুলিয়ে এৰিব পাৰি। কালিয়দমনৰ কথা মহাভাৰতত নহলেও হৰিবংশ, বিষ্ণুপুৰাণ আৰু ভাগৱতত মূলত থকা বুলি জনা যায়; কিন্তু এই কথা আৰু কৃষ্ণৰ গোবৰ্দ্ধন পৰ্ব্বত ধাৰণৰ কথাও অলপ ৰূপক বুলিয়ে ধৰিব পাৰি। তথাপি ইয়াতো শিশু কৃষ্ণৰ অদ্ভুত শাৰীৰিক আৰু মানসিক শক্তিৰে ইঙ্গিত দিয়া যেন বোধ হয়।

ভাগৱতত পোৱা হয়, কৃষ্ণই আঁঠু কাঢ়িবলৈ ধৰিবৰেপৰা গোপীসকলৰ ঘৰে ঘৰে গৈ গাখীৰ, মাখন আদি খাই নানা দৌৰাত্ম্য কৰিছিলগৈ। এই কথা বিষ্ণুপুৰাণত নাই, বা মহাভাৰততো নাই; কেৱল হৰিবংশত কথা-প্ৰসঙ্গত কোৱা এটা কথাৰ ভাগৱতত ইমান বঢ়াবঢ়ি। বঙ্কিমচন্দ্ৰই দৰ্শোৱা যুক্তিকে এই ঠাইত কলেই যথেষ্ট হব যে, শিশু কৃষ্ণৰ এই কামত দোষৰ নাম-গোন্ধেই ওলাব নোৱাৰে। কিয়নো কৃষ্ণক যদি মানৱশিশু বোলা হয়, তেন্তে সেই বয়সত যেতিয়া লৰাৰ কোনো পাপ-পুণ্য জ্ঞানেই জন্মা নাই, তেতিয়া নীতিশাস্ত্ৰই এইটো দোষ বুলি নধৰে। দ্বিতীয়তে, যদি কৃষ্ণক ঈশ্বৰৰ অৱতাৰ বুলিয়ে ধৰা হয়, তেন্তে সমস্ত জগত যাৰ, সকলো গাখীৰ-মাখনেই যাৰ সম্পত্তি, তাৰ আকৌ কি চুৰ কৰা হব পৰে। তাৰ উপৰি ভাগৱতত আছেই শ্ৰীকৃষ্ণই এই বস্তুবোৰ বান্দৰ আদিৰ কাৰণেহে বিচাৰিছিল। গতিকে ইয়াতো কৃষ্ণৰ সকলো প্ৰাণীৰ প্ৰতি সমভাব আৰু দয়া আদি অতি মহৎ গুণবোৰকেহে দেখিবলৈ পোৱা হয়।

ব্ৰজগোপী সম্বন্ধ

ব্ৰজগোপী সম্বন্ধ কৃষ্ণচৰিত্ৰৰ এটি অনুপম ৰহস্যপূৰ্ণ তথ্য, ইয়াত সন্দেহ নাই। কিন্তু মহাভাৰতত ব্ৰজগোপীসকলৰ কোনো কথা নাই। সভাপৰ্ব্বত শিশুপালবধৰ অধ্যায়ত শিশুপালৰ সবিশেষ কৃষ্ণনিন্দা আছে; কিন্তু তাৰ ভিতৰতো এনে কোনো কথা নাই। গতিকে আদি মহাভাৰত ৰচনা কৰা কালত কৃষ্ণৰ বিষয়ে এনে কথা কোনেও নকৈছিল, কোৱা হলে এনে সুবিধাৰ ঠাইত সি কেতিয়াও এৰা নপৰিলহেঁতেন। সেইদেখি এই কথা তাৰ পিছত সৃষ্টি কৰা হৈছে বুলিব লাগিব। কিন্তু মহাভাৰতৰ এই সভাপৰ্ব্বতে বস্ত্ৰহৰণ কালত দ্ৰৌপদীৰ এই স্তুতিটি আছে—

"আকৃষ্যমানে বসনে দ্ৰৌপদ্যা চিন্তিতো হৰিঃ।
গোবিন্দ দ্বাৰকাবাসিন্ কৃষ্ণ গোপীজনপ্ৰিয় ॥"

হৰিবংশত আছে, কৃষ্ণ সৰু লৰা-ছোৱালী, গাভৰু-বুঢ়ী সকলোৰে আদৰৰ আছিল, আৰু শিশু কৃষ্ণক নানা বিপন্ন অৱস্থাত দেখি তেওঁলোকে কন্দাৰ কথা লিখা আছে। গতিকে এটি সুশ্ৰী আৰু সৰ্ব্বাঙ্গসুন্দৰ লৰাৰ কাৰণে তিৰুতাৰ যেনে মাতৃ বা ভগ্নীসুলভ স্নেহ হব পাৰে, 'গোপীজন-প্ৰিয়' শব্দটোৱে হয়তো তাত বাজে আন সম্বন্ধ সুবুজাব পাৰে। মুঠতে আকৌ বঙ্কিমচন্দ্ৰৰ ভাষাৰেই কবলৈ হলে ইয়াকে কব লাগিব—'এই ব্ৰজগোপীতত্ত্ব মহাভাৰতত নাই; বিষ্ণুপুৰাণত পবিত্ৰভাৱে আছে, হৰিবংশত প্ৰথমে মাথোন অলপ বিলাসিতা সোমাইছে; তাৰ পিছত ভাগৱতত আদিৰস পৰ্য্যন্ত বহলাই নিয়া হৈছে।'

—কৃষ্ণ-চৰিত্ৰ ৩৮ পিঠি—

ৰাস-প্ৰসঙ্গ

বিষ্ণুপুৰাণত মুঠতে ৪৬টা শ্লোকত গোপীসকলৰ কথা আছে, ই পবিত্ৰ ৰাসৰ বৰ্ণনা। বঙ্কিমচন্দ্ৰই ইয়াক ভালকৈ তুলি আনি দেখুৱাইছে। বিষ্ণু পুৰাণৰ সকলো মূল শ্লোক ইয়াত উদ্ধৃত কৰি দেখুওৱা সম্ভৱ নহ'ব, গতিকে দুই চাৰিটি শ্লোকৰ আলোচনা মাথোন কৰা হ'ব। গোপীবিষয়ক কথাৰ আদিতে এইদৰে পোৱা হয়:—

"কৃষ্ণস্তু বিমলং ব্যোম শৰচ্চন্দ্ৰস্য চন্দ্ৰিকাম্।
তথা কুমুদিনীং ফুল্লামামোদিতদিগন্তৰাম্॥
বনৰাজিং তথা কুজদ্ভৃঙ্গমালাং মনোৰমাম্।
বিলোক্য সহ গোপীভির্মনশ্চক্ৰে ৰতিং প্ৰতি॥"

'নিৰ্মল আকাশ; শৰতৰ জোনৰ জেউতি; ফুলি থকা ভেঁট ফুল, চাৰিদিশ গোন্ধত আমোলমোল; ভোমোৰাবোৰৰ শব্দত বনবোৰ মনোৰম দেখি কৃষ্ণই গোপীসকলৰ সৈতে ৰতি-ক্ৰীড়া কৰিবলৈ মন মেলিলে।' ইত্যাদি। শেষত এইদৰে কৈ সামৰণি মাৰিছে—

"সোঽপি কৈশোৰকবয়ো মানয়ন্ মধুসূদনঃ।
ৰেমে তাভিৰমেয়াত্মা ক্ষপাসু ক্ষপিতাহিতঃ॥"

"শত্ৰুধ্বংসকাৰী অমেয়-আত্মা মধুসূদনেও নিজক লৰাবয়সীয়া বুলি জানি ৰাতি তেওঁলোকৰ লগত ৰমণ (ক্ৰীড়া) কৰিলে।"

বিষ্ণুপুৰাণৰ এই ৪৬ টা শ্লোকৰ ভিতৰত 'ৰেমে' আৰু 'ৰতি' এই দুটি শব্দৰ বাহিৰে সন্দেহ থাকিব পৰা কোনো কথা নাই, ই নিশ্চয়। তেনেহ'লে ইয়াত এই দুটা শব্দ প্ৰকৃততে কি অৰ্থত ব্যৱহৃত হৈছে এতিয়া তাকেই চাবলগীয়া। কিন্তু তাৰো আগতে চাব লগা কথা

হৈছে, এই ঠাইত বাজে আৰু এনো কোনেঠাইত এই শব্দ দুটা ব্যৱহাৰ কৰা হৈছেনে নাই।

হৰিবংশৰ ৬৮ অধ্যায়ত,

"স তত্র বয়সা তুল্যৈর্বৎসপালৈ্য সহানঘঃ।
ৰেমে বৈ দিবসং কৃষ্ণঃ পুৰা স্বৰ্গগতো যথা॥

তং ক্রীড়মাণং গোপালাঃ কৃষ্ণং ভাণ্ডীৰবাসিনম্।
ৰময়ন্তি স্ম বহবো বন্যৈঃ ক্রীড়নকৈস্তদা॥

অন্যে স্ম পৰিগায়ন্তি গোপা মুদিতমানসাঃ।
গোপালাঃ কৃষ্ণবান্যে গায়ন্তি স্ম ৰতিপ্রিয়াঃ॥"

এই তিনটা শ্লোকৰ ভিতৰত উমলি ফুৰা গৰখীয়া লৰাবিলাকৰ বিষয়ত "ৰম্" ধাতুৰ পৰা ওলোৱা 'ৰেমে' 'ৰময়ন্তি' আৰু 'ৰতিপ্রিয়' শব্দ ব্যৱহাৰ কৰা হৈছে। অন্ততঃ এই ঠাইত "ৰম্" ধাতুৰ অৰ্থ ধেমালি কৰা বা 'ওমলাত' বাজে আন কোনো অৰ্থই খাটিব নোৱাৰে। গতিকে আমি ওপৰত পোৱা 'ৰতি' আৰু 'ৰেমে' শব্দৰ অৰ্থও 'ধেমালিৰ' বাহিৰে আন হব পৰা সম্ভৱ নহয়, কিয়নো তাত আদিৰসৰ গোন্ধ-ভাপ একেবাৰে দেখা নাযায়।

ইয়াৰ ক্রীড়াভূমি হৈছে অতুলন শোভাময় বৃন্দাবন। এই বৃন্দাবন যে কাব্যজগতৰো অতুলন সৃষ্টি তাক নকলেও হয়। আমি ওপৰত নিৰ্দ্দেশ কৰা অনুসাৰে অৰ্থাৎ বিষ্ণু পুৰাণমতে ৰাসলীলা পবিত্র ধেমালিৰ খেল। ভাগৱতৰ মতে গোপীসকলৰ পক্ষৰ পৰা ইয়াত ইন্দ্রিয়তৃপ্তিৰ ছাট আছে। কিন্তু কৃষ্ণৰ যে তাতো অতি জিতেন্দ্রিয় পুৰুষ তাত সন্দেহ নাই আৰু কৃষ্ণৰ কথাকে বৰ্ত্তমান আমাক বিশেষভাৱে লগা হৈছে। ৰাসত কৃষ্ণৰ খেলৰ লগৰীয়া ব্ৰজৰ জেউতিসকল, ঠায়ো সেই বৃন্দাবনেই;

গতিকে এই ৰাসক্ৰীড়া কৃষ্ণৰ সৌন্দৰ্য্য-সাধনাৰ প্ৰমাণ বুলি ধৰিলেও ভুল নহব যেন লাগে।

ৰাসক্ৰীড়া ভাগৱত

মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তনৰ অন্তৰ্ভুক্ত 'ৰাসক্ৰীড়াৰ' বিষয়বস্তু প্ৰকৃতপক্ষে বিষ্ণুপুৰাণৰ ৰাসবৰ্ণনাৰ পথা অনুকীয়া নহয়, আৰু প্ৰায় বিষয়তে এটাক আনটোৰ ব্যাখ্যা-অনুবাদ বুলিব পাৰি। কিন্তু দুইটা পাঠ মিলাই চালে এনে বোধ হব যে, কীৰ্ত্তনৰ 'ৰাসক্ৰীড়া' শ্ৰীমদ্ভাগৱতৰ আদিৰস ছটিওৱা নিৰহ-নিপানী ভাগুনি। পোনৰ পৰাই আছে—

"ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্ব দিশ হন্তে।
কামাতুৰা স্ত্ৰীৰ যেন সন্তাপ মাৰ্জ্জন্তে॥"
"কতো গোপী আছিল স্বামীৰ পৰশন্তে।
আধাভুঞ্জা হয়া কতো যায় লৰৰন্তে॥"
"বাহু মেলি কাকো আলিঙ্গি ধৰি।
কাৰো স্তন নখে পৰশে ধৰি॥"
"লন্ত বস্ত্ৰ কাঢ়ি বঢ়ায়া ৰঙ্গ।
বেকত কৰন্ত গুপুত অঙ্গ॥"
"ধৰিয়া কাৰো কণ্ঠে বাহু মেলি।
কৰিলা অনেক অনঙ্গ কেলি॥"
"আনন্দে গোপীৰ বঢ়ায়া কাম।
ৰমিলা গোপীনাথ অবিশ্ৰাম॥"

এনে শাৰীৰোৰত প্ৰকাশ কৰা "কামাতুৰা" "আধা-ভুঞ্জা" "স্তন," "গুপুত অঙ্গ" "অনঙ্গকেলি" "কাম" আঁদি কথাৰ সঙ্কেত বিষ্ণুপুৰাণত

মূল শ্লোকত ঘূণাক্ষৰেও থকা যেন নালাগে। গতিকে ভাগৱতত বিষ্ণু-পুৰাণৰ কথা বহুত লবিল আৰু ইয়াৰ যে বহুত কথা আধুনিক ৰুচিৰ বিৰুদ্ধ তাত অকণো সন্দেহ নাই। তথাপি ভাগৱতকাৰৰ যে উদ্দেশ্য অসৎ বা তাৰ যে কোনো অন্তৰ্নিহিত সৎ লক্ষ্য নাই, এনে কথা ভাবিবলৈ কাৰো সাহ নহয়।

হৰিবংশত বিষ্ণুপুৰাণৰ "ৰাস" শব্দ ব্যৱহাৰ নকৰি 'ৰাসক্ৰীড়াৰ" ঠাইত "হল্লীষ ক্ৰীড়নম্" শব্দ চলাইছে। এই "হল্লীষ" শব্দ কোনোৱে "স্ত্ৰীণাং মণ্ডলীকাকাৰনৃত্যে" বা কোনোৱে "মণ্ডলেন তৃষম্ত্যং স্ত্ৰীণাং হাল্লীষকন্তু তৎ" বুলি ব্যাখ্যা কৰিছে। "ৰাস" শব্দৰ অৰ্থও সেয়ে। শ্ৰীধৰস্বামীৰ ব্যাখ্যামতে—' অন্যোন্যে ব্যতিষক্তহস্তানাং স্ত্ৰীপুংসাং গায়তাং মণ্ডলীৰূপেন ভ্ৰমতাং নৃত্যবিনোদঃ ৰাসো নামঃ।" অৰ্থাৎ ৰাসো এবিধ নাচ মাথোন, পুৰুষ আৰু তিৰুতাই হাতত ধৰাধৰি কৰি গাই গাই আৰু চাৰিওফালে ঘূৰি ঘূৰি নচাকে "ৰাস" বোলে।

সৰু সৰু লৰা-ছোৱালীয়ে এইদৰে নচা প্ৰায় সকলোৱে দেখিছে। কোনো কোনো ঠাইত বুজন বয়সৰ লৰাছোৱালীয়েও এইদৰে নচা বুলি শুনা যায়; আমাৰ দেশৰ বিহু আৰু মিৰিনাচেই তাৰ প্ৰমাণ। হুচৰি আৰু তিৰুতা-বিহুত পুৰুষ-তিৰুতাই বেলেগে বেলেগে এইদৰে নচা নিয়ম অসমীয়াৰ মাজতো সৌভাগ্যক্ৰমে এতিয়াও তেনেই লোপ পোৱা নাই। ভালেমান দিনৰ আগতে পুৰুষ-তিৰুতাই মিলি নাচ গান কৰা নিয়মো আছিল বুলি শুনা যায়; এই নাচত আদিৰসৰ গোন্ধ-ভাপ থকা বুলি জনা মানুহে ভুলতো কব নোৱাৰিব। গতিকে কৃষ্ণৰ ৰাস-ক্ৰীড়া যে আছলতে পৱিত্ৰ কথা, তাত আদিৰসৰ অৱকাস নাছিল, এইদৰে তাৰ অনেক প্ৰমাণ পোৱা হয়।

এতিয়া বিষ্ণুপুৰাণ আৰু হৰিবংশৰ সম্বন্ধৰ কথা কবলৈ গলে,

বঙ্কিমচন্দ্ৰৰ কথাৰে চমুকৈ কব পাৰি—'বিষ্ণুপুৰাণত যি সংক্ষিপ্ত হৰিবংশত সেয়ে বিস্তৃত, আৰু নানা প্ৰকাৰ নতুন উপন্যাস আৰু অলঙ্কাৰেৰে অলঙ্কৃত।' আৰু 'বিষ্ণুপুৰাণৰ বতাহী ছোৱালীবিলাক আনন্দত উন্মত্ত, আৰু হৰিবংশত এই গোপীসকলে বিলাসিনীৰ ভাব প্ৰকাশ কৰিছে।'

ৰাধা-প্ৰসঙ্গ

ব্ৰহ্মবৈৱৰ্ত্তপুৰাণেই বঙালী বৈষ্ণৱ ধৰ্ম্ম আৰু বঙ্গীয় বৈষ্ণৱ সাহিত্যৰ সৰ্ব্বগ্ৰাসী ৰাধা চৰিত্ৰৰ জন্মস্থান। মহাভাৰত, হৰিবংশ, বিষ্ণুপুৰাণ, ভাগৱত ক'তো ঘূণাক্ষৰেও ৰাধাৰ নাম নাই, এই কথা বঙ্কিমচন্দ্ৰই মুক্তকণ্ঠে কৈছে। পুৰণি ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ লোপ পাইছে আৰু এতিয়া যি ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আছে সি কোনোবা আচাৰ্য্য-ভট্টাচাৰ্য্যৰ, নাৰায়ণৰ ঋষিৰ উৰুৰ পৰা ওলোৱা উৰ্ব্বশীৰ দৰে, কল্পনাসুন্দৰী মাথোন। এই কথাত মিলছন্ আদি পাশ্চাত্য সমালোচকৰ লগত বঙ্কিমচন্দ্ৰও একমত। ভাগৱতত ৰাধা সম্বন্ধে এষাৰি কথাও নাই, অথচ তাৰ ব্যাখ্যাকাৰক-সকলৰ লিখাত ৰাধা-প্ৰসঙ্গইহে আগঠাই অধিকাৰ কৰিব খোজে।

বিষ্ণুপুৰাণত ওপৰত উল্লুকিয়াই অহা ৬টা শ্লোকৰ ভিতৰত এই-কেইটা শ্লোক আছে—

"এবং নানাপ্ৰকাৰাসু কৃষ্ণচেষ্টাসু তাস্তদা।
গোপো ব্যগ্ৰাঃ সমস্তেৰ ৰম্যং বৃন্দাবনং বনম্॥
বিলোক্যকা ভুবং প্ৰাহ গোপী গোপবৰাঙ্গনা।
পুলকাঞ্চিতসৰ্ব্বাঙ্গী বিকাশিনয়নোৎপলা॥
ধ্বজবজ্ৰাঙ্কুশাজাঙ্কৰেখাবন্ত্যালি! পশ্যত।
পদান্যেতানি কৃষ্ণস্য লীলালঙ্কৃতগামিনঃ॥

কাপি তেন সমং যাতা কৃতপুণ্যা মদালসা।
পদানি তস্যাশ্চৈতানি ঘনান্যল্পতনূনি চ ॥
পুষ্পাবচয়নত্রোচ্চৈশ্চক্রে দামোদরো ধ্রুবম্।
যেনগ্রাক্রান্তিমাত্রাণি পদাণ্যত্র মহাত্মনঃ ॥
অত্রোপবিশ্য সা তেন কাপি পুষ্পৈরলঙ্কৃতা।
অন্য জন্মনি সর্ব্বাত্মা বিষ্ণুৰভ্যর্চ্চিতো যথা ॥
পুষ্পবন্ধনসম্মানকৃতমানামপাস্য তাম্।
নন্দগোপসুতো যাতো মার্গেণানেন পশ্যত ॥
অনুমানেঽসমার্থান্যানিতম্বভাৰমন্থৰা।
যা গন্তব্যে দ্রুতং যাতি নিম্নপাদাগ্রসংস্থিতিঃ ॥
হস্তন্যস্তাগ্রহস্তেয়ং তেন যাতি তথা সখি।
অনায়াত্ত পদন্যাসা লক্ষতে পদপদ্ধতিঃ ॥
হস্তসংস্পর্শমাত্রেণ ধূর্ত্তেনৈৰ বিমানিতা।
নৈৰাশ্য মন্দগামিন্যা নিবৃত্তং লক্ষ্যতে পদম্ ॥
নূনমুক্তা ত্বৰামীতি পুনৰেষ্যামি তেঽন্তিকম্।
তেন কৃষ্ণেণ যেনৈষা ত্বৰিতা পদপদ্ধতিঃ ॥
প্রবিষ্টো গহনং কৃষ্ণঃ পদমত্র ন লক্ষ্যতে।
নিবৃত্তধ্বং শশাঙ্কস্য নৈতদ্দীধিতিগোচৰে ॥"

"এইদৰে সেই গোপীসকলে তেতিয়া (কৃষ্ণ অন্তৰ্দ্ধান হলত) নানা প্ৰকাৰে কৃষ্ণৰ ৰেহৰূপ, লয়লাস আদি দেখুৱাই ব্যগ্ৰভাৱে ৰম্য বৃন্দাবনত ফুৰি ফুৰিবলৈ ধৰিলে। এগৰাকী গোপীয়ে মাটিলৈ চাই সৰ্ব্বাঙ্গ আনন্দত ৰোমাঞ্চিত 'শৰীৰেৰে আৰু নয়নৰূপ উৎপল বিকশিত কৰি কবলৈ ধৰিলে, হেৰা সখি চোৱাঁ; ধ্বজ-বজ্ৰ-অঙ্কুশ ৰেখা থকা খোজৰ চিনবোৰ লীলা-অলঙ্কৃতগামী কৃষ্ণৰ। কোনোবা পুণ্যৱতী মদালসা

তেওঁৰ লগত গৈছে, তেওঁৰেই এইবোৰ ঘন আৰু সৰু ভৰিৰ খোজ। সেই মহাত্মাৰ ভৰিৰ চিনৰ আগভাগ মাথোন দেখা গৈছে। সেইদেখি নিশ্চয় দামোদৰে এই ঠাইত ওখ ফুলবোৰ ছিঙিছিল। তেওঁ কোনোবা গোপীক এই ঠাইত বহি লৈ ফুলেৰে সজাইছিল। তেওঁ (সেই গোপীয়ে) পৰজন্মত সৰ্ব্বাত্মা বিষ্ণুক অৰ্চ্চনা কৰি থাকিব পায়। ফুল পিন্ধোৱা সম্মানত গৰ্ব্বিতা হোৱাত তেওঁক ত্যাগ কৰি নন্দগোপৰ পুত্ৰ এই বাটে গৈছে, চোৱাঁ। আৰু ভৰিৰ আগৰ চিন দেখি বোধ হৈছে নিতম্বৰ ভৰত লাহে লাহে যোৱা কোনোবা তিৰুতাই তেওঁৰ লগত যাব নোৱাৰি বাটত বেগাই যাবলৈ চেষ্টা কৰিছিল। হেৰা সখি! আৰু ইয়াত ভৰিৰ চিন দেখি বোধ হৈছে, সেই অবাধ্যভাৱে খোজ দিয়া গোপীক তেওঁ হাতত ধৰি লৈ গৈছিল। তেওঁক হাতেতে ধৰাৰ পিছতেই সেই ধূৰ্ত্তই এৰা দিলে; কিয়নো এই ভৰিৰ খোজৰ পৰা দেখা গৈছে তেওঁ নিৰাশ হৈ লাহে লাহে বাট বুলি নিবৃত্তা হৈছিল। আৰু সেই কৃষ্ণই নিশ্চয় তেওঁক কৈছিল, 'বেগেতাই গৈ মই আকৌ তোমাৰ কাষলৈ উলটি আহিম।' সেই কাৰণে এওঁৰ খোজৰ গঢ় আকৌ বেগী হৈছে। এতিয়া কৃষ্ণ হাবিত সোমাইছে যেন লাগিছে, কিয়নো আৰু ভৰিৰ চিন দেখা নাই। ইয়াত আৰু জোনৰ পোহৰ সোমাব পৰা নাই। আহাঁ উলটি যাওঁগৈ।"

ৰাধ্ ধাতুৰ অৰ্থ আৰাধনা বা পূজা কৰা; গতিকে যি কৃষ্ণৰ বিশেষ আৰাধিকা তেৱেঁই ৰাধা; এনে অৰ্থও হব পাৰে। ইয়াৰ উপৰি, বিশাখা নক্ষত্ৰৰ আন এটি নাম 'ৰাধা'; পুৰণি ৰীতিমতে কৃত্তিকা নক্ষত্ৰৰ পৰা বছৰ গণনা কৰিলে নক্ষত্ৰ চতুৰ্দ্দশ অৰ্থাৎ ঠিক মাজতে পৰে, এই কাৰণে ৰাসমণ্ডলীৰ লগত ইয়াৰ কিবা সম্বন্ধ থকাও হব পাৰে বুলি বঙ্কিমচন্দ্ৰই ইঙ্গিত দিয়ে। সি যি হওক, ৰাধাৰ কথা যে

আটাইতকৈ মুমলীয়া ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত বাজে ভাগৱত, বিষ্ণুপুৰাণ, হৰিবংশ বা মহাভাৰত ক'তো নাই, ই ঠিক। এই নতুন ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ অন্ততঃ একাদশ খৃষ্টীয় শতিকাৰ ভিতৰত লিখা বুলি ধৰিব পৰা হয়, কিয়নো দ্বাদশ শতিকাৰ প্ৰথম ভাগত গৌড়ৰ ৰজা লক্ষ্মণ সেনৰ সভাপণ্ডিত "গীতগোবিন্দ" ৰচয়িতা বিখ্যাত জয়দেৱ গোস্বামীৰ ওপৰত এই পুৰাণৰ বিশেষ প্ৰভাৱৰ চিন আছে। ইয়াৰ পিছত চণ্ডীদাস আৰু বিদ্যাপতি কবিয়ে ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ প্ৰৱৰ্ত্তিত ৰাধা-কেন্দ্ৰীভূত নতুন বৈষ্ণৱ ধৰ্ম্মৰ প্ৰসাৰ-বৃদ্ধিত সহায় কৰিছে। কিন্তু এই পুৰাণমতে যে ৰাধা কৃষ্ণৰ বিধিমতে বিবাহিতা তিৰুতা, এই কথা বঙালী বৈষ্ণৱ সাহিত্যত ক'তো স্পষ্টকৈ ফুটি ওলোৱা নাই। কিন্তু এই ৰাধাতত্ত্ব প্ৰায়ে পৰকীয়া ভাবৰ লগত মিহলি হৈ পৰাই দেখা যায়; পৰকীয়া ভাব মানে পৰস্ত্ৰীৰ প্ৰতি আকৰ্ষণ। বোধ কৰোঁ যাজীয় সম্প্ৰদায় প্ৰৱৰ্ত্তক কোনোবা কানুভট্টই এই পন্থাৰ জন্মদাতা। সি যি হওক, এই ৰাধা-চৰিত্ৰৰ লগৰীয়া সকলো কথা বঙালী বৈষ্ণৱ ধৰ্ম্মৰে বিশেষত্ব; ইয়াত বাজে ভাৰতীয় আন কোনো প্ৰদেশতে ৰাধা-চৰিত্ৰৰ এনে প্ৰাধান্য দেখা নাযায়। নতুন বৈষ্ণৱ ধৰ্ম্মৰ আন্দোলনত ৰামানুজ, ৰামানন্দ, শঙ্কৰদেৱ, আদি কোনেও বঙ্গদেশৰ চৈতন্য দেৱৰ দৰে 'মধুৰ' ভাবৰ ভক্তি প্ৰকাশ কৰা নাই। অসমীয়া বৈষ্ণৱ ধৰ্ম্মতো প্ৰকৃততে ৰাধাৰ গোন্ধ-ভাপ নাই; ই সৰ্ব্বতোভাৱে দাস্য-ভক্তিমূলক, আৰু ইয়াত যদি তিৰুতাৰ কিবা কথা আছে তেন্তে সি সম্পূৰ্ণ ভাগৱতত থকাৰ দৰে সদৌ ব্ৰজবাসী গোপীক লৈহে, ইয়াত আন কোন ভাঁজ নাই। অৱশ্যে যেনেকৈয়ে হওক, বৰ্ত্তমান আমাৰ মাজলৈ 'ৰাধা' নাম সোমাইছে, কিন্তু সৌভাগ্যক্ৰমে তাৰ আনুষঙ্গিক প্ৰাধান্য সোমাব বুলি এতিয়াও আমি আশঙ্কা কৰিব নালাগে। পুৰণি বৈষ্ণৱ ধৰ্ম্মৰ মত এয়ে —ঈশ্বৰেই জগত আৰু জগতেই ঈশ্বৰ নহয়; কিন্তু 'সূত্ৰে মণিগণা ইব'

ঈশ্বৰৰ লগত জগত গোঁথা আছে। গতিকে ৰাধাক যদি মূল প্ৰকৃতিও বোলা হয়, তেনেহলেও সেই মতৰ কোন প্ৰাচীনত্ব আদি-বৈষ্ণৱ ধৰ্ম্মত পাবলৈ নাই।

বিষ্ণুপুৰাণ আৰু ভাগৱত

বিষ্ণুপুৰাণৰ মূল এই কথাই ভাগৱতত কেনেভাৱে ক্ৰমবৃদ্ধি লাভ কৰিছে তাক ভাগৱতৰ নিৰহ-নিপানী ভাঙনি শঙ্কৰদেৱৰ "কীৰ্ত্তনৰ" পৰা চোৱা হওক।—

"এহিমতে কৃষ্ণ-চেষ্টা কৰে গোপীগণে।
কৃষ্ণক খোজন্তে ফুৰে পশি বৃন্দাবনে॥
দেখিল কৃষ্ণৰ খোজচয় পৃথিবীত।
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে অলঙ্কৃত॥
পাছে সৱ গোপীজাক পথক নিহাৰি।
দেখে স্ত্ৰীৰ খোজ কৃষ্ণ খোজে আছে পৰি॥
দেখি দুয়ে অধিক আকুল ভৈল মনে।"

* * * * *

"দেখ সখি খোজে কোন জনী যায় সঙ্গে।
কৃষ্ণৰ কান্ধত হাত দিয়া লীলা-ৰঙ্গে॥
নিশ্চয়ে জানিলো আৰাধিলে দেৱ হৰি।
তাইক লগে নেয় আমি সমস্তকে এৰি॥
"আউৰ জনী বোলে কিবা কথা গোপীগণ।
তাইৰ খোজ দেখিয়া আকুল কৰে মন॥

কৃষ্ণৰ অধৰামৃত সৰ্ব্বস্ব সবাৰে ।
চুৰি কৰি নিয়া তাই ভুঞ্জে একেশ্বৰে ॥
আৰে ঐত তাইৰ খোজ নাকলিয়া ভালে ।
তৃণে বিন্ধিলেক সুকোমল ভৰি তলে ॥
প্ৰাণতো অধিক প্ৰিয়া দুঃখ পায়ে বুলি ।
কোলাত লইয়া যান্ত আলগতে তুলি ॥
গোপীক বহন্ত কিনো কামাতুৰ হৰি ।
দেখা দেখা আয়ে পোত গৈয়া যায় ভৰি ॥
ঐত নমাই থৈলন্ত প্ৰিয়াক মহাশয় ।
দেখা তাইৰ অৰ্থে আনিলন্ত পুষ্পচয় ॥
পাৰিল গড়ুৱা চড়াই ফুল ভৰি ফান্দি ।
অৰ্দ্ধেক ভৰিৰ খোজ হেৰা আছে বান্ধি ॥
হেৰা দেখা তাইক ঐত উকত বৈসাই ।
বান্ধিলন্ত খোপা কামাতুৰ যদুৰায় ॥
আঁৰিল খোপাত তাইৰ ফুল চতুৰ্ভিতি ।
দেখা আছিলন্ত বহি গোপিকা সহিতি ।
শুক নিগদতি ৰাজা শুনিয়ো শ্ৰৱণে ।
পূৰ্ণকায় হৰি ক্ৰীড়িলন্ত যি কাৰণে ॥
দেখাইলন্ত দুঃখ কামাতুৰ পুৰুষৰ ।
স্ত্ৰীৰ দুৰ্জ্জন ভায় শুনা আতপৰ ॥
চলি যায় যিটো গোপী কৃষ্ণৰ লগত ।
মহাগৰ্ব্বভাব তাইৰ বাঢ়িল মনত ॥
কৃষ্ণৰ আশায়ে আইলো যত গোপীঝাক ।
সবাকে এড়িয়া কৃষ্ণে ভজিলা আমাক ॥

সমস্তে নাৰীত শ্ৰেষ্ঠ আপোনাক মানি।
মহাদৰ্পে কৃষ্ণক বুলিলা হেন বাণী ॥
চলিবে নাপাৰোঁ আৰু মই এক ভৰি।
যৈক মন নিয়া আবে যেন লাগে কৰি ॥
শুনি হেন হৰিয়ো বুলিলা তাইক হাসি।
যাইব যেৱে নোৱাৰা কান্ধত উঠা আসি ॥
শুনি উঠিবেক তাই গৈলা কাছি-পাৰি।
দেখি অন্তৰ্দ্ধান ভৈলা আগত মুৰাৰি ॥”
“সমস্ত সখীত তাই কহিলা বৃত্তান্ত।
যেন মতে তাইক এৰিলন্ত কৃষ্ণকান্ত ॥
শুনিয়া বিস্ময় আতি ভৈল যত সখী।
নিবৰ্ত্তিল সৱে ঘোৰ অন্ধকাৰ দেখি ॥”

ওপৰত তুলি দিয়া মূল বিষ্ণুপুৰাণৰ শ্লোক-কেইটাৰ ব্যাখ্যা-বৰ্ণনা স্বৰূপ ভাগৱতৰ সমকক্ষ কথা এয়ে। এতিয়া এই দুইটা বৰ্ণনা মিলাই চালে ওপৰে ওপৰেই ভালেখিনি কথা বেঙোৰা দেখা যায়। ওপৰৰ অসমীয়া পদ ফেফাকিত ঘনাই ব্যৱহাৰ কৰা ‘কামাতুৰ’ আদি শব্দই তাৰ প্ৰমাণ, কিয়নো বিষ্ণুপুৰাণত এনে বিধৰ স্পষ্ট শব্দ এটিও পোৱা নাযায়। মুঠতে কি বিষ্ণুপুৰাণ, কি ভাগৱত, দুই ঠাইতে কৃষ্ণই এগৰাকী গোপী লৈ আঁতৰি যোৱা কথাটো গোপীৰ মনৰ ভ্ৰম দেখুৱাবলৈ হে দিয়া হৈছে বুলিয়েইহে ধৰিব পাৰি।

এতেকে কৃষ্ণৰ লগত ব্ৰজগোপীৰ সম্বন্ধৰ কথা সচা বুলি ধৰা নিৰাপদ নহয়। কিয়নো ই সচা হোৱা হ’লে কৃষ্ণ-প্ৰসঙ্গৰ সৰ্ব্বপ্ৰথম গ্ৰন্থ মহাভাৰতত নিশ্চয় তাৰ অলপ হলেও আভাস ৰ’লহেঁতেন। যদি কোৱা হয়, মহাভাৰত যথাস্থান নহয় বুলি সেই কথা তাত নাই, তেন্তে তাৰ

পিছৰ কালৰ গ্ৰন্থ হৰিবংশ বা বিষ্ণুপুৰাণত থকা কথাবোৰো ক্ৰমে ভাগৱত আদিত ইমান লৰ হৈ পৰিব কিয় ? দ্বিতীয়তে, 'ৰাস' শব্দই যি বুজায়, আৰু বিষ্ণুপুৰাণত ৰাসবৰ্ণনা যেনেদৰে আছে, সি কোনোমতেই দোষনীয় কথা হবই নোৱাৰে ; যদি কৃষ্ণৰ ৰাসৰ বিষয়ে ইয়াক বুৰঞ্জী বোলা হয়, তেন্তে স্বভাৱতে ইযাৰ পিছৰ গ্ৰন্থ ভাগৱতৰ ৰাসবৰ্ণনা তাৰে উপন্যাস বুলি ধৰিব লাগিব ; গতিকে তাৰ সকলো কথা সত্য বুলি ধৰিলে প্ৰমাদ ঘটা সম্ভৱ। তৃতীয়তে, কেচুৱা ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত বাজে, মহাভাৰত, হৰিবংশ, বিষ্ণুপুৰাণ, ভাগৱত ক'তো যেতিয়া 'ৰাধা' নাম পাবলৈ নাই, তেওঁ প্ৰায় আধুনিক কোনোবা ভাগৱৎ-ব্যাখ্যাকাৰী পণ্ডিতৰ মানস-সুন্দৰী। তেনেহলে কৃষ্ণৰ লগত ৰাধাৰ কলঙ্কপূৰ্ণ কথাও ফুঁতে উৰি যায় ; কিয়নো সকলোৱেই জানে, মূৰ নেথাকিলে মূৰ-কামোৰনি হব কৰ পৰা। গতিকে ক'তো কৃষ্ণৰ চৰিত্ৰৰ চেকাৰ কথা নিটিকিল।

কুৰুক্ষেত্ৰ যুদ্ধ-প্ৰসঙ্গ

ইয়াৰ বাহিৰেও বহুতৰ বিশ্বাস কৃষ্ণই "যৎ কুটৰ ঘাই" হৈ কুৰুক্ষেত্ৰৰ যুদ্ধ লগালে, আৰু পাণ্ডৱ পক্ষৰ-প্ৰধান কুচক্ৰী হৈ দুই পক্ষৰ অসংখ্য বীৰ ধ্বংস কৰালে ; গতিকে কৃষ্ণক যদি ৰাজনীতিক বুলিব পাৰি, তেন্তে এই ৰাজনীতি জগতৰ হিতত্তকৈ অহিতকৰ কাৰ্য্যতহে নিয়োজিত হৈছিল। তেন্তে ইয়াত তেওঁৰ শ্ৰেষ্ঠত্ব ক'ত ? কিন্তু এই কথা যে 'মামুলি' অজ্ঞতা-জনিত আৰু ভ্ৰমাত্মক তাত সন্দেহ নাই। সকলোৱে জানে শকুনিৰ লগত পাশা খেলি বাৰ বছৰ বনবাস আৰু তাৰ পাছত এবছৰ অজ্ঞাতবাস কৰিবলৈ পাণ্ডৱসকল বাধ্য হৈছিল। এই এবছৰ অজ্ঞাতবাসৰ ভিতৰত তেওঁলোকক কোনোৱে ধৰা পেলাব পাৰিলে আকৌ বাৰবছৰ বনবাস খাটিব আৰু নহলে সেই তেৰ বছৰৰ মূৰত ঘুৰি আহি দুৰ্য্যোধনৰ পৰা তেওঁলোকে

নিজ ৰাজ্য ঘূৰাই পাব। কিন্তু শেষত কৌৰৱে এই কথা নাৰাখিলে। তেতিয়া অভিমন্যু-উত্তৰাৰ বিয়াত বিৰাট ৰজা, দ্ৰুপদ, কৃষ্ণ, বলভদ্ৰ, আৰু পাণ্ডৱসকলৰ আন আন জ্ঞাতি-কুটুম্বৰ আগত পাণ্ডৱৰাজ্যৰ পুনৰুদ্ধাৰৰ কথাটোৰ উত্থাপনা হ'ল। সকলোৱে মীমাংসাৰ কাৰণে কৃষ্ণৰ মুখলৈ চাই ৰ'ল। কৃষ্ণই প্ৰকৃত অৱস্থাটো সকলোকে বিৱৰি কৈ অঁতাই শেষত ক'লে এতিয়া কৌৰৱ আৰু পাণ্ডৱৰ পক্ষে যি হিতকৰ, ধৰ্ম্ম্য, যশস্কৰ আৰু উপযুক্ত আপোনাসকলে তাকেইহে চিন্তা কৰক। ধৰ্মৰাজ যুধিষ্ঠিৰে অধৰ্ম্মেৰে পোৱা ইন্দ্ৰৰ ৰাজপাটো কামনা নকৰে, কিন্তু ধৰ্ম্মতঃ পাবলগীয়া এখন গাঁৱৰো অধিকাৰ তেওঁ অধিক বাঞ্ছা কৰে।

এনে অৱস্থাত কিটো সমীচীন? জ্ঞাতি-কুটুম্বৰে হাই-কাজিয়া নকৰি পাণ্ডৱসকল বানপ্ৰস্থী হোৱা তেওঁলোকৰ পক্ষে শোভন হ'লহেঁতেন নে? নিশ্চয় নহয়; কিযনো তেনে কৰিলে প্ৰথমতে কৌৰৱৰ অন্যায় আকাঙ্ক্ষাক প্ৰশ্ৰয় দিয়া পাপ আৰু সেই অন্যায়ৰ বিৰুদ্ধে থিয় দিব নোৱৰাৰ বাবে কাপুৰুষতা, দুইটা দোষে পাণ্ডৱক চুলেহেঁতেন, আৰু সি তেওঁলোকৰ পক্ষে হিতকৰ, ধৰ্ম্ম্য, যশস্কৰ আৰু উপযুক্ত নহ'লহেঁতেন। তাৰ উপৰি, গীতাৰ পৰাই স্পষ্ট বুজা যায় যে আদৰ্শ মানুহ হ'বলৈ সংসাৰী হ'ব লাগিব, সন্ন্যাসী হ'লে নচলিব; গতিকে সংসাৰত ন্যায় যুদ্ধ কৰি নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিব পৰাটোৱেইহে বীৰোচিত কাম, সংসাৰত মায়ামোহত বিচলিত হৈ লক্ষ্যভ্ৰষ্ট হোৱাটো আৰ্য্যোচিত কাম নহয়। ইয়াৰ বিৰুদ্ধেই গীতাৰ সাংখ্য যোগৰ সেই অমৰ বাণী,

"ক্লৈব্যং মাস্ম গমঃ পাৰ্থ নৈতৎ ত্বয্যুপপদ্যতে।
ক্ষুদ্ৰং হৃদয়দৌৰ্ব্বল্যং ত্যক্ত্বোত্তিষ্ঠ পৰন্তপ॥"

সি যি হওক, এই অৱস্থাত যুদ্ধই অনিবাৰ্য্য নে কি? কৃষ্ণই তাকো

নকলে। তেওঁ ক'লে, যদিও যুধিষ্ঠিৰ তেওঁলোকৰ স্বাৰ্থতঃ পাবলগীয়া ৰাজ্যৰ এখন গাঁৱৰো অধিকাৰ এৰিবলৈ অসন্মত, তথাপি তেওঁৰ নিজা মত অনুসাৰে দুৰ্য্যোধনক আধা ৰাজ্য এৰি দিবলৈ কৈ কৌৰৱৰ সৈতে পাণ্ডৱৰ সন্ধি স্থাপন কৰা হওক। তাৰ পাছত বলভদ্ৰয়ো কৃষ্ণৰ কথাকে অনুমোদন কৰি কলে, 'সন্ধিৰ পৰা পোৱা ৰাজ্য-সম্পত্তিয়েইহে প্ৰকৃত ৰাজ্য-সম্পত্তি, যুদ্ধ কৰি পোৱা ধন কোনো ধনেই নহয়।' কিন্তু তাৰ উত্তৰত সাত্যকিয়ে বলোভদ্ৰৰ কথা ক্লীৱ আৰু কাপুৰুষৰ কথা বুলি তীব্ৰ প্ৰতিবাদ কৰি কলে যে তেনে অন্যায় কৌৰৱক সমূলে নিৰ্ম্মূল কৰাই তেওঁলোকৰ কৰ্ত্তব্য বুলি ধৰা উচিত। বুঢ়াবয়সীয়া দ্ৰুপদ ৰজায়ো প্ৰায় সাত্যকিৰ কথাকে সমৰ্থন কৰিলে, কিন্তু সৈন্য গোটাবৰ কাৰণে মিত্ৰৰাজ্যলৈ দূত পঠিওৱাৰ লগে লগে দুৰ্য্যোধনৰ কাষলৈকো তেওঁ দূত পঠাবলৈ কলে।

তাৰ পাছত যেতিয়া কৃষ্ণই দেখিলে যে, যুদ্ধ অৱশ্যম্ভাৱী হৈ উঠিল, তেতিয়া তেওঁ প্ৰতিজ্ঞা কৰিলে যে তেওঁ কেতিয়াও এই যুদ্ধত অস্ত্ৰ ধাৰণ নকৰে, আৰু কলে, 'কুৰু আৰু পাণ্ডৱসকলৰ লগত মোৰ সমান সম্বন্ধ; তেওঁলোকে কেতিয়াও মোৰ মৰ্য্যাদা হানি কৰি অশিষ্ট আচৰণ কৰা নাই।' "যদি দুৰ্য্যোধনে সন্ধি নকৰে, তেনেহ'লে আগতে অন্যলোকৰ কাষলৈ দূত পঠিয়াই পিছতহে মোৰ কাষলৈ দূত পঠিয়াব।" যদি এয়ে মূল মহাভাৰতৰ স্বৰূপ কথা হয়, তেন্তে কৃষ্ণ সদায়েই পাণ্ডৱৰ পক্ষপাতী আৰু কৃষ্ণই কুৰুক্ষেত্ৰ যুদ্ধৰ 'যৎ কূটৰ ঘাই' এই কথা মিছা প্ৰমাণিত হয়।

কৃষ্ণৰ ৰাজনীতি আৰু চৰিত্ৰ

আকৌ কৃষ্ণক যেতিয়া উভয় পক্ষই যুদ্ধত বৰণ কাৰবলৈ চেষ্টা কৰাৰ কথা হ'ল, তেতিয়া কৃষ্ণই কলে, দুয়ো পক্ষই তেওঁৰ মিত্ৰ, গতিকে

আগধৰি নিজে তেওঁ কোনো পক্ষ বাচি নলৈ, যেই পক্ষই আগেয়ে তেওঁৰ কাষ চাপিব সেই পক্ষকে গ্ৰহণ কৰিবলৈ মনস্থ কৰিছে। তাকে দেখি দুৰ্য্যোধন আৰু অৰ্জ্জুন দুয়ো দ্বাৰকালৈ খোজ ললে। অভিমানী দুৰ্য্যোধনে আগধৰি গৈ কৃষ্ণক শোৱাকোঠাৰীত পালগৈ আৰু কৃষ্ণক শুই থকা দেখি শয্যাৰ শিতানৰ ফালে থকা উৎকৃষ্ট আসনত বহিল। পিছত অৰ্জ্জুন সোমাল, আৰু কৃষ্ণৰ শয্যাৰ ভৰিৰ ফালে বিনয় আৰু শ্ৰদ্ধাপূৰ্ব্বক উপস্থিত হ'ল। যথাসময়ত কৃষ্ণ উঠি প্ৰথমে অৰ্জ্জুনক, তাৰ পিছত দুৰ্য্যোধনক দেখি, প্ৰথমতে দেখাজনৰ ফলীয়াই হ'ল। শ্ৰীকৃষ্ণৰ এই কাম অভিপ্ৰায়মূলক ভাবি আৰু আগেয়ে যোৱা দুৰ্য্যোধনৰ পক্ষ নলৈ অৰ্জ্জুনৰ পক্ষ লোৱা বাবে হয়তো বহুতে ইয়াক 'কপট নিদ্ৰা' বোলে, কিন্তু স্বৰূপত এই কথাত কপটতাৰ গোন্ধভাপেই নাই। দুৰ্য্যোধনে যেতিয়া নিজে অৰ্জ্জুনতকৈও আগতে অহাৰ কথা ক'লে, তেতিয়া কৃষ্ণই ক'লে যে সেই কথাত তেওঁ সমূলি সন্দেহ কৰা নাছিল; কিন্তু আগতে তেওঁ অৰ্জ্জুনক দেখা গতিকে দুইকো সহায় কৰিব। তথাপি তেওঁ ক'লে, অৰ্জ্জুনক আগতে দেখাৰ বাবে অৰ্জ্জুনকে তেওঁ আগতে বৰণ কৰিবলৈ সুবিধা দিয়াহে ন্যায় কথা হ'ব; গতিকে এপিনে তেওঁৰ সমযোদ্ধা এক অৰ্ব্বুদ সংখ্যক নাৰায়ণী সৈন্য আৰু আনপিনে সমৰলৈ পৰাঙ্মুখ আৰু অস্ত্ৰধাৰণ নকৰিবলৈ প্ৰতিজ্ঞা কৰা কৃষ্ণ—ইয়াৰ ভিতৰত যিটোকে লাগে অৰ্জ্জনে পোনতে বাচি লওক। অৰ্জ্জুনে সহজতে কৃষ্ণকে বাচি ললে, গতিকে দুৰ্য্যোধনৰ ভাগত সেই এক অৰ্ব্বুদ সৈন্য পৰাত তেওঁ বৰং আনন্দিত হৈ বিদায় ললে। এই বাচনি পোনতে দুৰ্য্যোধনক কৰিবলৈ দিবা হলেও তেওঁ কিজানি সমৰ-পৰাঙ্মুখ আৰু নিৰস্ত্ৰ কৃষ্ণক নিৰ্বিচাৰিলেহেঁতেন। গতিকে দেখা গল যে কুৰুক্ষেত্ৰ যুদ্ধ যাতে নহয়, কৃষ্ণই তাৰেই প্ৰধান চেষ্টা কৰিছিল,* আৰু কৌৰৱ-পাণ্ডৱসকলক

তেওঁ সদায় সমভাৱেই চাইছিল। সেই বুলি, কাৰোবাৰ কিবা দোষ দেখিলে তেওঁ সেই দোষ শুধৰাবৰ বাবে অক্লান্তভাৱে চেষ্টা কৰিছিল।

প্ৰায় দেখা যায়, কৃষ্ণ অদ্বিতীয় বীৰ আছিল আৰু কোনো যুদ্ধতেই তেওঁ পৰাজিত নহৈছিল। তথাপি দেখা যায়, তেওঁ কুৰুক্ষেত্ৰ যুদ্ধত অস্ত্ৰ নধৰিবলৈ যি প্ৰতিজ্ঞা কৰিছিল, সি তেওঁৰ ৰণৰ প্ৰতি বিৰাগ ভাবৰ উৎকৃষ্ট পৰিচয় দিয়ে। তাৰ উপৰি, যি ক্ষমা বীৰৰ ধৰ্ম্ম, কাপুৰুষৰ নহয়, তেনে ক্ষমাৰ অজস্ৰ উদাহৰণ তেওঁৰ জীৱনত দেখা যায়। তেওঁ নিজৰ বাবে কালৈকো সহজে অস্ত্ৰ নধৰিছিল, আৰু নিজৰ শত্ৰুক তেওঁ সাধাৰণতে শত্ৰু বুবুলিছিল। তেওঁ নিজৰ শত্ৰু শিশুপালৰ অপৰাধ শতবাৰ ক্ষমা কৰিছিল, অথচ যি জৰাসন্ধই তেওঁক কেতিয়াও কোনো অপকাৰ কৰা নাছিল, সেই জৰাসন্ধকহে তেওঁৰ শত্ৰুবুলি নিৰ্দ্দেশ কৰিছিল। জৰাসন্ধই তাৰ কাৰণ সুধিলত কৃষ্ণই ক'লে, মহাদেৱৰ ওচৰত বলি দিবলৈ জৰাসন্ধই বন্দী কৰি থোৱা ৰজাসকলক মোকলাবলৈ যুধিষ্ঠিৰে তেওঁক পঠিয়াইছে ; যি ব্ৰহ্মচাৰী আৰু যাৰ ধৰ্ম্মৰক্ষা কৰিব পৰা শক্তি আছে তেওঁ সেই কাৰ্য্যত পৰাঙ্মুখ হলে সেই পাপৰ পাপী হব লাগে ; এই সম্বন্ধতহে জৰাসন্ধ তেওঁৰ শত্ৰু।

এইদৰেই ভালকৈ ফঁহিয়াই চালে আমি দেখিবলৈ পাওঁ, যি মানুহ জাতিৰ ধৰ্ম্মৰ শত্ৰু, তেওঁ কৃষ্ণৰ শত্ৰু। তেওঁ ধৰ্ম্মৰ পক্ষ, অধৰ্ম্মৰ বিপক্ষ ; অসীম বলশালী হৈও তেওঁৰ যুদ্ধত বিৰাগ আৰু প্ৰকৃত বীৰোচিত ধৰ্ম্মত অদ্বিতীয় গুণনিধি। অন্যায়ত চলা দেখিলে আৰু সেই অন্যায় আচৰণ কোনো পুৰুষাৰ্থৰে শুধৰাবৰ উপায় নেদেখিলে তেওঁ আৰু তেনেজনক ৰক্ষা নকৰিছিল ; সেইদৰেই অনেক বীৰ তেওঁৰ হাতত নিধনপ্ৰাপ্ত হৈছিল। আন নালাগে, নানা পাপৰ কাৰণে তেওঁৰ নিজ যদুবংশ যেতিয়া ধ্বংস হবলগীয়া হৈছিল, তেতিয়া তেওঁ তাৰ বিৰুদ্ধে

কোনো চেষ্টা নকৰিছিল। একমাত্ৰ গীতাত কৃষ্ণই অনন্ত জ্ঞানৰ আশ্ৰয় লোৱা দেখা যায়; ইয়াৰ বাহিৰে তেওঁ নিজক ঈশ্বৰ বুলি ঠাৱৰাবলৈ বা কোনো দৈৱশক্তিৰ ছাঁয়াবাজী দেখুৱাবলৈ চেষ্টা কৰা ক'তো দেখা নাযায়। 'পুৰুষকাৰৰ দ্বাৰা কৰিব পৰা কাম কৰিব পৰা হয়, কিন্তু দৈৱ মানুহৰ অধীন নহয়'—এই ভাবেৰেই তেওঁ সদায় পৰিচালিত হোৱা দেখা যায়। গতিকে এনে অৱস্থাত যিমান ভালকৈ চলিব পৰা শৰীৰী শক্তিৰ কাৰণে সম্ভৱ, তেওঁ সেই দৰেই চলিছিল আৰু সেই বিষয়ত তেওঁ আমাৰ আদৰ্শ মানুহ।

পুৰাণৰ মতে কংসবধৰ পিছত কৃষ্ণ আৰু বলোভদ্ৰই কাশীত সান্দীপনি ঋষিৰ কাষত শিক্ষা কৰিছিল আৰু চৌষষ্ঠি দিনৰ ভিতৰত শাস্ত্ৰবিদ্যাত সুশিক্ষিত হৈ গুৰুৰ দক্ষিণা দি মথুৰালৈ উলটিছিল, নন্দৰ ঘৰত তেওঁ কোনো শিক্ষা পোৱাৰ কথা ক'তো পোৱা নহয়; মথুৰাতো আৰু কোনো শিক্ষা লাভ কৰাৰ কথা ক'তো নাই। মহাভাৰতৰ সভাপৰ্ব্বত যুধিষ্ঠিৰে কৃষ্ণৰ পূজ্যতাৰ এই এটা কাৰণ দৰ্শাইছে যে কৃষ্ণ সকলো বেদ-বেদাঙ্গতে নিপুণ আৰু অদ্বিতীয় স্বৰূপ—

(৩৮ অধ্যায়)

"বেদ-বেদাঙ্গ-বিজ্ঞানং বলং চাপ্যাধিকং তথা।
নৃণাং লোকে হি কোঽন্যোঽস্তি বিশিষ্টঃ কেশৱাদৃতে॥"

মহাভাৰতত এই বিষয়ে আৰু অনেক উদাহৰণ পোৱা যায়। ছান্দোগ্য উপনিষদতো, কৃষ্ণই আঙ্গিৰস-বংশীয় ঘোৰ নামৰ ঋষিৰ ওচৰত পঢ়াশুনা কৰিছিল বুলি আছে। মহাভাৰততে কৃষ্ণই দহ বছৰ হিমালয়ত তপ কৰিছিল বুলি থকা দেখা যায়। গতিকে কৃষ্ণৰ শিক্ষা সকলো প্ৰকাৰে আদৰ্শ শিক্ষাইহে হয়। ইয়াৰ বহিৰেও সঙ্গীতবিদ্যাত যে তেওঁৰ বিশেষ ব্যুৎপত্তি আছিল, তাক তেওঁৰ বাঁহী বজোৱাৰ কথাই

স্বচাই দিয়ে। এইদৰে তেওঁৰ আৰু নানা শিক্ষাৰ উদাহৰণ মহাভাৰতত বিচাৰিলে ওলায়।

সামৰণি

কৃষ্ণৰ জীৱনৰ পৰা দুটি অনন্তলৈ বাট, এটি কৰ্ম্মৰ অনন্ত, আনটি জ্ঞান আৰু প্ৰেমৰ অনন্ত। মহাভাৰত, গীতা আৰু শ্ৰীমদ্ভাগৱতত কৃষ্ণৰ জীৱনৰ এই তিনি অনন্তৰ আভাস দিয়াৰ চেষ্টা আছে মাথোন, কিন্তু ক'তো তাৰ সমাপ্তি নাই। মহাপুৰুষসকলক জনসাধাৰণতে যি অলৌকিকতাৰ কুঁৱলীয়ে আবৰি থাকে, জনসাধাৰণে তাকে সাৰবস্তুতকৈ অধিক মূল্যৱান বুলি ভাবে আৰু সেই কুঁৱলীৰ আবৰণ গুচাব খুজিলে তেওঁলোকে কিবা সাৰ-বস্তুকে গুচোৱা যেন বুলি ভাবে। মূঠতে আমাৰ অৱতাৰৰ ধাৰণা কিবা এক অলৌকিক অমানুষিক কাৰ্য্য কৰিব পৰা পুৰুষ বুলিব পাৰি। কিন্তু এজন খৃষ্টধৰ্ম্মাৱলম্বীয়ে এই প্ৰসঙ্গত যীশুখৃষ্টৰ বিষয়ে যি কৈছে, কৃষ্ণৰ বিষয়েও আমি তাকেই মনত ৰাখিব লাগিব - 'যীশুখৃষ্টৰ অৱতাৰ যে আমাৰ দৰেই আছিল আমি তাক পাহৰোঁ, আৰু আমাৰ বহুতে তেওঁ য'ত একো বিষয়ে আমাৰ আদৰ্শ হব নোৱাৰে, তেওঁক তেনে ঠাইত নি থওঁগৈ। যীশু যে মানুহ আছিল, এই মৰমৰ মহান সত্যই, তেওঁ যে দেৱতা আছিল, এই মৰমৰ মহান্ সত্যক পৰাজিত কৰিব বুলি ভয় কৰিবৰ আৱশ্যক নকৰে। তেওঁ আমাৰ বিভাৱ গ্ৰহণ কৰিছিল, আৰু আমাৰ কৈ নিচিনা বলবান প্ৰবৃত্তিবিলাক লৈ তেওঁ সংসাৰ-অৰণ্যত ভীষণভাৱে যুজিছিল, নিৰ্দ্দোষী লোক হলেও বছৰি বছৰি তেওঁক লোকে অত্যাচাৰ কৰিছিল, জনসাধাৰণৰ অভাৱ-অভিযোগে তেওঁৰ মনুষ্যত্বৰ গুণ হেঁচি ধৰিছিল, তথাপি তেওঁ সেই স্বভাৱৰ মধুৰতা ৰক্ষা কৰিছিল; পেৰেগুনি শালৰ ওপৰতে যদিও তেওঁৰ

মৃত্যু ঘটিছিল, তথাপি আমাৰ মনুষ্যত্বত থাকিব পৰা সকলোখিনি ভাব তেওঁ প্ৰকাশ কৰিছিল ; আৰু আমি প্ৰকৃতভাৱে যদি েতওঁৰ পাছ ধৰোঁ। তেওঁ যেনে ঐশ্বৰিক আমিও তেনে ঐশ্বৰিক হ্ব পাৰিম।' (ব্ৰুক্‌লি)

"শৰীৰমাদ্যং খলু ধৰ্ম্মসাধনম্"—এই মত বৰ প্ৰাচীন আৰু শ্ৰেষ্ঠ। গতিকে শৰীৰ আৰু মনৰ সকলো বৃত্তিৰ সৰ্ব্বাঙ্গীণ স্ফূৰ্ত্তি আৰু পৰিণতি, সামঞ্জস্য আৰু চৰিতাৰ্থতাই শ্ৰেষ্ঠ মনুষ্যধৰ্ম্ম, এইটো নুই কৰিব নোৱাৰি। কিন্তু অনুশীলনৰ পৰা ধৰ্ম্মসাধন হয় আৰু কৰ্ম্মৰ পৰা অনুশীলন হয় ; গতিকে কৰ্ম্ম কৰাকে স্বধৰ্ম্ম পালন কৰা বোলে। কৃষ্ণৰ জীৱনত সকলো শাৰীৰিক আৰু মানসিক বৃত্তিৰ চৰম পৰিণতিৰ চিন দেখা যায়। অসুৰ-বধ আদি কথাবোৰৰ পৰাও সকৰে পৰা কৃষ্ণৰ ধৰ্ম্মপালনকাৰী বৃত্তিৰ হে চিনাকি পোৱা হয় ; ইয়াৰ অন্যতম উদাহৰণ কংসবধ। কংস যে বৰ অত্যাচাৰী ৰজা আছিল আৰু তেওঁৰ সেই স্বভাৱ শুধৰণিৰ অতীত আছিল তাক সকলোৱে বুজে ; গতিকে মহা বলবান কৃষ্ণই কংসক বধ কৰি কংসৰ পিতাক উগ্ৰসেনে ন্যায়তঃ পাবলগীয়া ৰাজ্য তেওঁক সমৰ্পণ কৰিলে, নিজে তাৰ অধিপতি হবলৈ নিবিচাৰিলে।

সমাজত আজি মহাপুৰুষৰ আদৰ্শ যে নায়েই, তাৰ বিপৰীত ভাৱে সমাজক খুলি খুলি খাব লাগিছে—এই কথা যীশু আদি মহাপুৰুষ-সকলৰ বিষয়ে যেনেকৈ খাটে, কৃষ্ণৰ বিষয়েও তদ্ৰূপ। হিন্দু মহাপুৰুষ-সকলৰ সৰ্ব্বতোমুখী উন্নতিৰ আদৰ্শ হিন্দুৰ মনৰ পৰা চিৰকাললৈ অন্তৰ্হিত হৈছে আৰু কেউফালৰ পৰা পতনৰূপ ৰাহুৱে হিন্দুক গিলি আনিছে। কৃষ্ণ একাধাৰে সংসাৰী, গৃহী, ৰাজনীতিক, যোদ্ধা দণ্ডবিধাতা, তপস্বী আৰু ধৰ্ম্মপ্ৰচাৰক ; অকল ইমানেই নহয়, তেওঁ এই সকলো বিষয়তে প্ৰতিপত্তিকৈ 'আদৰ্শ নৰ'। সচাকৈয়ে যিশু, বুদ্ধ আদি মহাপুৰুষ সকলৰ জীৱনত এনে সৰ্ব্বতোমুখী আদৰ্শৰ উদাহৰণ দেখা নাযায়। কিন্তু

আমি কৃষ্ণক নি এনে উৎকৃষ্ট বা এনে নিকৃষ্ট ঠাইত থৈছোঁ যে তাৰ পৰা কোনোমতেই কৃষ্ণ আমাৰ আদৰ্শস্থল হব নোৱাৰে ; ইয়াৰ পৰা দুইফালেই আমাৰ অলাভত বাজে লাভ হোৱা দেখা নাপাওঁ। মূঠতে যিদিনাই আমাৰ কৃষ্ণচৰিত্ৰৰ ধাৰণা আমি অৱনত কৰি ললোঁ, সেই দিনাৰ পৰাই হিন্দুসমাজৰ অৱনতি আৰু পতন অৱশ্যম্ভাবী হৈ উঠিছে। বঙ্কিমচন্দ্ৰৰ কথাৰে কবলৈ হলে, আজি জয়দেৱৰ "মদনমোহন" কৃষ্ণৰ অনুকৰণ লৈয়ে সকলো ব্যস্ত ; মহাভাৰতৰ কৃষ্ণক কোনেও মনত নেপেলায় !

ভাগৱত আৰু গীতাৰ কৃষ্ণ এক বিৰাট আৰু অনন্ত প্ৰেমময় আৰু অনন্ত জ্ঞানময় পুৰুষ ; সেই পুৰুষ আমাৰ শতকোটি পুৰুষৰ শতকোটিবাৰ নমস্য। কিন্তু গীতাত কোৱা "পৰিত্ৰাণায় সাধূনাং বিনাশায় চ দুষ্কৃতাম্। ধৰ্ম্মসংৰক্ষণাৰ্থায় সম্ভবামি যুগে যুগে।" এই শ্লোকটিৰ ভাবাৰ্থ কি ? যদি 'ধৰ্ম্মসংৰক্ষণ' মানে পৃথিবীত আদৰ্শ মানুহ চৰিত্ৰ স্থাপন কৰাই হয়, তেন্তে কৃষ্ণৰ চৰিত্ৰত এই কথা বঢ়িয়াকৈ বুজিব পাৰি। গতিকে গীতাৰ আন দুটিমান শ্লোকৰ 'ন মে পাৰ্থাস্তি কৰ্ত্তব্যঃ ত্ৰিষু লোকেষু কিঞ্চন্" আদি কথা সহজে বুজিব পৰা হয়, কিয়নো তাত লোকক আদৰ্শ দেখুৱাই কৃষ্ণৰ নিজ উদ্দেশ্য বুলি স্পষ্টভাৱেই কোৱা আছে। দুটামান অসুৰ বধ কৰিবলৈকে ঈশ্বৰ পৃথিবীত অৱতীৰ্ণ হোৱা কথা সচাকৈয়ে অকিঞ্চিৎকৰ কল্পনা যেন লাগে।

এতিয়া এই জাতীয় অধঃপতনৰ দিনত আমাৰ প্ৰথম কৰ্ত্তব্য হৈছে কৃষ্ণৰ আদৰ্শ মানুহ-চৰিত্ৰৰ স্বৰূপ এই জাতিৰ হিয়াত প্ৰতিপত্তিকৈ জাগৰিত কৰা। অধ্যাপক টি. এল. ভাস্বানিয়ে কোৱাৰ দৰে মহাভাৰতৰ কৃষ্ণৰ আদৰ্শই ভাৰতক বৰ্ত্তমান সামাজিক, ৰাজনৈতিক আদি সকলো প্ৰকাৰৰ দুৰ্দ্দিনত অভয়বাণী যাচিব লাগিব— "ক্ষুদ্ৰং হৃদয়দৌৰ্ব্বল্যং ত্যক্ত্বোত্তিষ্ঠ পৰন্তপ !" কৃষ্ণই যি মুখেৰে বাঁহী

বজাই যমুনা উজাই বোওৱাৰ কথা আছে, সেই মুখেৰেই পাঞ্চজন্য বজাই তেওঁ ৰণক্ষেত্ৰত সৈনিকসকলৰ বীৰ-তেজ উতলাই তোলা নাছিলনে? সেই বিচিত্ৰ শক্তি আজি মুমূৰ্ষু ভাৰতবাসীয়ে সাধনা কৰক; জগতক দেখুৱাওক কৃষ্ণৰ জীৱনৰ-মহান আদৰ্শ কি অমোঘ শক্তি, ভাৰতৰ শিক্ষা আৰু সাধনাৰ বীজ কেনে অব্যৰ্থ।

—"বাহী", ১৭শ বছৰ, ৫ম সংখ্যা ভাদ, ১৮৫৩ শক

The Nabin Bardalai Hall & Library
GAUHATI